Content includes AI-generated material

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MAY 6, 2025 ■ মঙলবাৰ, ২২ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২৮ Guwahati, Assam ।। মূল্যঃ এটকা

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## জৰুৰীকালীন পৰিস্থিতিৰে মোকাবিলা কৰিবলৈ প্ৰস্তুতি

# যুদ্ধৰ আখৰা! সকলো ৰাজ্যক মকড্ৰিলৰ নিৰ্দেশনা



শ্ৰীনগৰত কটকটীয়া নিৰাপত্তা

■ শিক্ষাৰ্থীকো যুদ্ধকালীন অনুশীলনৰ বাবে নিৰ্দেশ ■ ফোনযোগে সন্ত্ৰাসবাদ বিৰোধী অভিযানলৈ সমৰ্থন ৰাছিয়াৰ

নতুন দিল্লী, ৫ মে': পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ ভাৰত-পাকিস্তানৰ মাজত অব্যাহত থকা উত্তেজনাৰ মাজতে যুদ্ধৰ ইংগিত দিলে গৃহ মন্ত্ৰালয়ে। আজি সকলো ৭ পৃষ্ঠাত

## এইউত ছাত্ৰী নিৰ্যাতন! অধ্যাপকৰ বিৰুদ্ধে শিক্ষাৰ্থীৰ তীব্ৰ প্ৰতিবাদ

ই-সংবাদ, ৫ মে': বৰাক উপত্যকাৰ শিলচৰস্থিত অসম বিশ্ববিদ্যালয়ত ছাত্ৰীক শোষণ কৰাৰ গুৰুতৰ ২ পৃষ্ঠাত চাওক

## মহিলাক অপমান মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ৰাজপথত নাগৰিক সমাজ

ই-সংবাদ, ৫ মে': মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ নাৰীক লৈ কৰা অশালীন মন্তব্যৰ বিৰুদ্ধে ৰাজ্যজুৰি ৩ নং পৃষ্ঠাত

## বিপদত মুখ্যমন্ত্ৰী হিমন্ত! ৰাজ্যিক মহিলা আয়োগত গোচৰ কংগ্ৰেছৰ

ই-সংবাদ, ৫ মে': মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমীয়া নাৰীৰ বিৰুদ্ধে ৩ নং পৃষ্ঠাত

## সপোনত যি যি দেখে তাকেই কৰে হিমন্তই! নেলীত চিএমৰ প্ৰতিশ্ৰুতিৰ বন্যা

ই-সংবাদ, জাগীৰোড, ৫ মে': দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মৰিগাঁও জিলাৰ নেলীত অন্তিম নিৰ্বাচনী প্ৰচাৰ চলায় মুখ্যমন্ত্ৰী শেষাংশ ৩ পৃষ্ঠাত




## ৰাহুল বিদেশী! তথ্য নাই কেন্দ্ৰৰ

লক্ষ্ণৌ, ৫ মে': আদালতৰ পৰা বৃহৎ সকাহ লাভ কৰিলে কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৭ নং পৃষ্ঠাত

## ১৫ মে'ত পুনৰ ৱাকফৰ শুনানি

নতুন দিল্লী, ৫ মে': সংশোধিত ৱাকফ আইন ২০২৫ৰ সাংবিধানিক বৈধতাক ৪ পৃষ্ঠাত

## চিবিআইৰ সঞ্চালকক লৈ জল্পনা প্ৰধানমন্ত্ৰীৰে বৈঠক ৰাহুল, মুখ্য ন্যায়াধীশৰ



নতুন দিল্লী, ৫ মে': দেশৰ পৰৱৰ্তী চিবিআই সঞ্চালকৰ নিযুক্তি লৈ সোমাবাৰে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ল এক শেষাংশ ৭ পৃষ্ঠাত

## নিৰ্বাচন আয়োগক কটাক্ষ অখিল গগৈক বিজেপিৰ 'বি টিম' আখ্যা দেৱব্ৰতৰ

ই-সংবাদ, ৫ মে': এইবাৰ পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ বি-টীম নামিছে নিৰ্বাচনত। নাম মুখত নোলোৱাকৈ ৫ পৃষ্ঠাত

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৃষ্ঠপোষকতাতে কয়লা ছিণ্ডিকেট

সংবাদমেলত দুখন পত্ৰ ৰাজহুৱা জগদীশ ভূঞাৰ

ই-সংবাদ, ৫ মে': ৰাজ্যত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ পৃষ্ঠপোষকতাতেই আজিও চলি আছে কয়লাৰ ছিণ্ডিকেট। কয়লাৰ ছিণ্ডিকেট দিছপুৰৰ পৃষ্ঠপোষকতাত চলি আছিল। খনন-সৰবৰাহ ২ নং পৃষ্ঠাত



## অভয়াপুৰীত ভূপেন বৰা 'দুৰ্নীতিৰ চৰ্দাৰৰ হাতত ক্ষমতা গতাই থৈ গ'ল সৰ্বাই'

ই-সংবাদ, অভয়াপুৰী, ৫ মে': দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত ৪ নং পৃষ্ঠাত



## 'মোদীয়েও বিৰিয়ানীৰ জুতি ল'বলৈ গৈছিল' গৌৰৱৰ পক্ষত অখিল

ই-সংবাদ, ৫ মে': বিজেপিৰ দখলত থকা সমষ্টিৰ পৰা আঁতৰি থাকি ৪ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰীৰ লগতে বিৰোধীয়েও বিভ্ৰান্ত কৰিলে ৰাইজক

ই-সংবাদ বিশেষ, ৫ মে': পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ যোৱা ২ মে'ত সম্পন্ন হোৱাৰ পিছত ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰাকমুহূৰ্তলৈকে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক গৌৰৱ গগৈৰ ভূতে খেদি থাকিলে। গৌৰৱ গগৈৰ বাহিৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্বৰ কোনো যেন নিৰ্বাচনী ইছ্যু নাই।

### গৌৰৱ-পাকিস্তান! পঞ্চায়তত নেতাই নক'লে গাঁৱৰ কথা

উন্নয়নৰ গংগা বোৱাই দেশৰ ৫খন ৰাজ্যৰ ভিতৰত অসমক এখনলৈ উত্তীৰ্ণ কৰাৰ সপোন দেখা হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ৫ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অধ্যাপকৰ বিৰুদ্ধে শিক্ষাৰ্থীৰ

অভিযোগ উত্থাপন হৈছে। সহকাৰী অধ্যাপক অজিত কুমাৰ জেনাৰ বিৰুদ্ধে কুকাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। ৪ মে'ত এই ঘটনা পোহৰলৈ আহিছিল। বিশ্ববিদ্যালয় চৌহদস্থিত আৰক্ষী চকীত ছাত্ৰীয়ে এখন এজাহাৰ দাখিল কৰিছিল। এজাহাৰত সহকাৰী অধ্যাপক অজিত কুমাৰ জেনাৰ বিৰুদ্ধে শাৰীৰিক শোষণ কৰাৰ অভিযোগ আনিছিল। এই ঘটনা পোহৰলৈ অহাৰ পিছৰে পৰা চৌদিশে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তাৰ মাজতে আজি বিশ্ববিদ্যালয়খনৰ ছাত্ৰ সমাজে বিশ্ববিদ্যালয়ৰ আৰক্ষী চকীত প্ৰতিবাদ সাব্যস্ত কৰে। অজিত কুমাৰ জেনা, আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে শ্লʼগান দি ছাত্ৰ সমাজে এজাহাৰৰ ভিত্তিত গোচৰ ৰুজু কৰি ক্ষিপ্ৰ তদন্ত নকৰাৰ অভিযোগ উত্থাপন কৰে। অধ্যাপক জেনাই শৈক্ষিক সভাৰ সময়ত শিক্ষাৰ্থীসকলৰ বিষয়ে যৌনতাপূৰ্ণ আৰু মানহানিকৰ মন্তব্য কৰিছিল। ৰেষ্টুৰেণ্ট আৰু কেবিনৰ দৰে স্থানত অসময়ত ছাত্ৰীক লগ কৰিবলৈ বাধ্য কৰিছিল আৰু যৌন উৎপীড়নমূলক ভাষা ব্যৱহাৰ কৰিছিল। কিন্তু ৩০ ঘণ্টা অতিক্ৰম কৰাৰ পিছতো অসম বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলে যৌন নিৰ্যাতন, ভাবুকি, মানহানি আৰু মানসিক নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰি সহকাৰী অধ্যাপক অজিত কুমাৰ জেনাৰ বিৰুদ্ধে ৪ মে'ত অসম বিশ্ববিদ্যালয় আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছিল। অধ্যাপক জেনাৰ বিৰুদ্ধে বাৰে বাৰে যৌন আতিশয্য আৰু ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগ উত্থাপন হৈ আহিছিল। বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক প্ৰদোষ কিৰণ নাথে উপাচাৰ্যই এক আভ্যন্তৰীণ তদন্ত কৰি সোমবাৰে প্ৰতিবেদন দাখিল কৰিবলৈ কৈছিল। অসম বিশ্ববিদ্যালয় আৰক্ষী চকীত দাখিল কৰা এজাহাৰত সহকাৰী অধ্যাপক অজিত কুমাৰ জেনাৰ বিৰুদ্ধে উল্লেখ কৰা অভিযোগ মতে, জেনাই নিয়মীয়াভাৱে অশ্লীল মন্তব্য প্ৰদান কৰে। ভয় দেখুৱাই শৈক্ষিক ফলাফলত ক্ষতি কৰাৰ ভাবুকি দিয়ে। পাঠদান, বিভাগীয় বৈঠক আৰু ব্যক্তিগত সাক্ষাৎকাৰৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীক হাৰাশাস্তি কৰে। ছাত্ৰীৰ প্ৰতি অশ্লীল মন্তব্য কৰি ৰেষ্টুৰেণ্ট বা অকলশৰীয়াকৈ গোপন স্থানত যাবলৈ জোৰ কৰিছিল। যাবলৈ সন্মত নহ'লে নম্বৰ কমাই দিয়াৰ ভয় দেখুৱাইছিল। আজি প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে যৌথ বিবৃতিত কয় যে এই অধ্যাপক জেনাৰ আচৰণে মানসিক যন্ত্ৰণা ভোগাইছে। অধ্যাপক জেনাই ছাত্ৰ-ছাত্ৰী তথা অন্য শিক্ষক-শিক্ষয়িত্ৰীৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাইছিল আৰু নিজকে ৰক্ষা কৰিবলৈ মিছা সাক্ষ্য দিবলৈ বাধ্য কৰিবলৈ চেষ্টা কৰিছিল। ছাত্ৰ সমাজে পাঁচটা মূল অভিযোগ উত্থাপন কৰিছে। সেয়া হৈছে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি যৌন উত্তেজক আৰু অশ্লীল মন্তব্য, নম্বৰ কাটি দিয়া বা বেক লগাই দিয়াৰ ভয় দেখুওৱা, ব্যক্তিগত লাভৰ বাবে জোৰ-জুলুম আৰু মানসিক চাপ, ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মীক লৈ অপপ্ৰচাৰ, মানসিক ক্ষতি সাধন কৰা ক্ষমতাৰ অপব্যৱহাৰ। অভিযোগকাৰীসকলে মোবাইল কল ৰেকৰ্ড, স্ক্ৰীনশ্বট, সাক্ষীৰ বিবৃতি আৰু অন্যান্য প্ৰমাণ হাতত থকা বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ শাসনতো কয়লাৰ ছিণ্ডিকেট

আদি সকলো দিছপুৰৰ পৰা চলিছিল। তিনিচুকীয়া, ডিমা হাছাও, কাৰ্বি আংলং আদিত দিছপুৰৰ পৃষ্ঠপোষকতাত আৰু বিজেপি নেতাৰ তত্বাৱধানত কয়লাৰ খনন আৰু সৰবৰাহ চলি আছে। আজি তথ্যসহ এই বিস্ফোৰণ ঘটাইছে অসম জাতীয় পৰিষদে। ডিমা হাছাও জিলাত বিজেপি নেতা তথা উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ নেতৃত্বত তেওঁৰ ঘনিষ্ঠ কয়লা মাফিয়াই কয়লা খননৰ অনুমতি লাভ কৰিছিল। কিয়নো উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাই খোদ নিজৰ পেডত কয়লা মাফিয়াক ব্লক আবণ্টন কৰি খনন, মজুতকৰণৰ অনুমতি দিবলৈ অসম খনিজ উন্নয়ন নিগম লিমিটেডৰ পৰিচালন সঞ্চালক এন আনন্দক নিৰ্দেশ দিছিল। সেই মতে, কয়লা মাফিয়াই ব্লক আবণ্টন কৰি খনন, মজুতকৰণৰ অনুমতি লাভ কৰিছিল। অনুমতি, মজুতকৰণ, খনন, সৰবৰাহৰ নামত কোটি কোটি কমিছনৰ অংক আছিল। অসম জাতীয় পৰিষদে বিজেপিৰ নেতাৰ পৃষ্ঠপোষকতাত অসমত কয়লাৰ অবৈধ খনন-সৰবৰাহ আদি পূৰ্বেও চলি আছিল আৰু আজিও চলি আছে বুলি দাবী কৰিছে। আজি গুৱাহাটীত অসম জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি জগদীশ ভূঞাই আজি এখন সংবাদমেল পাতি কয়লাৰ ছিণ্ডিকেটত বিজেপি নেতা জড়িত বুলি দাবী কৰে। চৰকাৰ আৰু প্ৰশাসনৰ পৃষ্ঠপোষকতাতেই চলি থকা কয়লা ছিণ্ডিকেটৰ এনঅ'চি বিজেপি নেতাই যে দিছিল সেয়া তথ্যসহকাৰে বিস্ফোৰণ ঘটায় ভূঞাই। জগদীশ ভূঞাই সংবাদমেলত দুখন পত্ৰ মুকলি কৰি কয় যে উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গালোৰ্ছাই আছাম মিনাৰেল ডেভেলপমেণ্ট কৰ্পোৰেচন লিমিটেডৰ পৰিচালন সঞ্চালক এন আনন্দলৈ প্ৰেৰণ কৰি ব্লক আবণ্টন, খনন, মজুতকৰণৰ এনঅ'চি দিবলৈ কৈছিল। এখন পত্ৰ যোগে কয়লা মাফিয়া বীৰেন সিং ইংতি ডিমা হাছাওৰ গৰমপানীত কয়লা মজুতকৰণৰ বাবে এনঅ'চি প্ৰদান কৰিছিল। পত্ৰখনত দেৱলাল গাৰ্লোছাই কয় যে উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ ফালৰ পৰা বীৰেন সিং ইংতিক গৰমপানীস্থত অসম খনিজ উন্নয়ন নিগম লিমিটেডৰ নিয়ন্ত্ৰণত থকা কয়লাৰ ৫০০০ মেট্ৰিকটন কয়লা মজুতকৰণৰ অনুমতি প্ৰদান কৰা হ'ল। আজি অসম জাতীয় পৰিষদে দেৱলাল গাৰ্লোছাৰ আন এখন পত্ৰ ৰাজহুৱা কৰে। যিখন পত্ৰ যোগে দেৱলাল গাৰ্লোছাই ছজন কয়লা মাফিয়াক কয়লাৰ ব্লক খননৰ অনুমতি দিবলৈ অসম খনিজ উন্নয়ন নিগম লিমিটেডক নিৰ্দেশ দিছিল। দ্বিতীয়খন পত্ৰত দেৱলাল গাৰ্লোছাই ডিমা হাছাওৰ উমৰংছ'ত লোবেন বথাৰী, দিতেন লাংথাছা, মাইবাঙত ধৃতি থাওচেন, হাফলঙত মিঠুনজয় লাংথাছা, হাৰাংগাজাওত মৌচম কেম্প্ৰাই এন জে লাল খেলমাক খননৰ অনুমতি দিবলৈ পত্ৰ যোগে আৰ্জি দিছিল অসম খনিজ উন্নয়ন নিগম লিমিটেডক। সেই অনুসৰি এইসকল কয়লা মাফিয়াক খনন কৰিবলৈ অনুমতি প্ৰদান কৰিছিল অসম খনিজ উন্নয়ন নিগম লিমিটেডে। ইয়াৰ অন্তৰালত আছিল কমিছনৰ অংক। শেহতীয়াকৈ ডিমা হাছাওতে অবৈধ কয়লাখননত ৯ শ্ৰমিকে প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। সেই ঘটনাৰ পিছতেই অবৈধ কয়লাখনিক লৈ গুৰুতৰ অভিযোগ উত্থাপন হৈছিল দেৱলাল গালোৰ্ছা আৰু পত্নীৰ বিৰুদ্ধে। দেৱলাল গালোৰ্ছোৰ বিৰুদ্ধে তদন্তৰো দাবী উত্থাপন হৈছিল। সেইগৰাকী দেৱলাল গাৰ্লোছাৰ দুখন পত্ৰ ৰাজহুৱা কৰিলে অজাপ নেতা জগদীশ ভূঞাই। গৌৰৰ গগৈৰ পাকিস্তান ভ্ৰমণ, পঞ্চায়ত নিৰ্বাচনক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো কঠোৰ সমালোচনা কৰে অজাপ নেতা জগদীশ ভূঞাই। কংগ্ৰেছ চৰকাৰৰ ১৫ বছৰীয়া কাৰ্যকালত হিমন্ত বিশ্ব শৰ্মা শক্তিশালী মন্ত্ৰী আছিল। অঘোষিত মুখ্যমন্ত্ৰী আছিল। অসমখন হিমন্ত বিশ্ব শৰ্মাই চলাইছিল। তাৰ বাবে কংগ্ৰেছৰ ১৫ বছৰীয়া শাসনকালত যি বেয়া কাম কৰিছিল তাৰ দায়িত্ব মুখ্যমন্ত্ৰীয়ে মূৰ পাতি ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে প্ৰথমবাৰ মুখ্যমন্ত্ৰী হৈছো, এইবাৰ যি কৰিছো নৃত্য-নাটিকা আছিল, ইয়াৰ পিছতে মুখ্যমন্ত্ৰী হ'লে ভুল ড্ৰামা দেখা পাব বুলি কৰা মন্তব্যক উভতি ধৰি জগদীশ ভূঞাই কয় যে কংগ্ৰেছৰ দিনৰে পৰা এতিয়ালৈ অসমত ২৫ বছৰ ধৰি শাসনত আছে হিমন্ত বিশ্ব শৰ্মা। ৫ বছৰত অসমক লুটি পেলালে। ট্ৰেইলৰে অসমক লুটি পেলালে। আৰু ফুল ড্ৰামা হ'লে অসমৰ অৱস্থা কি হ'ব অসমৰ মানুহে ভাবক। এইজন মুখ্যমন্ত্ৰীক লৈ আমি ক'ম বুলি উল্লেখ কৰি কয় যে ৰাইজে পঞ্চায়ত নিৰ্বাচনত ৰাইজৰ মৌলিক সমস্যাৰ বিষয়ে আলোচনা নহ'ল। সাংবাদিক বা ৰাইজে মুখ্যমন্ত্ৰীক মৌলিক সমস্যাক লৈ প্ৰশ্ন কৰিব বুলি ভাবি আজি মুখ্যমন্ত্ৰীৰ চাৰিটা চেনেল আছে, সেই চেনেলৰ দ্বাৰা নিজাকৈ প্ৰশ্ন তৈয়াৰ কৰি লয়। বহুৱা এজন ৰাজপ্ৰসাদলৈ গ'লে তেওঁ ৰজা হৈ নাযায়। কিন্তু ৰাজপ্ৰসাদখনক চাৰ্কাছ বনাই পেলায়। অসমত এতিয়া তেনেকুৱাই হৈ আছে। জনসাধাৰণে সত্যবোৰ বুজি পোৱা ভাল। চৰকাৰৰ কুকৰ্মৰ দস্তাবেজ ইমানেই দীঘলীয়া যে ইয়াৰ উত্তৰ দিবলৈ হিমন্ত বিশ্ব শৰ্মাৰ বহু বছৰ লাগি যাব। তেওঁৰ জীৱনৰ কলংকিত দস্তাবেজ বহু দীঘলীয়া।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সপোনত যি দেখে তাকেই কৰে হিমন্তই!

হিমন্ত বিশ্ব শৰ্মাই। ভাৰতীয় জনতা পাৰ্টিৰ মৰিগাঁও জিলাৰ উদ্যোগত আয়োজন কৰা বিজয় সংকল্প সমাৰেশত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই মৰিগাঁও জিলাৰ উন্নয়নৰ খতিয়ান দাঙি ধৰাৰ লগতে কংগ্ৰেছ দলৰ সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰে হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়, ঘৰ এখন চলাবলৈ হোৱা খৰচৰ কথা উল্লেখ কৰি চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ কথা উল্লেখ কৰে। এনেবোৰ আঁচনিৰ দ্বাৰা জনসাধাৰণে সকাহ পোৱা বুলি মন্তব্য কৰে। অহা ১ নৱেম্বৰৰ পৰা বিদ্যুতৰ বিল এটকাকৈ হ্ৰাস কৰা হ'ব বুলি কোৱাৰ লগতে ঘৰুৱা ৰন্ধন গেছৰ মূল্য হ্ৰাস কৰা হ'ব বুলি কয়। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ কথা দোহাৰি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে লোৱা আঁচনিসমূহে উপকাৰ সাধন কৰিছে বুলি কয়। নিযুত মইনা আঁচনি, স্কুটি, চাইকেল বিতৰণ কৰাৰ লগতে এই বছৰৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মাহে তিনিশ টকাকৈ একাউণ্টত দিয়া হ'ব বুলি মন্তব্য কৰে। সমান্তৰালভাৱে স্নাতক উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাসমূহ বাবে মাহে ২৫০০ শ টকাকৈ দি নিযুক্তিৰ পৰীক্ষাসমূহ সুকলমে দিব পাৰিব বুলি কয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পুনৰ কয়, মই এই পাঁচ বছৰৰ বাবে প্ৰথম মুখ্যমন্ত্ৰী হৈছোঁ, গতিকে নিয়মবোৰ ভালকৈ নাজানোঁ। সেয়ে এয়া নৃত্য-নাটিকাহে, অহা পাঁচ বছৰত আচল নাটক ৰাইজে দেখিবলৈ পাব। এসময়ত তৰুণ গগৈয়ে নোৱাৰা কামবোৰ কেনেকৈ কৰিম বুলি ভাব হৈছিল ? কিন্তু চাওঁতে চাওঁতে দেখিলোঁ ইমান টান কামো নহয়। সেয়ে যি কৈ দিয়ো তাকেই কৰোঁ। সেয়ে কংগ্ৰেছে কয়, মুখ্যমন্ত্ৰীয়ে সপোনত যি দেখে তাকেই কৰে। আচলতে মই শুভ কামবিলাকেই কৰোঁ। কাৰণ মই সপোনত লুঙি, ধুতি কম্বল দেখা নাপাওঁ। মই চেষ্টা কৰিছোঁ, মৰিগাঁৱৰ লাহৰীঘাটৰ পৰা দৰঙলৈ, দৰঙৰ পৰা ভুটানলৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ চিন্তা কৰি থকা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সাংসদ গৌৰৱ গগৈক সমালোচনা কৰাৰ লগতে ভাৰতৰ নিমখ খাই পাকিস্তানৰ গুণ-গান গোৱাসকলৰ ঠেং ভাঙি দিম। বিধায়ক আমিনুল ইছলামৰ দৰে বহু লোক আছে। যিয়ে পাকিস্তানৰ পক্ষত জয় গান গায়। সাংসদ গৌৰৱ গগৈয়ে পাকিস্তানলৈ গৈছে। পাকিস্তানত গৈ কি কৰি আছিল ৰাইজক জনাব লাগিব। তাতে কাজিৰঙা, মানস, পবিতৰা দৰে অভয়াৰণ্য নাই। যিমান ডাঙৰ মানুহৰ ল'ৰা নহওক, এইবোৰ প্ৰশ্নৰ উত্তৰ কেনেকৈ উলিয়াব লাগে আমি জানো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ৰাজপথত

প্ৰতিক্ৰিয়া অব্যাহত আছে। চাকৰিৰ বিনিময়ত সতীত্ব হৰণ কৰা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কৰা মন্তব্যৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে আজি গুৱাহাটীৰ মাজমজিয়াত নাগৰিক সমাজে প্ৰতিবাদ সাব্যস্ত কৰিছে। একাংশ মহিলা সংগঠনৰ নেতা-কৰ্মীয়ে গুৱাহাটী ৰ'টাৰী ক্লাব চৌহদত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি আকাশ-বতাহ কঁপাই তোলা মহিলাকসকলক আৰক্ষীয়ে বাধা প্ৰদান কৰে। কিন্তু আৰক্ষীৰ বাধাৰ পিছতো মহিলাসকলে উদাত্ত কণ্ঠে শ্ল'গান দি যায়। মহিলাৰ আত্মসন্মানত আঘাত নকৰিব, মহিলাৰ বিৰুদ্ধে কৰা অপমানজনক মন্তব্যৰ বাবে ক্ষমা খোজক, অপমানজনক মন্তব্য প্ৰত্যাহাৰ কৰক আদি শ্ল'গানেৰে মহিলা সংগঠনৰ নেতা-কৰ্মীয়ে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছে। একাংশ মহিলাই কয় যে যেতিয়ালৈকে মুখ্যমন্ত্ৰীয়ে এনে ঘৃণনীয় মন্তব্যৰ বাবে ক্ষমা নোখোজে তেতিয়ালৈকে প্ৰতিবাদ কৰি যোৱাৰ হুংকাৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চাকৰিৰ বিনিময়ত সতীত্ব হৰণ মন্তব্যই অসমত মহিলাৰ মৰ্যাদাৰ প্ৰতি অপমান বুলি উল্লেখ কৰি শীঘ্ৰে বিষয়টোক লৈ হস্তক্ষেপ কৰাৰ দাবী জনাইছে। প্ৰতিবাদী মহিলাই কয় যে ৰাজহুৱা সভাত মহিলা সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্য গভীৰ আপত্তিজনক আৰু অৱমাননামূলক। এই মন্তব্য কেৱল অসমত মহিলাৰ মৰ্যাদাৰ প্ৰতি অপমান নহয়, লগতে সকলো নাৰীৰ প্ৰতিও অপমান। এই মন্তব্য কেৱল মহিলাৰ সততা আৰু মৰ্যাদাৰ প্ৰতি এক গুৰুতৰ অপমান নহয়, দেশৰ সমগ্ৰ মহিলাৰ প্ৰতি অৱমাননা কৰাৰ এক বিদ্বেষপূৰ্ণ প্ৰয়াস। সাংবিধানিক পদত অধিষ্ঠিত ব্যক্তিৰ বাবে বিশেষকৈ মুখ্যমন্ত্ৰীয়ে এনে ভাষা ব্যৱহাৰ কৰাটো নিন্দনীয় আৰু গ্ৰহণযোগ্য নহয়। প্ৰতিবাদী কাৰ্যসূচীত অংশ লোৱা মহিলাসকলে সভ্য সমাজে মুখ্যমন্ত্ৰীৰ এনে অশালীন মন্তব্য গ্ৰহণ কৰিব নোৱাৰে বুলি উল্লেখ কৰে। যদি মুখ্যমন্ত্ৰীয়ে এনে মন্তব্য প্ৰত্যাহাৰ কৰি ক্ষমা নোখোজে তেন্তে সমগ্ৰ অসমত নাৰী সমাজে প্ৰতিবাদ সাব্যস্ত কৰিব। উল্লেখ্য যে কংগ্ৰেছৰ দিনত সংঘটিত অসম লোকসেৱা আয়োগৰ নিযুক্তি পৰীক্ষাত সংঘটিত কেলেংকাৰীৰ তদন্ত কৰিবলৈ বিজেপি চৰকাৰে গঠন কৰিছিল বিপ্লৱ সমিতি আয়োগ। আয়োগৰ প্ৰতিবেদনত লোকসেৱা আয়োগৰ অধ্যক্ষ ৰাকেশ পালক লৈ উল্লেখ আছিল এক অভিযোগ। পালে চাকৰিৰ বিনিয়মত যুৱতীৰ সৈতে শাৰীৰিক সম্পৰ্ক কৰা বুলি এজন ভিত্তিহীন অভিযুক্তই প্ৰকাশ কৰা বুলি প্ৰতিবেদনত উল্লেখ আছিল। পঞ্চায়ত নিৰ্বাচনত বৰছলাৰ সভাত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ ৰোৱাৰী-ছোৱালীয়ে চাকৰিৰ বাবে সতীত্ব হৰণ কৰিবলগীয়া বুলি কৈ কংগ্ৰেছক আক্ৰমণ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যিক মহিলা আয়োগত গোচৰ

কৰা অশালীন মন্তব্যক লৈ ৰাজ্যত প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে অসম প্ৰদেশ মহিলা কংগ্ৰেছে অসম ৰাজ্যিক মহিলা আয়োগক এখন পত্ৰ প্ৰদান কৰিছে। আজি মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰ গোস্বামীৰ নেতৃত্বত এটা প্ৰতিনিধি দলে মহিলা আয়োগত এখন অভিযোগ-পত্ৰ দাখিল কৰে আৰু পত্ৰৰ ভিত্তিত গোচৰ কৰি মুখ্যমন্ত্ৰীৰ মন্তব্যৰ বিৰুদ্ধে চিবিআই তদন্ত আৰম্ভ কৰিবলৈ দাবী জনাইছে। আজি মীৰ বৰঠাকুৰ গোস্বামীৰ সৈতে প্ৰায় ৭ জনীয়া মহিলা কংগ্ৰেছৰ দলটোৱে মহিলা আয়োগ কৰ্তৃপক্ষক পত্ৰখন প্ৰদান কৰাৰ লগতে মৌখিকভাৱে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। মহিলা কংগ্ৰেছৰ সভাপতি মীৰ বৰঠাকুৰ গোস্বামীয়ে সাংবাদিকৰ সৈতে মুখামুখি হৈ আমি ৰাষ্ট্ৰীয় মহিলা আয়োগলৈ পত্ৰ প্ৰেৰণ কৰিছো। এই অভিযোগক লৈ ৰাষ্ট্ৰীয় আয়োগকো পত্ৰ দিছো। মুখ্যমন্ত্ৰীৰ এনে মন্তব্য গ্ৰহণযোগ্য হ'ব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে কেৱল চাকৰিয়াল মহিলাসকলকে নহয়, প্ৰতিগৰাকী মহিলাকে অপমান কৰিছে। কেৱল অসমতে নহয় উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যত মহিলা কংগ্ৰেছে আয়োগক গোচৰ দিছে। কাইলৈ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক আয়োগে বিষয় অৱগত কৰাৰ অন্তত গুৰুত্বসহকাৰে ল'ব বুলি আমি বিশ্বাসী। গোস্বামীয়ে আৰু কয় যে ড০ শৰ্মাই যি মন্তব্য কৰিছে সেই সম্পৰ্কত চিবিআই তদন্ত বিচাৰিছে মহিলা কংগ্ৰেছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যেতিয়ালৈকে মহিলাসকলক ক্ষমা নোখোজে তেতিয়ালৈকে প্ৰতিবাদ কৰি যাব। উল্লেখ্য, কংগ্ৰেছৰ দিনত সংঘটিত অসম লোকসেৱা আয়োগৰ নিযুক্তি পৰীক্ষাত সংঘটিত কেলেংকাৰীৰ তদন্ত কৰিবলৈ বিজেপিয়ে গঠন কৰিছিল বিপ্লৱ সমিতি আয়োগ। আয়োগৰ প্ৰতিবেদনত লোকসেৱা আয়োগৰ প্ৰাঃ অধ্যক্ষ ৰাকেশ পালক লৈ উল্লেখ আছিল অভিযোগ। ৰাকেশ পালে চাকৰিৰ বিনিয়মত যুৱতীৰ সৈতে শাৰীৰিক সম্পৰ্ক কৰা বুলি এজন ভিত্তিহীন অভিযুক্তই প্ৰকাশ কৰা বুলি প্ৰতিবেদনত উল্লেখ আছিল। পঞ্চায়ত নিৰ্বাচনত বৰছলাত এখন সভাত মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবেদনৰ দোহাই দি কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ ৰোৱাৰী-ছোৱালীয়ে চাকৰিৰ বাবে সতীত্ব হৰণ কৰিবলগীয়া বুলি কৈ কংগ্ৰেছক আক্ৰমণ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘দুৰ্নীতিৰ চৰ্দাৰৰ হাতত ক্ষমতা গতাই

নিৰ্বাচনৰ অন্তিম দিনা প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাৰ অৰ্থে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ টাপাট্ৰাৰীৰ জনসভাত উপস্থিত হয়। জনসভাত ভাষণ প্ৰদানৰ পিছত সাংবাদিকে কালি জিলাখনত অনুষ্ঠিত সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কংগ্ৰেছৰ শাসন কালত হোৱা দুৰ্নীতিৰ বাবে অনুশোচনাত ভুগিছে। ইয়াৰ বাবে ৰাইজৰ ওচৰত জবাবদিহি হ'ব লাগিব বুলি ৰখা বক্তব্যৰ প্ৰতিক্ৰিয়া জানিবলৈ বিচৰাত সভাপতি বৰাই কয় যে সৰ্বানন্দই পাহৰিছে কংগ্ৰেছ দল ক্ষমতাত থাকোঁতে সেইবিলাক মানুহৰ বিৰুদ্ধে এখন কিতাপ উলিয়াইছিল। প্ৰথম কিতাপ লিখা মানুহজনেই আছিল সৰ্বানন্দ সোণোৱাল। লিখিছিল হিমন্ত বিশ্ব শৰ্মা লুইচ বাৰ্জাৰ, সাৰদা কেলেংকাৰীত জড়িত। দিল্লী, দিছপুৰত চৰকাৰ হ'লে তদন্ত কৰি শাস্তি দিব বুলি কৈছিলে। কংগ্ৰেছত থাকোঁতে যিজন মানুহক বেয়া বুলি কৈছিল মুখ্যমন্ত্ৰী হোৱাৰ পিছত সেইজন মানুহকে আঁকোৱালি লৈ চকীখনকে এৰি দি গ'ল। গতিকে অনুশোচনা কংগ্ৰেছে কৰিব লাগে নে সৰ্বানন্দ সোণোৱালে কৰিব লাগে। সভাপতি বৰাই আকৌ কয় যে অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত যদি কোনো অনুতপ্ত আৰু অনুশোচনাত ভোগা লোক আছে তেন্তে সেইজন সোণোৱালেই।তদুপৰি তেওঁ আকৌ কয় যে সোণোৱালে ৰাইজক মিছা কথা কৈছিল- কৈছিল দুৰ্নীতিমুক্ত অসমৰ কথা। দুৰ্নীতিৰ আটাইতকৈ ডাঙৰ চৰ্দাৰজনক চিনাক্ত কৰিছিল তেওঁ। কিন্তু দুৰ্নীতিৰ আটাইতকৈ ডাঙৰ চৰ্দাৰজনৰ হাততে শাসনভাৰ গতাই দি সাগৰৰ পাৰ পালে। গতিকে অনুতপ্ত কোন, অনুশোচনা কাৰ। আনপিনে মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ সন্তান ভাৰতীয় নহয় বুলি কোৱা প্ৰসংগত কয় যে হিমন্ত বিশ্ব শৰ্মাক এটা কথাই ক'ম কেঁচু খান্দিবলৈ গ'লে সাপ ওলাব। আমিও কথাবিলাক চাই আছো। মুখ্যমন্ত্ৰীক কৈ থ'লো যাতে কেঁচু খান্দিবলৈ নাযায়। আপুনি সন্যাসীৰ ভাও ধৰি আছে। আপোনাৰো অতীত আমি সকলোৱে জানো। ইপিনে জিলা সভাপতি আবুল কাছেমে আঁত ধৰা নিৰ্বাচনী সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই ভাষণ প্ৰসংগত কয় যে ৰাইজে সংকল্প লৈছে ২০২৬ চনত বিজেপিক ক্ষমতাৰ পৰা অপসাৰণ কৰি কংগ্ৰেছক ক্ষমতাত অধিষ্ঠিত কৰিব। সেয়ে ৰাইজক কংগ্ৰেছৰ সপক্ষে থিয় দি কংগ্ৰছৰ আপোচহীন নিৰৱচ্ছিন্ন সংগ্ৰাম ২০২৬ চনত অধিক শক্তিশালী কৰি অপশাসন, দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে কংগ্ৰেছৰ যি শক্তিশালী সংকল্প তাক যাতে আগুৱাই নি ক্ষমতাত অধিষ্ঠিত কৰিব পাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘মোদীয়েও বিৰিয়ানী খাবলৈ

কংগ্ৰেছ আৰু এআইইউডিএফৰ দখলত থকা বিধানসভা সমষ্টিসমূহত ব্যস্ত অখিল গগৈ। কেৱল যে কংগ্ৰেছ আৰু এআইইউডিএফৰ দখলত থকা বিধানসভা সমষ্টিসমূহত প্ৰচাৰ চলাই আছে তেনে নহয়, কংগ্ৰেছ দলৰ নেতাসকলকো আক্ৰমণ কৰি গৈছে। নামনি অসমত ব্যস্ত থকা অখিল গগৈয়ে আজি বৰপেটা জিলাৰ মন্দিয়া, সাতভিটা, পাকাবেতবাৰীকে ধৰি প্ৰায় দহখন সভা অনুষ্ঠিত কৰে। হাজাৰ হাজাৰ সহস্ৰাধিক সংখ্যালঘু লোকৰ উপস্থিতিত অখিল গগৈয়ে বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি অহা জানুৱাৰী মাহত দেৱব্ৰত শইকীয়াই বিজেপিত যোগদান কৰিব বুলি দাবী কৰে। অখিল গগৈয়ে কয় যে দেৱব্ৰত শইকীয়াই বিজেপিৰ এ-টীম হৈ কাম কৰিছে। দেৱব্ৰত শইকীয়াই বিধায়কসকলক বিধানসভাত চৰকাৰবিৰোধী কোনো কথা ক'ব নিদিয়ে। কংগ্ৰেছৰ ২৬ জন বিধায়কৰ ৭ জন বিধায়ক বিজেপিলৈ গ'ল, তেওঁ একো কৰিব নোৱাৰিলে। কংগ্ৰেছ শিৱসাগৰত নিজিকে। কিন্তু ভোট বিভাজন কৰি বিজেপিক জিকোৱাৰ বাবে ৫ খন আসনত কংগ্ৰেছে প্ৰাৰ্থী দিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক সমালোচনা কৰি অখিল গগৈয়ে কয় যে আজিৰ দিনত কংগ্ৰেছৰ বাবে বিজেপি মূল শত্ৰু নহয়। কংগ্ৰেছৰ বাবে ৰাইজৰ দল ডাঙৰ শত্ৰু। নামনি অসমৰ সংখ্যালঘু ৰাইজ কংগ্ৰেছক এৰি ৰাইজৰ দলৰ লগ লাগিছে। সংখ্যালঘু ৰাইজে গম পাইছে কংগ্ৰেছে তেওঁলোকক বিজেপিৰ পৰা বচাব নোৱাৰে। অকল ৰাইজৰ দলেহে সংখ্যালঘুক বচাব পাৰিব। নামনি অসমত এটা ঢৌৰ সৃষ্টি হৈছে আৰু '২৬ ত ৰাইজৰ দলৰ চৰকাৰ হ'ব। লগতে অখিল গগৈয়ে উজনি অসমত কংগ্ৰেছ দল চাফা হৈ গৈছে বুলি দাবী কৰি কয় যে কংগ্ৰেছ দলৰ নেতাসকলে এতিয়াও নিজকে জমিদাৰ বুলি ভাবে। ৰাইজক তেওঁলোকে ৰায়ত বুলি ভাবে। কিন্তু এতিয়া ৰাইজে জমিদাৰৰ কথা নুশুনে। মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ বিৰুদ্ধে অনা পাকিস্তান ভ্ৰমণৰ অভিযোগ সন্দৰ্ভত কয় যে যিকোনো এজন সাধাৰণ মানুহ পাকিস্তানলৈ যাব পাৰে। নৰেন্দ্ৰ মোদীয়ে পাকিস্তানলৈ গৈ বিৰিয়ানী খায়। হিমন্ত বিশ্ব শৰ্মা পাকিস্তানলৈ যাব পাৰে। অন্য সাধাৰণ মানুহ এজন পাকিস্তানলৈ কিয় যাব নোৱাৰে। কিন্তু কোনেও গোপনে যাব নোৱাৰে। যদি ভিছা আৰু পাছপ'ৰ্ট লুকুৱায়, ভাৰত চৰকাৰক নজনোৱাকৈ গৌৰৱ গগৈ পাকিস্তানলৈ গৈছে তেন্তে গৌৰৱ গগৈক গ্ৰেপ্তাৰ কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈক গ্ৰেপ্তাৰ কৰি আদালতত কাগজ দেখুৱাই দিয়ক। বাংলাদেশীসকল যেনেদৰে মনে মনে আমাৰ ইয়াত সোমায়, তেনেদৰে যদি গৌৰৱ গগৈ মনে মনে পাকিস্তানলৈ যোৱাটো প্ৰমাণ কৰিব পাৰে তেনেহ'লে আমিও জানিম গৌৰৱ গগৈ পৃথিৱীৰ আটাইতকৈ দুই নম্বৰী মানুহ। এতিয়া পাকিস্তান, গৌৰৱ গগৈক লৈ অসমত চলিছে এক কুটিল ৰাজনীতি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৫ মে’ত পুনৰ ৱাকফৰ শুনানি

লৈ উচ্চতম ন্যায়ালয়ত দাখিল কৰা একাধিক আবেদনৰ আজি শুনানি গ্ৰহণ কৰে সৰ্বোচ্চ আদালতে। হাই ভল্টেজ এই শুনানিৰ ওপৰত সমগ্ৰ দেশে চকু ৰাখিছিল আজি। অৱশ্যে কোনো সিদ্ধান্ত নোহোৱাকৈয়ে অন্ত পৰে আজিৰ শুনানিৰ। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বত গঠিত বিচাৰপীঠে কেন্দ্ৰৰ আবেদন মানি লৈ সংশোধিত আইনখনৰ কোনো ধাৰাত অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ জাৰি কৰিবলৈ অস্বীকাৰ কৰে। আদালতে কয় যে বিশদ শুনানি আৰু পৰীক্ষাৰ অন্ততহে ৱাকফ আইন সন্দৰ্ভত চূড়ান্ত নিৰ্দেশনা জাৰি কৰা হ'ব। ফলত এই গোচৰৰ পৰৱৰ্তী শুনানি ১৫ মে'ত ধাৰ্য কৰা হৈছে। লক্ষ্যণীয় যে, এই গোচৰৰ পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ বি আৰ গাভাইৰ নেতৃত্বত গঠিত বিচাৰপীঠে। আজি সংক্ষিপ্ত শুনানিত মুখ্য ন্যায়াধীশ খান্নাই স্পষ্ট কৰি দিয়ে যে, "মই কোনো ৰায় বা অন্তৰ্বৰ্তীকালীন আদেশ দিব বিচৰা নাই। উপযুক্ত সময়ত গোচৰটোৰ বিতং শুনানি হ'ব। মই ১৩ মে'ত অৱসৰ ল'ম, গতিকে মই ন্যায়াধীশ গাভাইৰ বিচাৰপীঠলৈ প্ৰেৰণ কৰিছো।" প্ৰণিধানযোগ্য যে, ৮ এপ্ৰিলত সংসদৰ দুয়োখন সদনে গৃহীত হোৱা ৱাকফ সংশোধনী বিধেয়কখন ৰাষ্ট্ৰপতিৰ স্বাক্ষৰত আইনত পৰিণত হৈছিল। কিন্তু এই আইনখনৰ সাংবিধানিক বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰি উচ্চতম ন্যায়ালয়ত একাধিক গোচৰ ৰুজু হৈছিল। ২৫ এপ্ৰিলত কেন্দ্ৰীয় চৰকাৰে এই গোচৰৰ শপতনামা দাখিল কৰি বিবৃতি দাখিল কৰে। দেওবাৰে তামিলনাড়ুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনৰ দল ডি এম কেয়েও এই আইনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু কৰে। ডি এম কেৰ আবেদনত দাবী কৰা হৈছে যে যুটীয়া সংসদীয় সমিতিৰ আলোচনাৰ সময়ত ৯৫ শতাংশ সদস্যই বিধেয়কখনৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁলোকে এই আইনখনৰ নিৰপেক্ষতাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি বাকী ৫ শতাংশ সমৰ্থকৰ “সাম্প্ৰদায়িক স্বাৰ্থ আৰু এজেণ্ডা” আছে বুলি অভিযোগ উত্থাপন কৰিছে। এই গোচৰত উচ্চতম ন্যায়ালয়ৰ চূড়ান্ত সিদ্ধান্তৰ ওপৰত সমগ্ৰ দেশে চকু ৰাখিছে। ৱাকফ আইন সংশোধনীক লৈ চলি থকা উত্তপ্ত ৰাজনৈতিক বিতৰ্কৰ মাজতে ১৫ মে'ত অনুষ্ঠিত হ'বলগীয়া শুনানি এই বিষয়ত এক উল্লেখযোগ্য টাৰ্ণিং পইণ্ট হ'ব পাৰে। বিশেষজ্ঞসকলৰ মতে এই ৰায়দানে ৱাকফৰ সম্পত্তি ব্যৱস্থাপনা আৰু আনুষংগিক আইনসমূহৰ ভৱিষ্যত নিৰ্ধাৰণত মুখ্য ভূমিকা পালন কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তৰ হোমৱৰ্কতে ব্যস্ত থাকিল অখিল,

আগদিনা অৰ্থাৎ ৬ মে’ৰ দিনটোত অধিক সুতৰ হাৰত ৯০০ কোটি টকা ঋণ ল’ব। এই ঋণ ৰাজকোষত সোমোৱাৰ লগে লগে অসম চৰকাৰৰ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উৎসৰ পৰা লোৱা ধাৰ ১ লাখ ৭৩ হাজাৰ কোটি টকালৈ বৃদ্ধি পাব। এইবিলাক বিষয় যাতে পঞ্চায়ত নিৰ্বাচনত চৰ্চা নহয় তাৰবাবে গৌৰৱ গগৈ পাকিস্তানলৈ কিয় গৈছিল আৰু গৌৰৱ গগৈৰ ২ সন্তানে ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰিছে নে নাই তাকে লৈ মানুহৰ মাজত প্ৰচাৰ চলালে অসমৰ শিয়াল টেঙৰ খ্যাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ বিপৰীতে কংগ্ৰেছ আৰু আন আন বিৰোধী দলেও হিমন্ত বিশ্বই উত্থাপন কৰা অভিযোগসমূহৰ উত্তৰ দিয়েই পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰত সময় পাৰ কৰিলে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি দলৰ গৱেষণা বিভাগে এই তথ্য প্ৰকাশ কৰিছিল যে দামবৃদ্ধি, খোৱাপানীৰ সমস্যা, কৃষকৰ সমস্যা, নিবনুৱা সমস্যাৰ লগতে ঠিকাদাৰে বিল নোপোৱা বিষয়সমূহৰ বাবে অসমৰ ৰাইজ শাসনাধিষ্ঠিত দলটোৰ প্ৰতি অসন্তুষ্ট হৈ আছে আৰু সেয়েহে প্ৰতিষ্ঠান বিৰোধী ঢৌ পঞ্চায়ত নিৰ্বাচনৰ বেলট বাকচত সোমাব। বিজেপিৰ গৱেষণা বিভাগৰ এই জৰীপ প্ৰতিবেদন লাভ কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈ আৰু মুখ্যমন্ত্ৰী তৰুণ গগৈৰ আমোলত নিযুক্তি লাভ কৰা যুৱতীসকলে সতীত্ব বিসৰ্জন দি চাকৰি লোৱা বিষয়টো সামাজিকভাৱে উত্থাপন কৰে। ইয়াৰ লগে লগে বিৰোধী দলসমূহ জাঙুৰ খাই উঠে। ৰাইজৰ মূল সমস্যাসমূহৰ কথা পাহৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অভিযোগৰ উত্তৰ দিয়াত ব্যস্ত হৈ পৰে কংগ্ৰেছকে ধৰি আন আন বিৰোধী দলসমূহ। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়া, প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, ৰাইজৰ দলৰ নেতা অখিল গগৈ, অজাপৰ নেতা লুৰীণজ্যোতি গগৈকে ধৰি সকলোৱে হিমন্ত বিশ্ব শৰ্মাই দিয়া হোমৱৰ্ক কৰাত ব্যস্ত হৈ পৰিল। ইয়াৰ মাজতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ মাজত চলিল মুখ-চুপতি। পঞ্চায়ত নিৰ্বাচনত অখিল গগৈৰ ৰাইজৰ দলৰ লগত কংগ্ৰেছে মিত্ৰতা নকৰাৰ অভিযোগ উত্থাপন কৰি পঞ্চায়তত পানী ঘোলা কৰিবলৈ অখিল গগৈয়ে শাসকীয় দলৰ অক্সিজেন ল’বলৈ বাধ্য হ’ল। এনে পৰিস্থিতিত বিভ্ৰান্ত হৈ পৰিছে সাধাৰণ ভোটাৰ। কংগ্ৰেছ শিবিৰৰ অভিযোগ, অখিল গগৈয়ে বিজেপিৰ ভিটামিন খাই উজনি-নামনি সকলোতে নিজৰ দলৰ প্ৰাৰ্থী আগবঢ়াই কংগ্ৰেছ দলক পঞ্চায়ত নিৰ্বাচনত ধৰাশায়ী কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজেই ঘোষণা কৰিছে যে অখিল গগৈক তেওঁ ভিটামিন দি সুস্থ-সবল কৰি ৰাখিছে। ইয়াৰ উত্তৰ ৰাইজৰ দলৰ সভাপতিজনে দিব পৰা নাই। তাৎপৰ্যপূৰ্ণভাৱে মুখ চুপতি মৰাত সিদ্ধহস্ত কংগ্ৰেছৰ সেনাপতি ভূপেন কুমাৰ বৰাইয়ো শিৱসাগৰত ৰাইজৰ দলৰ এজনো প্ৰাৰ্থী জয়ী নহয় বুলি নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত আন এক ব্ৰহ্মবাণ অখিল গগৈলে মাৰি পঠিয়ালে। যাৰ বাবে আঘাতপ্ৰাপ্ত অখিল গগৈয়ে কংগ্ৰেছক তুলাধুনা দি লক্ষ্য কৰি ল’লে বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াক। অখিল গগৈয়ে এইবুলিও ক’লে যে নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই সাংগো-পাংগো লৈ জানুৱাৰী মাহত বিজেপি দলত যোগ দিব। এনে এক ধূসৰ পৰিৱেশৰ মাজত ৭ মে’ত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব সাধাৰণ ৰাইজে। বিজেপি দল আৰু চৰকাৰে বিৰোধী পক্ষক আক্ৰমণ কৰি এনেধৰণে ব্যস্ত ৰাখিলে যে মূল বিষয় ৰাইজৰ ওচৰলৈ নিবলৈ বিৰোধীয়ে থাউনিয়ে নাপালে। ৭ মে’ত ভোটাৰে কাক ভোট দিয়ে সেয়া হ’ব অত্যন্ত লক্ষণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিল গগৈক বিজেপিৰ ‘বি টিম’ আখ্যা

অখিল গগৈক বিজেপিৰ বি-টীম বুলি কটাক্ষ কৰিছে কংগ্ৰেছে। আজি ৰাজীৱ ভৱনত কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে এইবাৰ পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে এটা ‘বি টীম’ নমাইছে। কংগ্ৰেছৰ প্ৰাৰ্থী নি দুটা দলে টিকট দিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰি শইকীয়াই কয় যে অখিল গগৈয়ে খং উঠিলে গালি পাৰে, অলপ পিছত আকৌ উঠাই লয়। সেয়ে তেওঁৰ বিষয়ে এতিয়াই একো নকওঁ। পঞ্চায়ত নিৰ্বাচনত ভোট বিভাজন হোৱা বুলি স্বীকাৰ কৰি বিৰোধী দলপতিগৰাকীয়ে কয় যে এইটো সঁচা যে এইবাৰ ভোট বিভাজন হৈছে। জিলা পৰ্যায়ত আসন বুজাবুজিৰ আলোচনা চলি থাকোঁতেই কঠোৰ স্থিতি ল’লে ৰাইজৰ দলে। তাৰ প্ৰভাৱ পৰিছে নিৰ্বাচনত। পঞ্চায়ত নিৰ্বাচনত বিজেপি দল আৰু চৰকাৰৰ হৈ কাম কৰাৰ অভিযোগ আনি দেৱব্ৰত শইকীয়াই কয় যে ৰাজ্যিক নিৰ্বাচন আয়োগ দাঁত নোহোৱা সিংহ। বিজেপিয়ে কেনেকৈ নিৰ্বাচনী বিধি উলংঘা কৰি আহিছে সেয়া লৈ নিৰ্বাচন আয়োগলৈ মই তিনিখন পত্ৰ প্ৰেৰণ কৰিছিলো। নিৰ্বাচন আয়োগে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। সেয়ে নিৰ্বাচন আয়োগক মই দাঁত নাইকিয়া সিংহ বুলি ক’বলগীয়া হৈছে। পঞ্চায়ত নিৰ্বাচনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মিথ্যাচাৰ আৰু নীতিহীন ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰি দেৱব্ৰত শইকীয়াই কয় যে যদিও মুখ্যমন্ত্ৰীয়ে কৈছিল পঞ্চায়ত নিৰ্বাচন এটা সৰু নিৰ্বাচন, মই প্ৰচাৰ নচলাওঁ। ২০২৬ ৰ বিধানসভা নিৰ্বাচনৰ কথাহে ভাবি আছো। কিন্তু মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ নচলাওঁ বুলি কৈ হেলিকপ্টাৰ লৈ দলৰ হৈ দুখনকৈ হেলিকপ্টাৰ উৰুৱাই পঞ্চায়ত নিৰ্বাচনত জঁপিয়াই পৰিল। মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে মন্ত্ৰীসভাৰ সকলো সদস্য নিৰ্বাচনী প্ৰচাৰত জঁপিয়াই পৰিবলৈ বাধ্য হ’ল। দেৱব্ৰত শইকীয়াই পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে প্ৰশাসন যন্ত্ৰৰ দ্বাৰা ভয়-ভাবুকি প্ৰদানৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে ৰাইজক মিছা কথা কৈ ভয়-ভাবুকি দেখুৱাব লাগে তাত বিজেপিয়ে অলপো কাৰ্পণ্য কৰা নাই। এই নিৰ্বাচনৰ যোৱা সময়ছোৱাত গোটেইখিনি আমি দেখিলো। এইবাৰ নিৰ্বাচনত আৰক্ষীয়ে বিজেপিৰ পক্ষ লৈছে। যোৱা পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত ৰিগিং হ’ল। আনকি প্ৰলোভন আৰু ভয়-ভাবুকিৰে ভোট বিচৰাৰ কাম কৰিলে বিজেপিয়ে। বিজেপিক ভোট নিদিলে আঁচনিৰ ধন নাপাব বুলি উজনি অসমত পবিত্ৰ মাৰ্ঘেৰিটাই ক’বলৈ আৰম্ভ কৰিলে। ডিগবৈত সুৰেন ফুকনে বিজেপিক ভোট নিদিলে অৰুণোদয় কটা যাব বুলি কৈছে উজনিত। পৰীক্ষাত নকল মৰাৰ দৰে নিৰ্বাচনতো মুখ্যমন্ত্ৰীয়ে নকল মাৰিলে। এই নিৰ্বাচনত বিজেপিয়ে আঁচনিৰ কথা কৈ হিতাধিকাৰীৰ পৰা ভোট বিচাৰিছে। কিন্তু আঁচনিৰ ধন চৰকাৰে নিজৰ ঘৰৰ পৰা দিয়া নাই। ৰাইজৰ টকা ব্যৱহাৰ কৰিয়েই এই আঁচনি দি আছে। কিন্তু এনে ধৰণেৰে চৰকাৰে পইচা উৰুৱাইছে যে অহা দহটা প্ৰজন্মই তাৰ ঋণ ওভতাব লাগিব। ঋণৰ বোজা কিমান হৈছে অসমৰ জনতাক আমি বিধানসভাৰ সময়ত জনাইছো। ঋণৰ বোজাৰ প্ৰভাৱত অসমীয়াৰ কৰ্মদক্ষতা নোহোৱা হৈ পৰিব। আঁচনিৰ নামত ঋণ লৈ লৈ প্ৰতি মাহত অত্যধিক ব্যয় কৰাৰ ফলত আমাৰ অসমীয়া মানুহৰ কৰ্মদক্ষতাৰ ওপৰতো যে এটা চাপ পৰিব, বিৰূপ প্ৰতিক্ৰিয়া হ’ব, সেয়া নিশ্চিত। সাংসদ গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণ তথা সংযোগৰ কথা মুখ্যমন্ত্ৰীয়ে কৈ অহাত দেৱব্ৰত শইকীয়াই প্ৰত্যুত্তৰ দি কয় যে প্ৰথমে লুঙী বিতৰ্ক আৰু তাৰ পিছত গৌৰৱ গগৈক পাকিস্তানী এজেণ্ট সজোৱাত মুখ্যমন্ত্ৰী উঠিপৰি লাগিছে। মুখ্যমন্ত্ৰীয়ে চাকৰিৰ বিনিময়ত অসমৰ মহিলা-বোৱাৰীয়ে সতীত্ব হেৰুৱাবলগীয়া হোৱা বুলি কৰা মন্তব্যক উভতি ধৰি এনে মন্তব্যই অসমীয়া মহিলাৰ শ্লীলতা হানি কৰা বুলি উল্লেখ কৰি মহিলা আয়োগত নিজাববীয়া গোচৰ তৰিব বুলি ঘোষণা কৰে দেৱব্ৰত শইকীয়াই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223



এহেজাৰগৰাকী আয়তীৰ দ্বাৰা খেৰি পৰিৱেশন, ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰ (ডুমডুমা) ত, সোমবাৰে, ফটোঃ ই-সংবাদ ব্যুৰ', তিনিচুকীয়া

## গণৰোষৰ বলি হৈ আধাতে সভা এৰি ছত্ৰভংগ দেউৰীৰ

# সভা এৰি পলায়ন বিধায়ক ৰমাকান্তৰ

**ই-সংবাদ, মৰিগাঁও, ৫ মে':** পঞ্চায়ত নিৰ্বাচনী প্ৰচাৰৰ আজি অন্তিমটো দিনত এখন নিৰ্বাচনী প্ৰচাৰ সভাত মৰিগাঁও বিধানসভা সমষ্টিৰ শাসকীয় বিজেপি দলৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে ভাষণ প্ৰদান কৰি থকাৰ সময়তে উপস্থিত ৰাইজে বিধায়কজনৰ বিৰুদ্ধে ক্ষোভ উজাৰি ৰমাকান্ত দেউৰী গ' বেক, ৰমাকান্ত দেউৰী মুৰ্দাবাদ, বিজেপি দল ধ্বংস কৰিব বিচৰা ৰমাকান্ত দেউৰী হাটাও আদি শ্লোগান দি শেষাংশ ৮ পৃষ্ঠাত

# লাহৰীঘাটত কংগ্ৰেছৰ বৃহৎ নিৰ্বাচনী প্ৰচাৰ ৰেলীৰে শক্তি প্ৰদৰ্শন

## সাংসদ প্ৰদ্যুৎ বৰদলৈৰ ৰেলীত অংশ গ্ৰহণ

**ই-সংবাদ, লাহৰীঘাট, ৫ মে':** ৰাজ্য বলিছে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। আজি আছিল দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিন। প্ৰচাৰৰ অন্তিম দিনটোতে লাহৰীঘাট সমষ্টিত কংগ্ৰেছৰ বৃহৎ নিৰ্বাচনী ৰেলীৰে শক্তি প্ৰদৰ্শন কৰে কংগ্ৰেছৰ প্ৰাৰ্থীসকলে। উল্লেখ্য যে লাহৰীঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটা জিলা পৰিষদৰ প্ৰাৰ্থী ক্ৰমে ভুৰাগাঁও জিলা পৰিষদৰ প্ৰাৰ্থী মোবাশ্বৰ আহমেদ, ৰজাগাধোৱা জিলা পৰিষদৰ প্ৰাৰ্থী ৰুবিনা ইয়াছমিন, লাহৰীঘাট জিলা পৰিষদৰ প্ৰাৰ্থী আবু জহিৰ আৰু শেষাংশ ৯ পৃষ্ঠাত

# সোণাপুৰ-দুৰুঙত মন্ত্ৰী পীযুষ হাজৰিকাৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, ৫ মে':** পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰৰ অন্তিম দিনটোত আজি মন্ত্ৰী পীযুষ হাজৰীকাই আজি গুৱাহাটী মহানগৰৰ সোণাপুৰ আৰু দুৰুঙত অনুষ্ঠিত বিজেপি দুখনকৈ 'বিজয় সংকল্প সমাৰেশ'ত অংশগ্ৰহণ কৰে। সোণাপুৰ ক্ৰীড়া শেষাংশ ১১ পৃষ্ঠাত

# 'নিৰ্বাচনসমূহ আমি গণতন্ত্ৰৰ উৎসৱ হিচাপে গণ্য কৰোঁ'

## দৰঙত দিলীপ শইকীয়াৰ প্ৰচাৰ সভা

**ই-সংবাদ, মঙলদৈ, ৫ মে':** অহা ৭ মে'ত প্ৰতিগৰাকী গঞা ভোটদান কৰিবলৈ দলে-বলে ওলাই আহক। এই আহ্বান ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ। আজি দৰং জিলা বিজেপিৰ কাৰ্যালয়ত এক সংবাদ মেল সম্বোধন কৰি সভাপতি তথা সাংসদ শইকীয়াই কয় যে লোকসভা, বিধানসভা নিৰ্বাচন যেনেকৈ গুৰুত্বপূৰ্ণ সেইদৰে আমাৰ বাবে শেষাংশ ১১ পৃষ্ঠাত

# মেজেঙাত পথ দুৰ্ঘটনা, পুত্ৰৰ বিবাহৰ দিনাই প্ৰাণ গ'ল পিতৃৰ

**ই-সংবাদ, গেলেকী, ৫ মে':** এক শোকাৱহ পথ দুৰ্ঘটনাই জোকাৰি গৈছে সমগ্ৰ গেলেকীৰ নামদঙীয়া অঞ্চল। পুত্ৰৰ বিবাহৰ বাবে নিমন্ত্ৰিত ভকতক থ'বলৈ গৈ ঘূৰি নাহিল পিতৃ যতীন শইকীয়া। শেষাংশ ৮ পৃষ্ঠাত

# ড্ৰাগছ মাফিয়াক অপহৰণ, ২ যুৱকক গ্ৰেপ্তাৰ

**ই-সংবাদ, সোণাৰি, ৫ মে':** চৰাইদেউ জিলাৰ সদৰ সোণাৰি নগৰৰ সমীপবৰ্তী তথা অসম-নাগালেণ্ড সীমান্তৱৰ্তী নামতোলা অঞ্চলৰ অন্যতম কুখ্যাত ড্ৰাগছ ব্যৱসায়ী মুছলেক আলীৰ অপহৰণ কাণ্ডৰ স'তে জড়িত দুই অভিযুক্ত শেষাংশ ৯ পৃষ্ঠাত

# মঙলদৈত বিজেপি প্ৰাৰ্থীৰ বাহনত নিশা আক্ৰমণ

**ই-সংবাদ, মঙলদৈ, ৫ মে':** আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিন। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত মঙলদৈত নিৰ্বাচনী হিংসা পৰিলক্ষিত হয়। যোৱানিশা জিলাখনৰ ঔতলা গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ কাউন্সিলাৰ পদৰ বিজেপি শেষাংশ ৯ পৃষ্ঠাত

# কংগ্ৰেছৰ দল ইঞ্জিন নথকা গাড়ী

## মন্ত্ৰী জয়ন্তৰ মন্তব্য

**ই-সংবাদ, ৫ মে':** কংগ্ৰেছৰ চৰকাৰ অহা ৫০ বছৰলৈ যে অসমত নহয় এই কথা নিশ্চিত। কংগ্ৰেছৰ দল ইঞ্জিন নথকা গাড়ী। ইঞ্জিন থকা গাড়ীয়েহে চলিব, ইঞ্জিন নথকা গাড়ী কেতিয়াও চলিব নোৱাৰে। এই মন্তব্য মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। কামৰূপ(ম)ৰ ১২ পৃষ্ঠাত

# জঘন্য! নৱজাতকক হত্যা কৰি পেলাই দিলে বাৰীত

## বিবাহৰ প্ৰতিশ্ৰুতিৰে যুৱতীৰে দৈহিক সম্পৰ্ক ৰাইজে ধৰা পেলালে মনোজ চৌধুৰীৰ কু-কৰ্ম

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৫ মে':** তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত খেৰবাৰী গাঁৰত সংঘটিত হৈছে মানৱ সমাজক লজ্জানত কৰা এক ঘটনা। গাঁওখনৰ আদিবাসী সম্প্ৰদায়ৰ দৰিদ্ৰ ব্যক্তি বছন তুৰিৰ ১৯ বছৰীয়া কন্যা জ্যোতি তুৰিৰ সৈতে দীৰ্ঘদিনৰ পৰা ভুৱা প্ৰেমৰ সম্পৰ্ক গঢ়ি তুলিছিল পেছাত গাড়ীচালক ডুমডুমাৰ গৈপানীৰ মনোজ চৌধুৰী নামৰ হিন্দীভাষী যুৱকজনে। বিবাহৰ প্ৰতিশ্ৰুতি দি মনোজ চৌধুৰীয়ে দৈহিক সম্পৰ্ক বজাই ৰাখিছিল যুৱতীগৰাকীৰ সৈতে। অৱশেষত অন্তঃসত্বা হয় জ্যোতি তুৰি। অৱশ্যে এই সন্দৰ্ভত গাঁওবাসী অৱগত নাছিল। আজি পুৱাই বছন তুৰিৰ বাৰীৰ পিছফালে এটি নৱজাতকক শেষাংশ ৮ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীৰে বৈঠক ৰাহুল, মুখ্য

গুৰুত্বপূৰ্ণ বৈঠক। প্ৰধানমন্ত্ৰী মোদীৰ সভাপতিত্বত চিবিআই সঞ্চালকক নিযুক্তিৰ বাবে গঠন কৰা কমিটীৰ এক গুৰুত্বপূৰ্ণ বৈঠকত উপস্থিত থাকে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী আৰু উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না। উল্লেখ্য যে, চিবিআইৰ সঞ্চালক নিযুক্তিৰ বাবে গঠন কৰা এই কমিটীখনত আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে মুখ্য ন্যায়াধীশ আৰু লোকসভাত বিৰোধী দলৰ নেতা। চিবিআই সঞ্চালকৰ নিযুক্তি সাধাৰণতে দুবছৰৰ বাবে হয়, যিটো সৰ্বাধিক পাঁচ বছৰলৈ বৃদ্ধি কৰিব পাৰি। বৰ্তমানৰ চিবিআই সঞ্চালক প্ৰবীণ সুদৰ কাৰ্যকাল ২৫ মে'ত অন্ত পৰিব। সূত্ৰ অনুসৰি তেওঁৰ কাৰ্যকাল বৃদ্ধিৰ কোনো সম্ভাৱনা নাই। ১৯৮৬ চনৰ বেচৰ কৰ্ণাটক কেডাৰৰ আইপিএছ বিষয়া তথা ৰাজ্যৰ প্ৰাক্তন আৰক্ষী অধীক্ষক প্ৰবীণ সুদে ২০২৩ চনৰ মে' মাহত চিবিআইৰ দায়িত্ব গ্ৰহণ কৰিছিল। ৩৭ বছৰীয়া কেৰিয়াৰত সুদে বিভিন্ন গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত হৈ আহিছে। তেওঁ মৰিচাছ চৰকাৰৰ উপদেষ্টা হিচাপে কাম কৰি আহিছে আৰু আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰভাৱ থকা গোচৰসমূহ, আৰু চাইবাৰ অপৰাধ, তথ্য প্ৰযুক্তি সম্পৰ্কীয় অপৰাধকে ধৰি উচ্চ পৰ্যায়ৰ গোচৰৰ তদন্তৰ দায়িত্ব লৈছে। উল্লেখ্য যে, ২০১৯ চনৰ উচ্চতম ন্যায়ালয়ৰ চিবিআই সঞ্চালক হিচাপে নিযুক্তিৰ যোগ্যতা সন্দৰ্ভত গাইডলাইনত উল্লেখ কৰা হৈছে যে যিসকল বিষয়াৰ কাৰ্যকালত ছমাহতকৈও কম সময় বাকী আছে তেওঁলোকক এই পদৰ বাবে বিবেচনা কৰা নহ'ব। আদালতে লগতে কয় যে সঞ্চালকৰ কাৰ্যকাল কমেও দুবছৰ হ'ব লাগিব আৰু নিযুক্তি সমিতিৰ অনুমোদন অবিহনে তেওঁৰ বদলি সম্ভৱ নহয়। তদুপৰি ২০০৩ চনৰ কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ আইন অনুসৰি চিবিআইৰ সঞ্চালকৰ কাৰ্যকাল দুবছৰ নিৰ্ধাৰণ কৰা হৈছে। এই বৈঠকৰ পাছতে পৰৱৰ্তী চিবিআইৰ মুৰব্বী কোন হ'ব সেই সন্দৰ্ভত জল্পনা-কল্পনাৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল বিদেশী! তথ্য নাই কেন্দ্ৰৰ

ৰাহুল গান্ধীয়ে। ৰাহুলৰ ভাৰতীয় নাগৰিকত্বক লৈ প্ৰশ্ন উত্থাপন কৰি দাখিল কৰা জনস্বাৰ্থৰ আবেদন (পিআইএল) আজি খাৰিজ কৰে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ লক্ষ্ণৌ বিচাৰপীঠে। ন্যায়াধীশ এ আৰ মাছুদী আৰু ন্যায়াধীশ ৰাজীৱ সিঙৰ বিচাৰপীঠে কয় যে যিহেতু কেন্দ্ৰীয় চৰকাৰে আবেদনকাৰীৰ অভিযোগ নিষ্পত্তিৰ কোনো সময়সীমা দিব পৰা নাই, গতিকে গোচৰটো অব্যাহত ৰখাৰ কোনো ন্যায্যতা নাই। একে সময়তে আদালতে আবেদনকাৰী এছ বিগনেশ শিশিৰক বিকল্প আইনী পথ গ্ৰহণৰো অনুমতি প্ৰদান কৰে। উল্লেখ্য যে, কৰ্ণাটকৰ বিজেপি কৰ্মী শিশিৰে তেওঁৰ আবেদনত দাবী কৰিছিল যে ৰাহুল গান্ধী এজন ব্ৰিটিছ নাগৰিক আৰু তেওঁৰ হাতত এই অভিযোগৰ সমৰ্থনত ব্ৰিটিছ চৰকাৰৰ পৰা কিছু ইমেইল আৰু নথি-পত্ৰ আছে। তেওঁ কয় যে ৰাহুল গান্ধী ব্ৰিটিছ নাগৰিকত্বৰ বাবে ভাৰতত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা বা লোকসভাৰ সদস্য হোৱাৰ যোগ্য নহয়। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত ৰাহুলৰ বিজয় বাতিলৰ দাবী তুলি কেন্দ্ৰীয় চৰকাৰকো অভিযোগ দিছিল বিগনেশে। এই আবেদনৰ ২১ এপ্ৰিলৰ শুনানিৰ সময়ত কেন্দ্ৰই কয় যে ৰাহুল গান্ধীৰ ব্ৰিটিছ নাগৰিকত্বৰ অভিযোগ সন্দৰ্ভত তথ্য বিচাৰি ব্ৰিটেইন চৰকাৰলৈ পত্ৰ লিখা হৈছে। ইয়াৰ পিছতে আদালতে সবিশেষ দাখিল কৰিবলৈ কেন্দ্ৰক ৫ মে' পৰ্যন্ত সময় প্ৰদান কৰে। ডেপুটি ছলিচিটৰ জেনেৰেল এছ বি পাণ্ডেই পূৰ্বৰ শুনানিত উল্লেখ কৰিছিল যে সংশ্লিষ্ট মন্ত্ৰালয়ে ব্ৰিটেইনৰ পৰা তথ্য বিচাৰিছে আৰু চূড়ান্ত সিদ্ধান্ত ল'বলৈ অধিক সময়ৰ প্ৰয়োজন। শিশিৰে আদালতত কয় যে তেওঁ দুবাৰকৈ ৰাহুল গান্ধীৰ দ্বৈত নাগৰিকত্বৰ বিষয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰিছে যদিও কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। কিন্তু আদালতে নিৰ্ধাৰণ কৰি দিয়া সময়ত ৰাহুল গান্ধীৰ বিদেশী নাগৰিকত্বক লৈ কেন্দ্ৰীয় চৰকাৰে কোনো তথ্য প্ৰদান কৰিবলৈ সক্ষম নোহাৱাত অৱশেষত আদালতে এই আবেদন খাৰিজ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধৰ আখৰা! সকলো ৰাজ্যক মকড্ৰিলৰ

ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ এক নিৰ্দেশনা জাৰি কৰিছে কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে। সোমবাৰে গৃহ মন্ত্ৰালয়ে ৰাজ্যসমূহক সাধাৰণ জনতাক ৭ মে'ত যুদ্ধৰ প্ৰস্তুতিত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনাবলৈ কয়। সূত্ৰ অনুসৰি যুদ্ধকালীন পৰিস্থিতিত জনসাধাৰণক কি কৰিব লাগে সেই বিষয়ে প্ৰশিক্ষণ দিয়াৰ নিৰ্দেশ জাৰি কৰা হৈছে। ইয়াৰ ভিতৰত বিমান আক্ৰমণৰ চাইৰেন বাজিলে কি কৰিব লাগে, হঠাতে ব্লেকআউট হ'লে কেনেকৈ চম্ভালিব লাগে, ছাত্ৰ-ছাত্ৰীৰ বাবে যুদ্ধকালীন প্ৰশিক্ষণ, অসামৰিক প্ৰতিৰক্ষা দলৰ বাবে উদ্ধাৰ অনুশীলন আদি অন্তৰ্ভুক্ত আছে। এই নিৰ্দেশনাই ৰাজনৈতিক আৰু নিৰাপত্তা বিশ্লেষকসকলৰ মাজত উত্তপ্ত বিতৰ্কৰ সৃষ্টি কৰিছে। লক্ষ্যণীয় যে, শেহতীয়াকৈ পাকিস্তানে ভাৰতৰ বিৰুদ্ধে পাৰমাণৱিক আক্ৰমণৰ ভাবুকি প্ৰদানৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ এই প্ৰস্তুতি পাকিস্তানৰ বিৰুদ্ধে এক শক্তিশালী বাৰ্তা হিচাপে পৰিগণিত হৈছে। ইফালে পেহেলগাম আক্ৰমণৰ পিছৰে পৰা দেশৰ নিৰাপত্তা কটকটীয়া কৰা হৈছে। গুৰুত্বপূৰ্ণ স্থানত নিৰাপত্তা বৃদ্ধি কৰাৰ উপৰিও সীমান্তত চোৰাংচোৱাগিৰিৰ কঠোৰ ব্যৱস্থা কৰা হৈছে। সোমবাৰে বিএছএফে পঞ্জাৱৰ গুৰদাসপুৰ সীমান্তত এজন পাকিস্তানী নাগৰিকক গ্ৰেপ্তাৰ কৰে। ধৃত ব্যক্তিজনৰ পৰা উদ্ধাৰ হৈছে এখন পাকিস্তানী পৰিচয় পত্ৰ আৰু ৪০ টকা পাকিস্তানী মুদ্ৰা। জানিব পৰা মতে, তেওঁ পাকিস্তানৰ গুজৰাণৱালাৰ বাসিন্দা। কিয় ভাৰতত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিছিল সেই বিষয়ে জানিবলৈ আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। ইয়াৰ পূৰ্বেও ৰাজস্থানৰ পৰা দুজন পাকিস্তানী চোৰাংচোৱাক গ্ৰেপ্তাৰ কৰা হৈছিল। এইবোৰ ঘটনাই সীমান্তত উত্তেজনাৰ সূচনা কৰিছে। একে সময়তে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত ধাৰাবাহিকভাৱে হাই ভল্টেজ বৈঠক অনুষ্ঠিত কৰিছে। সোমবাৰে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে তেওঁক ফোন কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ভাৰতক সমৰ্থন আগবঢ়োৱাৰ আশ্বাস দিয়ে। এই পৰিবেশত গৃহ মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশে যুদ্ধৰ জল্পনা-কল্পনা আৰু অধিক তীব্ৰতৰ কৰিছে। ইতিমধ্যে পাকিস্তানৰ ৰাষ্ট্ৰদূত মহম্মদ খালিদ জামালীয়ে জলভাগ বা সামৰিক আক্ৰমণৰ ক্ষেত্ৰত পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰ কৰাৰ ভাবুকি দিছে। ভাৰতেও সিন্ধু জল চুক্তি স্থগিত ৰাখি কঠোৰ স্থিতি গ্ৰহণ কৰিছে। পাৰমাণৱিক শক্তিচালিত দুয়োখন দেশৰ মাজত সংঘাতৰ আশংকাত এতিয়া আন্তঃৰাষ্ট্ৰীয় সমাজে দক্ষিণ এছিয়াত মনোযোগ কেন্দ্ৰীভূত কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সভা এৰি পলায়ন বিধায়ক ৰমাকান্তৰ

পৰিবেশ উত্তাল কৰাত ৰাইজৰ ৰুদ্ৰমূৰ্তি দেখি আধাতে ভাষণ সামৰি একপ্ৰকাৰ ছত্ৰভংগ দিবলৈ বাধ্য হয় বিধায়কগৰাকী। মৰিগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত দন্দুৱা জিলা পৰিষদৰ কোঁৱৰগাঁও গাঁও পঞ্চায়তৰ কোঁৱৰগাঁও ৰংগ মঞ্চত সংঘটিত এই অবাঞ্ছিত ঘটনাই ৰাজনৈতিক মহলত তীব্ৰ জোকাৰণি সৃষ্টি কৰে। উল্লেখ্য যে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছৰে পৰা পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থী নিৰ্বাচন কৰাক লৈ বিজেপি দলৰ বুথ সমিতি আৰু বিধায়ক দেউৰীৰ মাজত পোনপটীয়া সংঘাতৰ সৃষ্টি হয়। বুথ সমিতিয়ে প্ৰস্তুত কৰা তালিকাক নস্যাৎ কৰি বিধায়ক দেউৰীয়ে পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ তালিকা নিজেই প্ৰস্তুত কৰি নিৰ্বাচনত অৱতীৰ্ণ হয়। তদুপৰি নিৰ্বাচনী প্ৰচাৰসমূহত বিধায়ক দেউৰীয়ে নিজ দলৰ কৰ্মীসকলৰ বিৰুদ্ধে নিষেধাজ্ঞা প্ৰকাশ কৰাৰ লগতে কেতবোৰ অদ্ভুত আৰু অবাঞ্ছিত বাক্যই দলীয় কৰ্মীসকলক অসন্তুষ্ট কৰি ৰাখিছিল। ইয়াৰ মাজতে আজি নিৰ্বাচনী প্ৰচাৰৰ অন্তিমটো দিনত কোঁৱৰগাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা পদৰ নিৰ্দলীয় প্ৰাৰ্থী ফুলেশ্বৰী দাস আৰু দন্দুৱা জিলা পৰিষদৰ নিৰ্দলীয় প্ৰাৰ্থী মাধুৰীমা গোস্বামী মহন্তই জিলা প্ৰশাসনৰ অনুমতি সাপেক্ষে কোঁৱৰগাঁও ৰংগ মঞ্চত আয়োজন কৰিছিল এখন নিৰ্বাচনী প্ৰচাৰ সভাৰ। নিৰ্দলীয় প্ৰাৰ্থী ফুলেশ্বৰী দাস আৰু মাধুৰীমা গোস্বামী মহন্তই আয়োজন কৰা নিৰ্বাচনী সভাখন নস্যাৎ কৰিবলৈ বিধায়ক দেউৰীয়ে বিজেপি দলৰ চিহ্নত অৱতীৰ্ণ হোৱা দন্দুৱা জিলা পৰিষদৰ সদস্য সুৰেন দাস আৰু কোঁৱৰগাঁও আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী পূৰবী দেৱীৰ সমৰ্থনত একেখন ৰংগ মঞ্চতে নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰিবলৈ গৈ বিধায়কগৰাকী সন্মুখীন হয় অথন্তৰ। নিৰ্দলীয় প্ৰাৰ্থী ফুলেশ্বৰী দাসৰ নিৰ্বাচনী প্ৰচাৰ সভা চলি থকাৰ সময়তে বিধায়ক দেউৰীয়ে একেখন ৰংগ মঞ্চৰ একাষে নিৰ্বাচনী প্ৰচাৰৰ ভাষণ দিবলৈ আৰম্ভ কৰোঁতেই উত্তেজিত হৈ পৰে উপস্থিত ৰাইজ। একাংশ ৰাইজে বিধায়ক ৰমাকান্তৰ গুণ্ডামি ইয়াত নচলিব বুলি উল্লেখ কৰাৰ লগে লগে নিৰ্বাচনী প্ৰচাৰ সভা সামৰি উত্তেজিত ৰাইজে বিধায়কগৰাকীৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দিয়াত নামি পৰে। পৰিস্থিতি বিষম দেখি বিধায়কগৰাকীয়ে আধাতে ভাষণ সামৰি মঞ্চৰ পৰা ওলাই যাবলৈ বাধ্য হয়। বিধায়কগৰাকীয়ে আধাতে ভাষণ সামৰি ওলাই যোৱাৰ পিছতহে পৰিস্থিতিৰ শাম কাটে। একাংশ বিজেপি কাৰ্যকৰ্তাই বিধায়ক ৰমাকান্ত দেউৰীৰ বিৰুদ্ধে অভিযোগ তুলি কয়, কোঁৱৰগাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী হিচাপে বিজেপি কৰ্মী ফুলেশ্বৰী দাস আৰু দন্দুৱা জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থী হিচাপে পূৰ্বৰ সদস্যা মাধুৰীমা গোস্বামী মহন্তৰ নামটো মণ্ডলৰ ফালৰ পৰা প্ৰেৰণ কৰা হৈছিল। কিন্তু বিধায়কগৰাকীয়ে আমি প্ৰেৰণ কৰা প্ৰাৰ্থীসকলৰ নাম নস্যাৎ কৰি তেওঁ নিজৰ পছন্দ মতে বিতৰ্কিত আৰু বদনামী লোকক বিজেপি দলৰ প্ৰাৰ্থিত্ব প্ৰক্ষেপ কৰে। তদুপৰি তেওঁ কোঁৱৰগাঁও আৰু বৰগুৱাবাৰী পঞ্চায়তৰ ভোট বিজেপিক নালাগে বুলি মন্তব্য কৰিছে। যিটো আমি কোনোপধ্যে মানি ল'ব পৰা নাই আৰু নোৱাৰো। বদনামী লোকৰ লগত আমি নিৰ্বাচনী প্ৰচাৰ চলাবলৈ যাব নোৱাৰো। বিধায়কগৰাকী নিজেই বদনামী কাৰণে বদনামী লোকক দলীয় প্ৰাৰ্থিত্ব প্ৰক্ষেপ কৰা বুলি অভিযোগ তুলি কয়, দলে আমাক সমূহীয়াভাৱে বহিষ্কাৰ কৰিলেও আমাৰ কোনো আপত্তি নাই বুলি স্পষ্ট কৰি দিয়ে। ইফালে একেটা ৰংগ মঞ্চতে একে সময়তে জিলা প্ৰশাসনে দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰিবলৈ দিয়া কাৰ্যই ৰহস্য সৃষ্টি কৰিছে। যাৰ বাবে জিলা প্ৰশাসনে এনে ভূমিকাক সমালোচনা কৰিবলৈ বাধ্য হৈছে একাংশ ভোটাৰ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জঘন্য! নৱজাতকক হত্যা কৰি পেলাই

কুকুৰে চেলেকি থকা দেখি ৰাইজ হতভম্ব হৈ অনুসন্ধান চলোৱাত ঘটনাটো পোহৰলৈ আহে। অৱশেষত জ্যোতি তুৰিয়ে নৱজাতকটি তাইৰ গৰ্ভৰ পৰাই প্ৰসৱ হোৱা সন্তান আছিল বুলি জানিবলৈ দিয়ে। ঘটনাস্থলীত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সৈতে আৰক্ষীৰ এটি দল গাঁওখনত উপস্থিত হৈ ঘটনাৰ বুজ লয়। গাঁওখন তথা অঞ্চলটোত দিনক দিনে বৃদ্ধি পাবলৈ ধৰা অবৈধ মদৰ ঘাটিৰ পৰিণতিতেই এনেবোৰ অনৈতিক কাৰ্য সমাজত বৃদ্ধি পাবলৈ ধৰাৰ লগতে ইয়াক ৰোধ কৰাত আৰক্ষী-প্ৰশাসন সম্পূৰ্ণ ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে আটছাৰ নেতৃত্বই। ইতিমধ্যে পলাতক মনোজ চৌধুৰীক আৰক্ষীয়ে অভিযান চলাই কৰায়ত্ত কৰি তালাপ আৰক্ষী চকীলৈ আনে যদিও নৱজাতকটিক হত্যা কৰাৰ দৰে অপৰাধ সংঘটিত কৰা সন্দৰ্ভত আইনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া নিশ্চয়কৈ লক্ষণীয় হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মেজেঙাত পথ দুৰ্ঘটনা, পুত্ৰৰ বিবাহৰ

ঘটনাৰ বিৱৰণী মতে কালি গেলেকীৰ নামদঙীয়া গাঁও নিবাসী যতীন শইকীয়া নামৰ লোকজনৰ পুত্ৰৰ বিয়া আছিল। বিয়াৰ সকলো কাম-কাজ নিয়ম-নীতি মতেই হৈছিল। নিশা কইনা ঘৰ সোমোৱাৰ পিছত ভকতে সকলো শুভ কৰ্ম সম্পাদন কৰিছিল। পৰৱৰ্তী সময়ত নিশাৰ ভাগলৈ নাজিৰা গড়গাঁৱৰ ভকতজনক ঘৰত থ'বলৈ গৈছিল যতীন শইকীয়াই নিজৰ AS 04 L 5287 নম্বৰ EON বাহনখন লৈ। লগত গৈছিল সহপাঠী যোৰহাট ন-কছাৰীৰ পূৰ্ণ তামুলী নামৰ লোকজন। গড়গাঁৱত নিশা ঠিকমতেই ভকতজনক ঘৰত থৈছিল। ভকতজনক ঘৰত থৈ ঘূৰি আহিছিল যতীন শইকীয়া আৰু পূৰ্ণ তামুলী। ইফালে বিয়া ঘৰত আশীৰ্বাদ ল'বলৈ তেতিয়ালৈকে ৰখি আছিল পুত্ৰ বোৱাৰী। কিন্তু বহু পৰলৈকে নামদঙীয়াৰ ঘৰ পোৱা নাছিল যতীন শইকীয়া আৰু তেওঁৰ লগত যোৱা সতীৰ্থজন। ঘৰৰ পৰা বাৰম্বাৰ ফোনেৰে যোগাযোগ কৰিছিল যদিও ফোন উঠোৱা নাছিল যতীন শইকীয়া আৰু তেওঁৰ সতীৰ্থজনে। কাৰণ তেতিয়ালৈকে সংঘটিত হৈছিল শোকাবহ পথ দুৰ্ঘটনাটো। পৰিয়ালৰ লোকৰ ভাষ্য অনুসৰি পৰৱৰ্তী সময়ত ঘৰৰ পৰা পৰিয়ালৰ লোকে খবৰ কৰিবলৈ বুলি গড়গাঁৱৰ দিশে ৰাওনা হয়। কিন্তু আদবাটতে মেজেঙাৰ সমীপত গৈ দেখে যে যতীন শইকীয়া যোৱা বাহনখন পথৰ দাঁতিত দুৰ্ঘটনাগ্ৰস্ত হৈ থকা দেখে।ততাতৈয়াকৈ পৰিয়ালৰ লোক কাষলৈ গৈ দেখে যে গাড়ীখনৰ ভিতৰত দুয়োজন ব্যক্তি অচেতন হৈ আছে। পৰৱৰ্তী সময়ত চিকিৎসালয়লৈ নিয়া হৈছিল যদিও ইতিমধ্যেই মৃত্যু হৈছিল দুয়োজন ব্যক্তিৰ।এই খবৰ বিয়পি পৰাৰ লগে লগে প্ৰয়াত যতীন শইকীয়াৰ বিয়াঘৰত স্থানীয় ৰাইজে ভিৰ কৰে। বৰ্তমান অঞ্চলজুৰি এই ঘটনাই শোকৰ ছাঁ পেলাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ড্ৰাগছ মাফিয়াক অপহৰণ, ২ যুৱকক

আজি চৰাইদেউ আৰক্ষী, আছাম ৰাইফলছ আৰু চি আৰ পি এফ বাহিনীৰ যুটীয়া অভিযানত গ্ৰেপ্তাৰ হৈছে। গ্ৰেপ্তাৰ হোৱা দুই যুৱকৰ নাম সনতং কন্যাক ওৰফে আহন (৩৬) আৰু চিপাহী পণ্ডিত (৩০)। উল্লেখ্য যে চিপাহী পণ্ডিত চৰাইদেউৰ সীমান্তবৰ্তী নামতোলা-হাতীকেম্প এলেকাৰ ব্যৱসায়ী হোৱাৰ বিপৰীতে সনতং কন্যাকৰ ঘৰ নাগালেণ্ডৰ মন জিলাৰ টিজিত বস্তিত। গ্ৰেপ্তাৰ হোৱা সনতং কন্যাক আৰু চিপাহী পণ্ডিতক সম্প্ৰতি সোণাৰি আৰক্ষী থানাত ৰাখি অপহৰণ কাণ্ডৰ লগতে উগ্ৰপন্থীৰ বিভিন্ন কাম-কাজ সন্দৰ্ভত মাৰাথন জেৰা চলাই আছে। উল্লেখ্য যে চৰাইদেউৰ সীমান্তবৰ্তী নামতোলা-হাতীকেম্পৰ কুখ্যাত ড্ৰাগছ ব্যৱসায়ী মুছলেক আলীক বিগত বৰ্ষৰ ২৫ নৱেম্বৰৰ সন্ধিয়া টাটা ছুম'ত অহা অত্যাধুনিক মাৰণাস্ত্ৰৰে সজ্জিত এটা দলে অপহৰণ কৰি প্ৰায় এমাহে নাগালেণ্ডৰ গোপন স্থানত পণবন্দী কৰি ৰাখিছিল। মুছলেক আলীৰ অপহৰণ কাণ্ডৰে জড়িত নাগালেণ্ডৰ ব্যৱসায়ী টাফা কন্যাকক ইতিমধ্যে অসম আৰক্ষী-নাগালেণ্ড আৰক্ষী আৰু আছাম ৰাইফলছৰ যুটীয়া অভিযানত গ্ৰেপ্তাৰ কৰি শিৱসাগৰ জিলা কাৰাগাৰলৈ নিক্ষেপ কৰিছে। ইফালে, ড্ৰাগছ ব্যৱসায়ী মুছলেক আলীৰ অপহৰণ কাণ্ডত জড়িত ৩ টা অপৰাধী ক্ৰমে টাফা কন্যাক, সনতং কন্যাক ওৰফে আহন আৰু চিপাহী পণ্ডিত গ্ৰেপ্তাৰ হৈছে আৰু অধিক লোক গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। মন কৰিবলগীয়া যে সনতং ওৰফে আহন কন্যাক ড্ৰাগছ ব্যৱসায়ী মুছলেক আলীৰ অপহৰণ কাণ্ডত টাটা ছুম'ৰ দ্বিতীয়জন চালক ৰূপে নিয়োজিত হৈ আছিল। আনহাতে, নামতোলাৰ ব্যৱসায়ী চিপাহী পণ্ডিতে নাগালেণ্ডৰ উগ্ৰপন্থী সংগঠন এন এছ চি এনৰ লগতে আলফা (স্বাধীন) ৰ শীৰ্ষ কেডাৰৰ স'তে যোগাযোগ ৰাখিছিল। নিৰাপত্তা বাহিনীৰ সকলো তথ্যপাতি আদি গোপনে যোগান ধৰাত জড়িত আছিল চিপাহী পণ্ডিত। মন কৰিবলগীয়া যে অসমৰ ম'বাইল ছীম কাৰ্ড নাগালেণ্ডত ব্যৱহাৰ কৰিবলৈ চিপাহী পণ্ডিতে যোগান ধৰাৰ তথ্য শেহতীয়াকৈ চৰাইদেউ আৰক্ষীয়ে নিশ্চিত তথ্য লাভ কৰাৰ পিছতেই চিপাহী আৰু আহন নামৰ নাগা যুৱকজনক চৰাইদেউ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইফালে, নাগা যুৱক আহন ওৰফে সনতং কন্যাক গ্ৰেপ্তাৰ হোৱাৰ পিছতেই চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ মন জিলাত চেপাঁ উত্তেজনাৰ সৃষ্টি হৈছে। নাগা কন্যাক ইউনিয়নৰ লগতে একাধিক নাগা জাতীয় সংগঠনে আহন কন্যাকৰ মুক্তিৰ দাবী উত্থাপন কৰি অসম-নাগালেণ্ডৰ আন্তঃৰাজ্যিক পথটো আজি বিয়লিৰ ভাগৰ পৰা বন্ধ কৰি দিছে। প্ৰতিবাদকাৰী নাগা ৰাইজে অসম আৰু নাগালেণ্ডৰ মাজত থকা সকলো ধৰণৰ পথ যোগাযোগ ব্যৱস্থা বন্ধ কৰি দিয়াত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। নাগালেণ্ডৰ পৰা চাহ পাত কঢ়িওৱা শতাধিক গাড়ী আজি সন্ধিয়াও আবদ্ধ হৈ থকাৰ বাতৰি আহিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মঙলদৈত বিজেপি প্ৰাৰ্থীৰ বাহনত নিশা

দলৰ প্ৰাৰ্থী জয়ন্ত কুমাৰ শৰ্মাৰ বাহনত দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰে। এই সন্দৰ্ভত বিজেপি প্ৰাৰ্থীগৰাকীয়ে ৰাতিয়েই মঙলদৈ সদৰ থানাত এজাহাৰ দাখিল কৰে। ঘটনা সম্পৰ্কে প্ৰাৰ্থী জয়ন্ত কুমাৰ শৰ্মাই জানিবলৈ দিয়া মতে যোৱা নিশা  নিৰ্বাচনী প্ৰচাৰৰ পৰা ঘৰলৈ উভতি অহাৰ পথত পশ্চিম বেছিমাৰী গাঁৱত দুষ্কৃতিকাৰীয়ে আগচি ধৰি জোং-যাঠিৰে আক্ৰমণ কৰে। ফলত প্ৰাৰ্থীগৰাকীৰ এ এছ ০১ এফ এছ ০৪০৯ নম্বৰৰ গাড়ীখন ক্ষতিগ্ৰস্ত হয় যদিও প্ৰাৰ্থীগৰাকীৰ লগতে গাড়ীত থকা আন কৰ্মকৰ্তাসকল কথমপি ৰক্ষা পৰে। প্ৰথমতে গাড়ীৰ সন্মুখত দুষ্কৃতিকাৰীয়ে গ্লাছত দাৰে আক্ৰমণ কৰি ভাঙি পেলায়। পিছত গাড়ীখনত আক্ৰমণ কৰি চূৰ্ণ-বিচূৰ্ণ কৰে। ঘটনা সম্পৰ্কে অঞ্চলটোৰ সৰ্বৱহী যুৱক তথা সাংস্কৃতিক কৰ্মী জয়ন্ত কুমাৰ শৰ্মাই নিশাই আৰক্ষীক খবৰ দিয়ে। মঙলদৈ সদৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসহ এটি দল ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত কৰাৰ লগতে গাড়ীখন মঙলদৈ সদৰ থানালৈ লৈ যায়। দুষ্কৃতিকাৰীৰ আক্ৰমণৰ সময়ত বিজেপি প্ৰাৰ্থীগৰাকীৰ লগতে জিলা কৰ্মকৰ্তা সূৰ্য্য ডেকা আৰু নকুল বৰুৱাও গাড়ীৰ ভিতৰত আছিল। বিজেপিৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীগৰাকীৰ ওপৰত হোৱা ঘটনাই জিলাখনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইফালে আজি নিৰ্বাচনী প্ৰচাৰ সমাপ্ত কৰিয়েই ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই দৰং জিলাৰ ঔতলাৰ দুৰ্গা গাঁৱৰ জয়ন্ত কুমাৰ শৰ্মাৰ বাসগৃহত উপস্থিত হৈ ঘটনাক তীব্ৰ নিন্দা কৰাৰ লগতে দোষীক কৰায়ত্ত কৰিবলৈ দাবী জনায়। তেওঁ কয়, দোষী ব্যক্তি সাৰি যাব নোৱাৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# লাহৰীঘাটত কংগ্ৰেছৰ বৃহৎ নিৰ্বাচনী

মৈৰাবাৰী জিলা পৰিষদৰ প্ৰাৰ্থী পৰিমা খানমে ব্যাপক প্ৰচাৰ চলায়। বিশাল ৰেলীৰে সমষ্টিটোৰ ইমূৰৰ পৰা সিমূৰলৈ ব্যাপক প্ৰচাৰ চলায়। হাজাৰ হাজাৰ বাইক আৰু গাড়ীৰে ওলাই আহে ভোটাৰ ৰাইজ। সমষ্টিটোৰ অন্তৰ্গত ভূৰাগাঁও জিলা পৰিষদৰ প্ৰাৰ্থী মোবাশ্বৰ আহমেদে পুৱা ১০ বজাত কেইবা হাজাৰ বাইক আৰু গাড়ীৰে ১০ সহস্ৰাধিক ভোটাৰ ৰাইজৰ সমৰ্থনত বিশাল ৰেলীৰে শক্তি প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়। এই বিশাল নিৰ্বাচনী প্ৰচাৰ বাইক ৰেলীত প্ৰাৰ্থীগৰাকীক সংগ দিয়ে নগাঁও সংসদীয় সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন, ইমদাদ হুছেইনৰ লগতে বহু কেইগৰাকী কংগ্ৰেছ নেতাই। মোবাশ্বৰ আহমেদৰ প্ৰচাৰ ৰেলীত ভোটাৰ ৰাইজৰ ব্যাপক সঁহাৰি দেখি সাংসদগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে ভূৰাগাঁও জিলা পৰিষদৰ প্ৰাৰ্থী মোবাশ্বৰ আহমেদৰ জয় নিশ্চিত। পৰৱৰ্তী সময়ত সাংসদগৰাকীয়ে ৰজাগাধোৱা জিলা পৰিষদৰ প্ৰাৰ্থী ৰুবিনা ইয়াছমিনৰ বিশাল বাইক গাড়ীৰ নিৰ্বাচনী প্ৰচাৰ ৰেলীত অংশ গ্ৰহণ কৰে। প্ৰাৰ্থীগৰাকীয়ে কেইবা সহস্ৰাধিক বাইক আৰু গাড়ীৰ ৰেলীৰে শক্তি প্ৰদৰ্শন কৰে। সাংসদগৰাকীয়ে পুনৰ লাহৰীঘাট আৰু মৈৰাবাৰী জিলা পৰিষদৰ প্ৰাৰ্থী দুগৰাকী নিৰ্বাচনী প্ৰচাৰ ৰেলীত অংশ গ্ৰহণ কৰি ভোটাৰ ৰাইজৰ সঁহাৰি পাই সংবাদ মাধ্যমৰ আগত সমষ্টিটোৰ চাৰিওগৰাকী কংগ্ৰেছৰ প্ৰাৰ্থীৰ বিজয় নিশ্চিত বুলি মন্তব্য কৰে।

# ভৱানীপুৰ সত্ৰত অনুষ্ঠিত বাৰ্ষিক পালনামৰ সামৰণি

**ই-সংবাদ, ভৱানীপুৰ, ৫ মে':** "আমাৰ নমস্য গুৰুসকলক আমি ইচ্ছানুযায়ী যিকোনো সত্ৰ-নামঘৰত স্থাপন কৰিব পাৰোঁ। তেৰাৰ নামত বঁটা দিব পাৰোঁ। তাত বিতৰ্কৰ কাৰণ নেদেখোঁ।" -কালি ভৱানীপুৰ সত্ৰৰ পালনামত সেৱা লৈ এইদৰে কয় ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। আনহাতে কিছুদিন আগেয়ে ভৱানীপুৰ সত্ৰ আৰু ঐতিহাসিক গোপাল আতা সত্ৰ পৰিচালনা সমিতিৰ দুটা পক্ষৰ মাজত সৃষ্টি হোৱা মতানৈক্য সম্পৰ্কতো তেওঁ মন্তব্য কৰি কয়, 'ভৱানীপুৰ সত্ৰ আৰু গোপাল আতা স্থাপিত প্ৰথমখন ঐতিহাসিক গোপাল আতা সত্ৰ পৰিচালনা সমিতিৰ মাজত সৃষ্ট মনোমালিন্য সাধাৰণ আৰু স্বাভাৱিক।' বিধায়কগৰাকীয়ে 'সত্ৰলৈ আহিলেই অভিভূত হওঁ, সকলো পাহৰি যাওঁ' বুলিও মন্তব্য কৰে। উল্লেখ্য, কালি পুৱা ১০ বজাত ভৱানীপুৰ সত্ৰৰ সত্ৰীয়া কৃষ্ণকান্ত নাথৰ দ্বাৰা সত্ৰৰ ২৪ ঘণ্টীয়া বাৰ্ষিক পালনামভাগি স্থাপন কৰা হৈছিল। পালনাম স্থাপনৰ পিছতেই কালি পুৱাৰে পৰা আজি পুৱা ১০ বজালৈ ভৱানীপুৰ সত্ৰৰ অন্তৰ্গত ১৯খন হাটীৰ আইসকলৰ নামদল, নমাটি সত্ৰৰ  লগতে স্থানীয় পাঠক-ভকতসকলে  পৰিৱেশন কৰা হৰিনামেৰে মুখৰিত হৈ পৰে ভৱানীপুৰ সত্ৰ প্ৰাংগণ। পুৱা ১০ বজাত পালনামভাগিৰ সামৰণি পৰে। কাৰ্যসূচীত সুন্দৰীয়াদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰী, মইনবড়ী সত্ৰৰ সত্ৰাধিকাৰ গণেশ চন্দ্ৰ অধিকাৰী, গুৱাগাছা সত্ৰৰ সত্ৰাধিকাৰ টিকেন্দ্ৰজিৎ অধিকাৰী আৰু টাপা সত্ৰৰ সত্ৰাধিকাৰ ৰমেন দাসে অংশ লয়।

# পঞ্জাৱ-হাৰিয়ানাৰ মাজত পানীৰ ভাগ-বতৰাক লৈ যুঁজ তুংগত

**চণ্ডীগড়, ৫ মে':** ভাৰত-পাকিস্তান নহয়, এইবাৰ আৰম্ভ হৈছে ভাৰতৰ দুই প্ৰতিবেশী ৰাজ্যৰ মাজত জলযুদ্ধ। পঞ্জাৱ আৰু হাৰিয়ানাৰ মাজত পানীৰ ভাগ-বতৰাক লৈ অব্যাহত থকা তীব্ৰ উত্তেজনাৰ মাজতে আজি পঞ্জাৱৰ ভাগৱত মান চৰকাৰে ৰাজ্যিক বিধানসভাত দাখিল কৰে এক প্ৰস্তাৱ। এই প্ৰস্তাৱৰ জৰিয়তে মান চৰকাৰে স্পষ্ট কৰি দিয়ে যে পঞ্জাৱে নিজৰ পানী এটোপালো চুবুৰীয়া ৰাজ্য হাৰিয়ানাক এৰি নিদিয়ে। পঞ্জাৱৰ জলসম্পদ মন্ত্ৰী বৰিন্দৰ কুমাৰ গোৱালে বিশেষ অধিৱেশনত এই প্ৰস্তাৱ উত্থাপন কৰাৰ পিছতে বিধানসভাত সূচনা হয় তীব্ৰ বিতৰ্কৰ। প্ৰস্তাৱটোত গোৱালে কয়, "বিজেপিৰ কেন্দ্ৰীয় আৰু হাৰিয়ানা চৰকাৰে ভাকৰা বিছ মেনেজমেণ্ট ব'ৰ্ড (বিবিএমবি) ব্যৱহাৰ কৰি পঞ্জাৱৰ অধিকাৰ কাঢ়ি নিয়াৰ চেষ্টা কৰিছে। অসাংবিধানিক আৰু অবৈধভাৱে বিবিএমবিৰ বৈঠক আহ্বান কৰি পঞ্জাৱৰ উচিত অংশ হাৰিয়ানাক দিয়াৰ প্ৰয়াস কৰা হৈছে। হাৰিয়ানাই ৩১ মাৰ্চলৈকে নিজৰ পানীৰ সমগ্ৰ অংশ ব্যৱহাৰ কৰিছে। এতিয়া বিজেপিয়ে পঞ্জাৱৰ ভাগৰ পানী হাৰিয়ানাক দিব বিচাৰিছে।" প্ৰস্তাৱটোত উল্লেখ কৰা হৈছে যে যোৱা তিনি বছৰত মান চৰকাৰে পঞ্জাৱৰ প্ৰতিখন কৃষিভূমিলৈ পুখুৰীৰ পানী যোগান ধৰিবলৈ পুখুৰী আৰু জলপথৰ নেটৱৰ্ক ব্যাপকভাৱে গঢ়ি তুলিছে। ২০২১ চনত মাত্ৰ ২২ শতাংশ মাটিয়েহে পুখুৰীৰ পানী লাভ কৰিছিল, কিন্তু এতিয়া ৬০ শতাংশ মাটিয়েই পুখুৰীৰ পানী লাভ কৰে। গতিকে পঞ্জাৱৰ প্ৰতিটো টোপাল পানীৰ মূল্য এতিয়া অত্যন্ত মূল্যবান। প্ৰস্তাৱটোত আৰু কোৱা হৈছে যে ৬ এপ্ৰিলত যেতিয়া হাৰিয়ানাই খোৱাপানীৰ বাবে ৪ হাজাৰ কিউচেক পানী বিচাৰিছিল, তেতিয়া পঞ্জাৱে মানৱীয় ভিত্তিত পানী যোগান ধৰিছিল। গোৱালে কয়, "আমাৰ গুৰুসকলে আমাক শিকাইছে যে পিয়াহৰ পানী দিয়াটো এটা পবিত্ৰ কাম।" অৱশ্যে তেওঁ কয় যে হাৰিয়ানাত ৩ কোটি জনসংখ্যাৰ খোৱা আৰু মানৱীয় প্ৰয়োজনীয়তা পূৰণৰ বাবে মাত্ৰ ১৭০০ কিউচেক পানীৰ প্ৰয়োজন। কিন্তু হাৰিয়ানাই হঠাতে ৮৫০০ কিউচেক পানী দাবী কৰিছে, যিটো পঞ্জাৱৰ বাবে যোগান ধৰাটো অসম্ভৱ।

# সময় ৰাইনাসহ ৫ জনলৈ পুনৰ চমন জাৰি উচ্চতম ন্যায়ালয়ৰ

## এইবাৰ প্ৰসংগ দিব্যাংগজনক লৈ কৌতুক

**নতুন দিল্লী, ৫ মে':** উচ্চতম ন্যায়ালয়ে বিশেষভাৱে সক্ষম ব্যক্তি আৰু বিৰল বিকাৰ থকা লোকসকলৰ উপহাসৰ সৈতে জড়িত ক্ষেত্ৰত ছ'চিয়েল মিডিয়া প্লেটফৰ্মৰ অপব্যৱহাৰৰ বিৰুদ্ধে এক কঠোৰ বাৰ্তা জাৰি কৰিছে। আদালতে জনপ্ৰিয় কমেডিয়ান সময় ৰাইনাকে ধৰি পাঁচজন ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰক আজি চমন জাৰি কৰে। তেওঁলোকে বিকলাংগ আৰু বিৰল চিকিৎসা অৱস্থা থকা লোকসকলক উপহাস কৰা বুলি অভিযোগ তুলি এটা বেচৰকাৰী সংগঠনে দাখিল কৰা আবেদনৰ ভিত্তিত তেওঁলোকক আদালতত হাজিৰ হ'বলৈ কোৱা হৈছে। আৱেদনখনৰ শুনানি গ্ৰহণ কৰি শীৰ্ষ ন্যায়ালয়ে গুৰুত্ব আৰোপ কৰে যে যদিও সংবিধানে বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ নিশ্চিত কৰে, ই "সম্পূৰ্ণ নহয়", বিশেষকৈ যেতিয়া ই আনৰ মৰ্যাদা হানি কৰে। "বাক-স্বাধীনতাৰ নামত কোনেও কাকো অৱমাননা কৰিব নোৱাৰে," আদালতে লগতে কয়।



বাকিংহাম পেলেচৰ বেলকনিৰপৰা সামৰিক প্ৰদৰ্শনী উপভোগ বৃটিছ ৰাজ পৰিয়ালৰ, ফটো সোমবাৰৰ

## ভাৰত চৰকাৰৰ নীতিগত অনুমোদন

# নতুন ১৭ হাজাৰ সৈন্যৰে শক্তিশালী হ'ব বিএছএফ বাহিনী

**নতুন দিল্লী, ৫ মে':** কাশ্মীৰত পহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত দেশৰ সীমান্ত সুৰক্ষা বাহিনীত ১৬ টা নতুন বেটেলিয়ন সৃষ্টি কৰা হ'ব। ইয়াত প্ৰায় ১৭,০০০ সৈন্য থাকিব আৰু দুটা নতুন ফিল্ড হে'ড কোৱাৰ্টাৰ থাকিব। বিএছএফে পাকিস্তানৰ লগতে বাংলাদেশৰ সৈতে ভাৰতৰ সীমান্ত সুৰক্ষিত কৰাৰ বাবে আদেশ লাভ কৰাৰ পাছতে এই ক্ষেত্ৰত ভাৰত চৰকাৰে নীতিগত অনুমোদন প্ৰদান কৰিছে। কৰিছে। চৰকাৰী সূত্ৰই জনাইছে যে বিত্ত মন্ত্ৰালয়কে ধৰি কেইটামান কৰ্তৃপক্ষৰপৰা অন্তিম অনুমোদনৰ লাভ কৰাৰ পাছতে এই বেটেলিয়নসমূহ গঠন কৰা হ'ব। তেওঁলোকে অনুমোদন লাভ কৰাৰ পাছত, বিএছএফে এই বেটেলিয়নবোৰৰ বাবে পুৰুষ আৰু মহিলা নিয়োগ কৰা আৰম্ভ কৰিব আৰু তাৰ পিছত তেওঁলোকক প্ৰশিক্ষণ দিয়া হ'ব। গতিকে এই বেটেলিয়নবোৰ সৃষ্টি কৰাৰ বাবে পাঁচ বা ছয় বছৰ সময় লাগিব পাৰে। বৰ্তমান, বিএছএফে দুয়োটা সীমান্ত ৰক্ষাৰ বাবে ১৯৩ টা বেটেলিয়ন পৰিচালনা কৰে, আৰু এটা বেটেলিয়নত এহেজাৰৰো অধিক সৈন্য আছে। বৰ্ধিত প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি নতুন বেটেলিয়ন গঠনৰ প্ৰস্তাৱ কেইবছৰমান পূৰ্বে বিএছএফে গৃহ মন্ত্ৰালয়লৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছিল।

# মোদীৰ নিমন্ত্ৰণ: ভাৰত ভ্ৰমণ কৰিব ভ্লাডিমিৰ পুটিনে

**নতুন দিল্লী, ৫ মে':** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ফোনযোগে কথা পাতি জম্মু-কাশ্মীৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ তীব্ৰ গৰিহণা দিয়ে। ঘটনাটোৰ পাছত পাকিস্তানৰ বিৰুদ্ধে ভাৰতে ব্যৱস্থা লোৱাৰ প্ৰস্তুতি চলাই থকাৰ সময়তে পুটিন আৰু প্ৰধানমন্ত্ৰী মোদীৰ মাজত এই গুৰুত্বপূৰ্ণ বাৰ্তালাপ হয়। ইয়াৰ পূৰ্বে, ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিনক বিজয় দিৱস উদযাপনত উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনাইছিল। অৱশ্যে, দেশৰ শেহতীয়া পৰিস্থিতিৰ বাবে মোদীৰ ৰাছিয়া ভ্ৰমণ বাতিল হয়। সম্প্ৰতি প্ৰধানমন্ত্ৰী মোদীৰ আমন্ত্ৰণক্ৰমে পুটিনে ভাৰত ভ্ৰমণৰ আগ্ৰহ প্ৰকাশ কৰা বুলি জানিবলৈ দিয়ে বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জৈশোৱালে।

# বাংলাদেশত চিন্ময় প্ৰভুৰ বিৰুদ্ধে নতুন গোচৰ

**ঢাকা, ৫ মে':** চিটাগঙৰ এখন আদালতে হিন্দু গুৰু চিন্ময় কৃষ্ণ দাসক গ্ৰেপ্তাৰ কৰাৰ পাছত তেওঁক চাৰিটা হত্যাৰ গোচৰত জড়িত কৰিছে। বাংলাদেশ উচ্চ ন্যায়ালয়ে তেওঁক ৰাষ্ট্ৰীয় পতাকাক অপমান কৰাৰ অভিযোগত ৰাজদ্ৰোহৰ অভিযোগত জামিন দিয়াৰ পাছতে নতুন গোচৰ আৰোপ কৰা হয়। দাসৰ অধিবক্তাই অভিযোগবোৰ মিছা বুলি দাবী কৰে।

# পাকিস্তানৰ পুঁজি হ্ৰাস কৰিবলৈ এডিবিক দাবী ভাৰতৰ

**নতুন দিল্লী, ৫ মে':** এছিয়ান ডেভেলপমেণ্ট বেংকক পাকিস্তানৰ পুঁজি হ্ৰাস কৰিবলৈ দাবী জনাইছে ভাৰতে। ২২ এপ্ৰিলত ২৬ জন লোকৰ মৃত্যু হোৱা পহেলগামৰ ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত চুবুৰীয়া দেশখনৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ পদক্ষেপৰ পাছত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে সোমবাৰে এছিয়ান ডেভেলপমেণ্ট বেংকৰ সভাপতি মাচাটো কান্দাৰ সৈতে হোৱা বৈঠকত পাকিস্তানৰ বাবে পুঁজি হ্ৰাস কৰিবলৈ দাবী জনায়। উল্লেখ্য, ২০২৪ চনলৈকে পাকিস্তানক এছিয়ান ডেভেলপমেণ্ট বেংকে ৫৩ টা ঋণ আৰু ৩ টা অনুদান প্ৰদান কৰিছে যাৰ মুঠ মূল্য ৯.১৩ বিলিয়ন ডলাৰ। পাকিস্তানক গ্ৰে' তালিকাত অন্তৰ্ভুক্ত কৰাৰ দাবী জনাই ভাৰত ফাইনেন্সিয়েল একচন টাস্ক ফৰ্চৰো কাষ চাপিব। পেহেলগাম আক্ৰমণৰ পিছৰে পৰা ভাৰতে পাকিস্তানৰ সৈতে সিন্ধু জল চুক্তি স্থগিত ৰাখিছে। সকলো পাকিস্তানী নাগৰিকক নিষিদ্ধ কৰা হৈছে আৰু তেওঁলোকক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ভাৰত এৰি পাকিস্তানলৈ উভতি যাবলৈ নিৰ্দেশ দিয়া হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘নিৰ্বাচনসমূহ আমি গণতন্ত্ৰৰ উৎসৱ

পঞ্চায়ত নিৰ্বাচনো গুৰুত্বপূৰ্ণ বুলি ধৰি লৈ এইবাৰ আমি পূৰ্বপৰিকল্পিতভাৱে প্ৰচাৰ চলাইছো। বিৰোধী ঐক্য মঞ্চ ভেজাল হৈ থৰক-বৰক হোৱাৰ বিপৰীতে আমাৰ এন ডি এৰ সকলো দলৰ কৰ্মকৰ্তা এই পঞ্চায়ত নিৰ্বাচনত ঐক্যবদ্ধ হৈ অৱতীৰ্ণ হৈছে। ৰাইজে যিদৰে আমাক সমৰ্থন জনাইছে তাৰ পৰাই বুজিব পাৰি এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু মিত্ৰজোঁটে বৃহৎ সাফল্য লাভ কৰিব। তেওঁ কয়, এইবাৰ নিৰ্বাচনত গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণৰ বিষয়টো ওলাইছে। সেইটো আহিব কিয়নো গৌৰৱ গগৈৰ বিষয়টো গুৰুত্বপূৰ্ণ। তেওঁ কয়, গৌৰৱ গগৈক প্ৰশ্ন কৰাটো ভুল নে উত্তৰ নিদিয়াটো ভুল সেইটো ৰাইজে জানিব বিচাৰিছে। গৌৰৱ গগৈয়ে উত্তৰ দিব লাগিবই বুলিও কয়। যিহেতু বিষয়টো প্ৰাসংগিক সেয়েহে প্ৰতিজন ভোটাৰে জানিব বিচাৰিছে বুলিও কয়। সভাপতি শইকীয়াই কয়, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই পঞ্চায়ত নিৰ্বাচন উপলক্ষে মুঠ ২৬ খন বিজয় সংকল্প সমাবেশত সম্বোধন কৰিছে। সেইদৰে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৩১ খন আৰু সভাপতি হিচাপে মই ৩৮ খন বিশাল জনসভা আৰু ১৩ খন কাৰ্যকৰ্তা সভাত অংশগ্ৰহণ কৰিলো। সেইদৰে মিত্ৰদল অগপ, ৰাভা হাছং যৌথ মঞ্চকে ধৰি প্ৰতিটো দলৰ নেতৃবৃন্দই অশেষ কষ্ট কৰি পঞ্চায়ত নিৰ্বাচনত জঁপিয়াই পৰিছে। দুৰ্নীতিমুক্ত পঞ্চায়ত গঠন কৰাৰ স্বাৰ্থত নিকা ভাবমূৰ্তিৰ প্ৰাৰ্থীৰ হকে ভোটদান কৰিবলৈ দলে-বলে ৰাইজক ওলাই আহিবলৈ আহ্বান জনাই তেওঁ কয়, ১৫ টা প্ৰধান সংকল্প আগত ৰাখি আমি আগবাঢ়িছো। নিৰ্বাচনৰ পিছত এই সংকল্প কেইটা সাকাৰ ৰূপ দিয়া হ'ব। ৰাইজৰ শাসন ৰাইজৰ হাতত তুলি দিয়া হ'ব। ১০০০ তকৈ অধিক গীত ওলাইছে। জিলাবিলাকৰ গান ভাল হৈছে। কাৰ্যকৰ্তাই গোৱা গান ভাল হৈছে। লোকসভা, বিধানসভা যেনেকৈ গুৰুত্বপূৰ্ণ সেইদৰে পঞ্চায়ত নিৰ্বাচনো আমাৰ কাৰণে গুৰুত্বপূৰ্ণ বুলি ধৰি লৈ আগুৱাইছিলো। পূৰ্বপৰিকল্পিতভাৱে প্ৰচাৰ চলাই ২০২৬ চনৰ নিৰ্বাচনৰ আগত এই নিৰ্বাচনক সহজভাৱে লোৱা নাছিলো। ইয়াৰ ফল আমি পাম। সংগঠন শক্তিশালী কৰিলো। সংবাদ মেলত ৰাজ্যিক বিজেপিৰ উপ-সভাপতি ৰেখাৰাণী দাস বড়ো, প্ৰাক্তন বিধায়ক গুৰুজোতি দাস, জিলা বিজেপিৰ প্ৰভাৰী অনুপ কুমাৰ বৰ্মন, দৰং জিলা বিজেপিৰ সভাপতি মকুন্দ ডেকাই অংশগ্ৰহণ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সোণাপুৰ- দুৰুঙত মন্ত্ৰী পীযুষ

সন্থাৰ খেলপথাৰত বিজেপি গুৱাহাটী মহানগৰ জিলা আৰু সোণাপুৰ মণ্ডলৰ উদ্যোগত অনুষ্ঠিত বিশাল সভাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে শ্ৰদ্ধাৰ ভোটাৰ ৰাইজক দলে-বলে ওলাই আহি নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি বিজেপি মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰি শক্তিশালী পঞ্চায়ত গঠনত অৰিহণা যোগাবলৈ আহ্বান জনায়। সভাত কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি পাকিস্তানৰ সমৰ্থক কংগ্ৰেছ দলক ভোট নিদিবলৈ ৰাইজক আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে পাকিস্তানৰে সম্পৰ্ক ৰক্ষা কৰি বিতৰ্কৰ মাজত সোমাই পৰা কংগ্ৰেছ দলৰ সাংসদ গৌৰৱ গগৈক তুলা-ধূনা দিয়ে। বিজেপি চৰকাৰৰ দিনত অসমত হাস্পতালতকৈ মদৰ দোকান বেছি হৈছে বুলি কংগ্ৰেছ দলৰ সাংসদ গৌৰৱ গগৈয়ে কৰা মন্তব্য সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে গৌৰৱ গগৈ ডাঙৰীয়া আপুনি হিচাপটো নাজানে। আপুনি অসমত নাথাকে, অসমৰ বায়ু-পানীৰ লগত আপোনাৰ সম্পৰ্ক কম, আপুনি পাকিস্তানী সমৰ্থক, আপোনাৰ ল'ৰা-ছোৱালী ইংলেণ্ডৰ নাগৰিক, গতিকে অসমৰ লগত আপোনাৰ সম্পৰ্ক কম। মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলৰ নেতাসকলে কিছুমান কথা পাহৰিলে বুলি উল্লেখ কৰি কয় যে কংগ্ৰেছ দলে অসমখন ৬০ বছৰ চলাই অসমত মেডিকেল কলেজ বনাইছিল মাত্ৰ ৬ খন। কিন্তু বিজেপি চৰকাৰ শাসনত বহি অসমত মেডিকেল কলেজ বনালে ১৯ খন। কেইদিনমান পিছত দৰঙত আন এখন মেডিকেল কলেজ হ'ব। গতিকে ইয়াকে লৈ বিজেপি চৰকাৰে প্ৰায় ১০ বছৰত অসমত ২০ খন মেডিকেল কলেজ নিৰ্মাণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে ৰাইজক অৱগত কৰে। এতিয়া জিলাই জিলাই ৰাজ্যত মেডিকেল কলেজ নিৰ্মাণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে এপিএছচি কেলেংকাৰি সন্দৰ্ভত বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ কথা উল্লেখ কৰি কংগ্ৰেছ দলক সমালোচনা কৰি কয় যে কংগ্ৰেছ দলে তেওঁলোকৰ শাসন কালত ৰাকেশ পালক অনিয়মেৰে এপিএছচিৰ অধ্যক্ষ হিচাপে নিযুক্তি দিছিল। সেই সময়ত কংগ্ৰেছ দলৰ মুখ্যমন্ত্ৰী আছিল প্ৰয়াত তৰুণ গগৈ। তৰুণ গগৈয়ে অন্যায় কৰি ৰাকেশ পালক অধ্যক্ষ নিযুক্তি দি দুৰ্নীতি কৰাৰ লাইচেন্স দি দিছিল। আয়োগৰ প্ৰতিবেদনৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে পুনৰ কয় যে ৰাকেশ পালে তৰুণ গগৈৰ পুত্ৰ সাংসদ গৌৰৱ গগৈক বিয়াত সোণৰ অলংকাৰ উপহাৰ দিছিল। আনকি প্ৰতিবেদনখনত উল্লেখ থকা মতে, অসমীয়া ছোৱালীয়ে এপিএছচি চাকৰিৰ কাৰণে সতীত্ব দিব লগা হৈছিল বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে এই সকলোবোৰ কংগ্ৰেছৰ দিনত হৈছিল। কিন্তু এতিয়া সেই পৰিৱেশ নাই। বিজেপিৰ দিনত ডেৰ লাখ চাকৰি দিয়া হ'ল, কিন্তু ক'তো এটা টকাৰো দুৰ্নীতি হোৱা নাই। কাৰণ এইখন ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ, এইখন বিজেপিৰ চৰকাৰ, এইখন এজিপিৰ চৰকাৰ। এই চৰকাৰৰ দিনত কোনেও এটা টকাৰো দুৰ্নীতি কৰিবলৈ সাহস কৰিব নোৱাৰে বুলি মন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে উল্লেখ কৰে। সভাত মন্ত্ৰীগৰাকীয়ে বিজেপি চৰকাৰৰ বিভিন্ন উন্নয়নমূলক কাম, জনহিতৈষী আঁচনি আদিৰ বিষয়ে উল্লেখ কৰে। উল্লেখ্য যে আজি ভাষণ দিয়াত কৈ ভোটাৰ ৰাইজৰ সৈতে বিজেপি চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন উন্নয়নমূলক কাম, আঁচনি সন্দৰ্ভত দীঘলীয়া সময় ধৰি বাৰ্তালাপ কৰে। সভাত জ্যেষ্ঠ বিধায়ক অতুল বৰা, বিধায়ক সঞ্জয় কিষাণ, প্ৰাক্তন সাংসদ কুইন ওজা, এএছটিচিৰ উপাধ্যক্ষ প্ৰণৱজ্যোতি লহকৰ, অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ড০ তপন দাসৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে দুৰুঙত বিজেপিৰ গুৱাহাটী মহানগৰ জিলা আৰু ডিমৰীয়া মণ্ডল সমিতিৰ উদ্যোগত অনুষ্ঠিত আন এখন 'বিজয় সংকল্প সমাৱেশ'ত উপস্থিত থাকি ভাষণ দাঙি ধৰে। সভাত ৰাইজৰ অংশগ্ৰহণ, পাৰভঙা উছাহ, সমৰ্থন প্ৰত্যক্ষ কৰি মন্ত্ৰীগৰাকী অভিভূত হৈ পৰে। শক্তিশালী পঞ্চায়ত তথা সমৃদ্ধিশালী অসম গঢ়াৰ উদ্দেশ্যে ভোটাৰ ৰাইজক মন্ত্ৰীগৰাকীয়ে বিজেপি মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰিবলৈ মই আহ্বান জনায়। এইখন সভাতো জ্যেষ্ঠ বিধায়ক অতুল বৰা, এএছটিচিৰ উপাধ্যক্ষ প্ৰণৱজ্যোতি লহকৰ আদিৰ লগতে যথেষ্টসংখ্যক দলীয় কাৰ্যকৰ্তা, শুভাকাংক্ষী উপস্থিত থাকে।

# জীৱশ্ৰেষ্ঠৰ বৰ্বৰ কাণ্ড, পোহনীয়া কুকুৰৰে বলপূৰ্বক অভিসাৰত লিপ্ত হৈ আটক হ'ল মৰিগাঁৱৰ ব্যৱসায়ী নাৰায়ণ দাস

**ই-সংবাদ, মৰিগাঁও, ৫ মে':** জীৱশ্ৰেষ্ঠ মানৱ সমাজক লজ্জানত কৰি মৰিগাঁও চহৰৰ এজন ব্যৱসায়ীয়ে এটি কুকুৰৰ সৈতে বলপূৰ্বক অভিসাৰত লিপ্ত হৈ আৰক্ষীৰ হাতত আটক হোৱা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, চহৰখনৰ নাৰায়ণ দাস (নাৰু) নামৰ ব্যৱসায়ীজনে কেইদিনমান পূৰ্বে নিজৰে পোহনীয়া কুকুৰটোৰ সৈতে বলপূৰ্বক অভিসাৰত লিপ্ত হয়। কিন্তু এই সমগ্ৰ ঘটনা চিচি টিভি কেমেৰাত আবদ্ধ হৈ পৰে আৰু পৰৱৰ্তী সময়ত এই দৃশ্য ভাইৰেল হৈ পৰে। এই সন্দৰ্ভত আজি ৰাজ্যখনৰ কেইবাটাও সংস্থাৰ বিষয়ববীয়াই মৰিগাঁও সদৰ থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে নাৰু নামেৰে কুখ্যাত বিতৰ্কিত এই লোকজনক আটক কৰে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ দল ইঞ্জিন নথকা গাড়ী, মন্ত্ৰী

কামৰূপ(ম)ৰ আমচিং যোৰাবাটত ভাৰতীয় জনতা পাৰ্টিৰ গুৱাহাটী মহানগৰ জিলাৰ উদ্যোগত আয়োজিত 'বিজয় সংকল্প সমাৰেশ'ত অংশগ্ৰহণ কৰি এইদৰে মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। ৰাইজক সম্বোধন কৰি তেওঁ কয় যে কেন্দ্ৰত বিজেপিৰ চৰকাৰ, ৰাজ্যত বিজেপিৰ চৰকাৰ আৰু এই অঞ্চলত যদি পঞ্চায়তত বিজেপি-মিত্ৰজোঁট নাথাকে, তেতিয়াহ'লে এই অঞ্চলত বেলেগৰ কাম কৰাৰ কোনো সুবিধাই নাই। গতিকে এই পৰিৱেশৰ মাজত যি হ'ব আমাৰ বিজেপি দলৰ নেতৃত্বত, আমাৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বতে হ'ব লাগিব। সভাত মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ সমস্যাবিলাক পৰ্যায়ক্ৰমে সমাধান কৰাৰো প্ৰতিশ্ৰুতি দি কয় যে বিকাশ আৰু উন্নয়নৰ লগতে আটাইতকৈ ডাঙৰ কথা হ'ল আজি আমি কোন দলৰ লগত, কোন চৰকাৰৰ লগত সুৰক্ষিত অনুভৱ কৰো। মন্ত্ৰীগৰাকীয়ে কিছুদিন পূৰ্বে কাশ্মীৰৰ পেহেলগামত সংঘটিত বৰ্বৰ হত্যাকাণ্ডৰ প্ৰসংগ উত্থাপন কৰি কয় যে আজি এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি হৈছে যে পেহেলগামত পাকিস্তানৰ পৰা উগ্ৰপন্থীয়ে আহি ২৮ জনকৈ মানুহক কেৱল হিন্দু হোৱা বাবে গুলীয়াই থৈ গৈছে। আমি সকলো এই ঘটনাত ম্ৰিয়মান হৈ আছো। আমি কোনেও এই ঘটনা সহজভাৱে ল'ব পৰা নাই। আজি আমি এই ঘটনাৰ প্ৰতিশোধ বিচাৰিছো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমান দায়িত্বৰে এই প্ৰতিশোধ ল'বলৈ সাজু হৈছে। কিন্তু এই সময়তো যদি চায় অসমত এনেকুৱা কিছুমান ঘটনা ঘটি আছে, কিছুমান দলৰ সাংসদ, বিধায়ক ইত্যাদিৰ পাকিস্তান, বাংলাদেশৰ প্ৰতি থকা প্ৰেমৰ তেওঁলোকৰ কিছুমান বক্তব্যত ফেচবুকত দেখিবলৈ পাইছো। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈক সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অসমত এনেকুৱা এজন সাংসদ আছে যিজন সাংসদে গোপনে পাকিস্তানলৈ গৈ ১৫ দিন কটাই আহিল, কিন্তু কাকো উত্তৰ নিদিয়ে। তেওঁ কিয় গৈছিল, কাক কাক লগ কৰিছিল, কোন মল্লাৰ লগত কথা পাতিছিল- এই কথাৰ আজি উত্তৰ নিদিয়ে সাংসদজনে। অসমত আজি এনেকুৱা পৰিৱেশ। অসমৰ এজন প্ৰাক্তন মুখ্যমন্ত্ৰী, যিয়ে ১৫ বছৰ ধৰি অসমত শাসন কৰিছিল, তেওঁৰ নাতি ল'ৰা, সাংসদগৰাকী পুত্ৰই আজি ভাৰতীয় নাগৰিকত্ব নলয়। সাংসদগৰাকীৰ সন্তানে ভাৰতীয় নাগৰিকত্ব লৈছে নে নাই এই প্ৰশ্নৰো সাংসদগৰাকীয়ে উত্তৰ নিদিয়ে। তেওঁৰ ল'ৰা-ছোৱালী ব্ৰিটিছেই নে ভাৰতীয়েই সেই কথাও সন্দেহৰ আবৰ্তত বুলি কয় মন্ত্ৰীগৰাকীয়ে। এই কথাবিলাক অসম তথা ভাৰতৰ ভৱিষ্যতৰ কাৰণে এটা ভয়াৱহ ইংগিত বুলি উল্লেখ কৰি তেওঁ কয় যে যিখন ৰাষ্ট্ৰৰ লোকসভাৰ বিৰোধী দলৰ উপ-দলপতিগৰাকী এনেকুৱা ধৰণৰ কথাত জড়িত হৈ থাকে যে তেওঁৰ ল'ৰা-ছোৱালী কেতিয়াও ভাৰতীয় নহয়, ব্ৰিটিছৰ নাগৰিকত্ব লৈ থৈছে, সেইখন দেশত কংগ্ৰেছ দল জাতিটোৰ বাবে, ভাৰতীয়ৰ বাবে কিমান ভয়াৱহ হ'ব পাৰে বুলি উদ্বিগ্নতা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে পুনৰ কয় যে আজি সাংসদগৰাকীৰ পত্নীয়ে পাকিস্তানৰ এটা এনজিঅ'ৰ পৰা দৰমহা লয়। ভাৰতবৰ্ষত চাকৰি কৰে, পাকিস্তানৰ পৰা দৰমহা লয়, ইয়াৰো উত্তৰ সাংসদগৰাকীয়ে নিদিয়ে। সাংসদগৰাকীৰ পত্নীও বিদেশী, ল'ৰা-ছোৱালীও বিদেশী, দেশত কিবা গণ্ডগোল লাগিলে বিদেশলৈ পলাই গুচি যাব, ইয়াৰো প্ৰস্তুতি চাগে তেওঁ চলাই আছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰি কয় যে গতিকে এইবিলাক মানুহৰ নেতৃত্বত কংগ্ৰেছ দলটো কি পৰ্যায়ত আছে আপোনালোকে জানে। সেই কাৰণে এইবাৰ নিৰ্বাচনত এই কথাবিলাকৰ উচিত জবাব দিব লাগিব মন্ত্ৰীগৰাকীয়ে ৰাইজক উদ্দেশ্যি কয়। পাকিস্তানৰ লগত যি দল থাকে সেই দলক ভাৰতবৰ্ষত নিঃশেষ কৰি পেলোৱাটো আমাৰ দায়িত্ব বুলি উল্লেখ কৰি নিৰ্বাচনৰ জৰিয়তে আমি তেওঁলোকক নিঃশেষ কৰি দেখুৱাব লাগিব বুলি কয়। তেওঁ পুনৰ কয় যে কংগ্ৰেছ শূন্য পৰিৱেশ এটা আজি আমি ইয়াত কৰি দেখুৱাব লাগিব। কাৰণ কোনো মানুহক ৰাষ্ট্ৰীয়তাবাদৰ লগত, দেশৰ সুৰক্ষাৰ লগত আপোচ কৰিবলৈ দিয়া নহ'ব। দেশৰ সুৰক্ষাৰ প্ৰতি যি ভয় আছে, সেই ভয়ৰ উত্তৰ আমি দিব লাগিব। মন্ত্ৰীগৰাকীয়ে সুৰক্ষাৰ দিশটোত গুৰুত্ব দি ভোটাৰ ৰাইজক কংগ্ৰেছক ইয়াৰ পৰা উৎখাত কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে সভাত চৰকাৰী বিভিন্ন উন্নয়নমূলক, জনহিতৈষী আঁচনিৰ বিষয়েও ৰাইজক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে মিত্ৰজোঁটৰ কাৰ্যকৰ্তা, সমৰ্থক আৰু শুভাকাংক্ষীৰ প্ৰচণ্ড উৎসাহ আৰু ৰাইজৰ অকুণ্ঠ সমৰ্থন দেখিবলৈ পাই অভিভূত হৈ পৰে আৰু নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে বিপুল ভোটৰ ব্যৱধানত বিজয় সাব্যস্ত কৰিব বুলি উল্লেখ কৰে। সভাত ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, গুৱাহাটী মহানগৰ জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰভাৰী বিজয় গুপ্তা, জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীসকল আৰু অন্যান্য নেতা-কৰ্মী উপস্থিত থাকে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে বিজেপিৰ বৰপেটা জিলাৰ দ্বাৰা আয়োজিত আন এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বৰপেটাৰ কাছুমাৰা আণ্ডাভাঙা মহচৰা বজাৰ প্ৰাংগণত অনুষ্ঠিত সভাখনত মন্ত্ৰীগৰাকীয়ে অহা ৭ মে'ত অনুষ্ঠিতব্য পঞ্চায়ত নিৰ্বাচনত ৰাইজক বিজেপি আৰু মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থীক তেওঁলোকৰ বহুমূলীয়া ভোটদানেৰে দুৰ্নীতিমুক্ত আৰু জনহিতৈষী পঞ্চায়তীৰাজ ব্যৱস্থা গঠন কৰি বিকশিত গ্ৰাম্যাঞ্চল নিৰ্মাণত সহায় কৰিবলৈ আহ্বান জনায়। এই সভাত আলোপতি কাছুমাৰা মণ্ডল সভাপতি জাকিৰ হুছেইন, বৰপেটা জিলা প্ৰভাৰী আমানুৰ ৰহমান খান, কাছুমাৰা আণ্ডাভাঙা মহচৰা বজাৰ উন্নয়ন সমিতিৰ সভাপতি আলহাজ মোগবুল হুছেইন, জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীসকল আৰু অন্যান্য নেতা-কৰ্মী উপস্থিত থাকে।

## পঞ্চায়ত নিৰ্বাচনক লৈ নলবাৰীৰ গাঁৱে গাঁৱে ব্যস্ততা তুংগত

# ঘগ্ৰাপাৰত মিত্ৰজোঁটৰ পদযাত্ৰা, কংগ্ৰেছৰ ঘৰে ঘৰে প্ৰচাৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৫ মে':** ৭ মে'ত নলবাৰী জিলাত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ আজি অন্তিম দিনা ঘগ্ৰাপাৰ জিলা পৰিষদ আৰু পশ্চিম বনভাগ জিলা পৰিষদ সমষ্টিত শাসকীয় দল বিজেপি-অগপৰ মিত্ৰদলৰ প্ৰাৰ্থীসকলে নিজৰ গাঁৱে গাঁৱে পদযাত্ৰা কৰি নিৰ্বাচনী প্ৰচাৰ কৰা বিপৰীতে কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলে ভোটাৰ ৰাইজৰ ঘৰে ঘৰে হৈ ভোট ভিক্ষা কৰে। ইয়াৰ পৰিপ্ৰেক্ষিত ঘগ্ৰাপাৰ জিলা পৰিষদৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ডিম্বেশ্বৰ বেজবৰুৱাই নিজ বুথ পৈছাৰাত এক বৃহৎ পদযাত্ৰাত অংশগ্ৰহণ কৰি সকলো ভোটাৰ ৰাইজক মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ আহবান জনোৱাৰ লগতে মিত্ৰজোঁটৰ প্ৰাৰ্থী ১০০ শতাংশ বিজয় হ'ব বুলি দাবী কৰে। আনহাতে ১৯ নং ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ মিত্ৰদলৰ প্ৰাৰ্থী দিপাঞ্জু দাসে নিজৰ গাঁও কটকীয়াত পদযাত্ৰা উলিয়াই নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বিপৰীতে পঞ্চায়তখনৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ কংগ্ৰেছৰ প্ৰাৰ্থী অনিতা দাসে ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। ইফালে পঞ্চায়তখনৰ অন্তৰ্গত ৬ নং ৱাৰ্ডৰ পশ্চিম বিলপাৰ গাঁৱৰ সদস্য পদৰ মনোনীত তথা বিজেপি সমৰ্থিত প্ৰাৰ্থী মনোৰঞ্জন ডেকাৰ সমৰ্থনত বৃহৎ পদ যাত্ৰাৰে নিৰ্বাচনী প্ৰচাৰ চলাই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। ইফালে একেখন গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ ৱাৰ্ড বুৰবুৰীৰ গাঁওসভাৰ সদস্য পদৰ বিজেপি সমৰ্থিত প্ৰাৰ্থী ৰন্টু শৰ্মাৰ সমৰ্থনত এক পদযাত্ৰা উলিওৱা হয়। প্ৰখৰ ৰ'দকো নেওচি গাঁওখনৰ ভোটাৰ ৰাইজ হিল-দ'ল ভাঙি প্ৰাৰ্থীৰ সমৰ্থনত ওলাই আহে। ইফালে নলবাৰী সমষ্টিৰ পশ্চিম বনভাগ জিলা পৰিষদৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী হিতেশ ব্ৰহ্মই সমষ্টিটোৰ কেইবাটাও পদযাত্ৰাত অংশগ্ৰহণ কৰাৰ লগতে বৰাজোল, আকনা, সঠৌম, কাটুৰীয়া আদিত উলিওৱা পদযাত্ৰাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। আনহাতে একেখন জিলা পৰিষদৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী নৱজিৎ কলিতাই পৃথকে দলীয় কৰ্মীক লগত লৈ নিৰ্বাচনী প্ৰচাৰ চলাই ভোটাৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। উক্ত জিলা পৰিষদখনত এইবাৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী হিতেশ ব্ৰহ্মা আৰু অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী নৱজিৎ কলিতাৰ মাজতে যে মূল যুঁজ হ'ব সেয়া বিভিন্ন মহলত চৰ্চা হৈছে।

# ডিব্ৰুগড়ত অনুৰাধা শৰ্মা পূজাৰীক ‘জয়মতী বঁটা’ প্ৰদান

**ই-সংবাদ, ডিব্ৰুগড়, ৫ মে':** 'মোৰ বাবে জয়মতী সন্মান এটা বঁটা নহয়, ই এক আশীৰ্বাদ, জয়মতীৰ আশীৰ্বাদ, আপোনালোকৰ আশীৰ্বাদ। এনেদৰে ডিব্ৰুগড় লেডিজ ক্লাবৰ উদ্যোগত স্থানীয় জিমখানা ক্লাবত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'জয়মতী বঁটা' গ্ৰহণ কৰি এই মন্তব্য কৰে বিশিষ্ট ঔপন্যাসিক, সাংবাদিক ‘মেৰেং’ ৰ স্ৰষ্টা অনুৰাধা শৰ্মা পূজাৰীয়ে। তেওঁ আৰু কয় যে 'ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা মহিলাসকলে ডিব্ৰুগড়ত এটা অনুষ্ঠান দীৰ্ঘদিন ধৰি চলাই আহি অসমৰ স্বনামধন্য, অসমীয়াৰ গৰ্ব জয়মতীৰ নামত বঁটা প্ৰদান কৰি আহিছে। ইমান ডাঙৰ কাম কৰিছে আৰু এতিয়ালৈকে যিসকল মহিলাক এই সন্মান দিছে তাৰ ভিতৰত বিৰুবালা ৰাভাৰ কথা, মলয়া গোস্বামীৰ কথা গম পাইছোঁ। মই এইটো আশা কৰিছোঁ এদিন যেন অসমলৈ বিশিষ্ট অৱদান আগবঢ়োৱা নাৰীক এই বঁটা দিয়াৰ দৰে যিসকল অসমৰ মাৰোৱাৰী, এতিয়া অসমৰ মানুহ, তেওঁলোকে অসমলৈ দিয়া বিশেষ অৱিহণাৰ বাবে এই জয়মতী সন্মান দিব পাৰোঁ। যি অসমৰ মাটিত আছে, বায়ু-পানী খাই আছে। কিন্তু পূৰ্বতে তেওঁলোক অসমৰ নহয়, তেওঁলোকৰ কথা কৈছোঁ। উদাহৰণস্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালাৰ পূৰ্বপুৰুষ অসমৰ নহ'লেও, সাহিত্য-সংস্কৃতিলৈ সকলো অৱদান অসমীয়াক দি গ'ল। গতিকে তেওঁৰ দৰে কোনোবাই যদি অসমলৈ কিবা দিয়ে তেনে ব্যক্তিক জয়মতী বঁটা দিব লাগে। জয়মতী শব্দটোৱেই হৈছে দেশপ্ৰেমৰ প্ৰতীক। আমি ভাৰতবৰ্ষত আছোঁ, অসমত আছোঁ। গতিকে ভাৰতবৰ্ষক ভালপোৱা, অসমক ভালপোৱা সেইটো ডাঙৰ কথা। তেওঁ লগতে কয় যে সতী জয়মতীৰ সতীটো সতৰ পৰা আহিছে। জয়মতীয়ে নিজে ৰাণী হ'ম বুলি তেনে কৰা নাছিল। তেওঁ কৰিছিল দেশৰ ভৱিষ্যতৰ বাবে।' বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰি ডিব্ৰুগড় লেডিজ ক্লাবৰ সভানেত্ৰী সৰিতা চাহেৰালাই কয় যে ৬১ বছৰ পূৰ্বণি এই ক্লাবে ১৯৮৭ চনৰ পৰাই অসমৰ সমাজ আৰু জাতীয় জীৱনলৈ বিশেষ অৱিহণা যোগাই অহা বিশিষ্ট মহিলাসকলক দুবছৰৰ মূৰে মূৰে 'জয়মতী বঁটা' প্ৰদান কৰি আহিছে। জয়মতী আছিল সেইগৰাকী মহীয়সী নাৰী যি দেশপ্ৰেম, ত্যাগ, সাহস, মমতাময়ী সত্তা আৰু জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ জীৱন বিসৰ্জন দিছিল। সুমন পোদ্দাৰে সঞ্চালনা কৰা অনুষ্ঠানটিৰ আঁত ধৰে ক্লাবৰ সম্পাদিকা পুনিতা চাওলাই। গণেশ বন্দনা কৰে ৰচনা গাৰোডিয়া আৰু প্ৰতিভা বাৰ্মাই, বিহু নৃত্য পৰিৱেশন কৰে শাৰদী গগৈয়ে। আদৰণী গীত পৰিৱেশন কৰে ড° অদিতি বৰুৱা, ৰিতু বৰুৱা, ত্ৰিবেণী বৰদলৈ আৰু শাৰদী দাসে। বন্তি প্ৰজ্বলন কৰে অনুৰাধা শৰ্মা পূজাৰী, সুমন পোদ্দাৰ, কল্পনা খাউণ্ড, সৰিতা চাহেৰালা আৰু পুনিতা চাওলাই। অনুষ্ঠানত প্ৰমীলা চহৰীয়া, ৰত্নাৱলী বৰুৱা, সন্তোষ টোদী, প্ৰীতি কাৰোৱা, একতা বাগৰীয়া, অঞ্জলি মোদী আদি ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# সত্ৰশালত বিজেপিৰ ভিতৰতে বঙহৰ যুঁজ! মাছ-মঙহ খাবলৈ ঘৰে ঘৰে ধন বিতৰণ

**ই-সংবাদ, গোলকগঞ্জ, ৫ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ জিলা পৰিষদৰ ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশাল গাঁও পঞ্চায়তৰ ঝসকাল আঠ নং ৱাৰ্ডত যোৱা নিশা ভোটাৰক প্ৰলোভিত কৰিবলৈ ধন বিতৰণৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে দীৰ্ঘদিনে বিজেপিৰ দখলত থকা পঞ্চায়তখনৰ সভাপতি পদৰ বাবেই নিৰ্বাচনৰ পূৰ্বেই বিজেপি দলৰ ভিতৰতে বোকা ছটিওৱা ৰাজনীতি নিৰ্বাচনৰ দিন ঘোষণাৰ দিনৰ পৰাই আৰম্ভ হৈছে। জানিব পৰা মতে, আঠ নং ৱাৰ্ডৰ সদস্য পদৰ বাবে বিমল চন্দ্ৰ মণ্ডল আৰু সুৰেশ চন্দ্ৰ ৰায় (হিতেন) নিৰ্দলীয় প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হয়। দুয়োগৰাকীয়ে বিজেপি কৰ্মী যদিও এইবেলি পঞ্চায়ত নিৰ্বাচনৰ নিয়ম অনুসৰি সকলোৱে নিৰ্দলীয় হিচাপে অৱতীৰ্ণ হ'ব লগা হয়। দুয়োৰে মাজত নিৰ্বাচনী যুঁজ আৰম্ভণিৰে পৰা আকৰ্ষণীয় হৈ পৰিছে। কিয়নো বিমল মণ্ডল যোৱাটো কাৰ্যকালত কাউন্সিলৰ আছিল। এইবাৰ সদস্য পদত জিকিলে সভাপতি পদৰ বাবে মুখ্য দাবীদাৰ হৈ পৰিব। ইয়াৰ বিপৰীতে যোৱাটো কাৰ্যকালৰ সভাপতি কৃষ্ণকমল সৰকাৰৰ পত্নী জেউতী বৰ্মনো এইবাৰ সদস্য হিচাপে ৰামৰাইকুঠী ৩ নং ৱাৰ্ডত অৱতীৰ্ণ হৈছে। তেওঁৰো লক্ষ্য এটাই। দুয়োজনে নিৰংকুশ হোৱাৰ বাবে ইজনে সিজনক হৰুওৱাৰ পৰিকল্পনা ইতিমধ্যে আৰম্ভ কৰা বুলি চৰ্চিত হৈ আছে। তাৰ মাজতে আজি একাংশ লোকৰ অভিযোগ, যোৱানিশা দহ বজাত প্ৰাৰ্থী সুৰেশ চন্দ্ৰ ৰায়, নৰেশ, ফুলেশ্বৰ ৰায়, দেৱজিৎ, মিঠু আদিয়ে ভোটাৰৰ ঘৰলৈ গৈ মাছ-মঙহ খোৱাৰ বাবে বেলট পেপাৰৰ লগত এক-ডেৰ হাজাৰকৈ টকা বিতৰণ কৰে। আজি পুৱা ইয়াকে কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। দলটোৱে পদুম ফুলৰ সলনি হাতৰ ছবিত ভোট দিবলৈ কোৱা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে। পুৱা বিমলৰ সমৰ্থনকাৰীয়ে বিমল মণ্ডল জিন্দাবাদ, সুৰেশ চন্দ্ৰ ৰায় মুৰ্দাবাদ আদি ধ্বনিৰে গাঁওখনত উত্তাল প্ৰতিবাদ কৰে। ইপিনে সুৰেশে ইয়াক ৰাজনৈতিক ষড়যন্ত্ৰ বুলি মত প্ৰকাশ কৰে।

# জাতিগত জনগণনাক আদৰণি গৰিয়া জাতীয় পৰিষদৰ

**ই-সংবাদ, ৫ মে':** ভাৰত চৰকাৰে অহা লোকপিয়লত জাতি-জনগোষ্ঠীসমূহৰ জনগণনা কৰিবলৈ লোৱা সিদ্ধান্তক আদৰণি জনাইছে সদৌ অসম গৰিয়া জাতীয় পৰিষদে। সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ সভাপতি মইনুল ইছলাম আৰু সাধাৰণ সম্পাদক মীৰ আৰিফ ইকবাল হুছেইনে আজি এক বিবৃতিযোগে আদৰণি জনাইছে। কেন্দ্ৰীয় চৰকাৰক আদৰণি জনালেও ৰাজ্য চৰকাৰে জনগোষ্ঠীয় পৰিচয় উদ্ধাৰৰ বাবে পূৰ্বে ঘোষণা কৰিও কাৰ্যকৰী নকৰাত সদৌ অসম গৰিয়া জাতীয় পৰিষদে ক্ষোভ ব্যক্ত কৰিছে। বিবৃতিত সংগঠনটোৱে কয় যে কেন্দ্ৰীয় চৰকাৰে অহা লোকপিয়লত জাতি-জনগোষ্ঠীসমূহৰ জনগণনা কৰিবলৈ লোৱা সিদ্ধান্তক আমি আদৰণি জনাইছো। আমি সদায় অসমত প্ৰচলিত অনৈতিক, বেআইনী ‘অসমীয়া মুছলমান’ সংজ্ঞাৰ বিৰোধিতা কৰি জনগোষ্ঠীয় পৰিচয়েৰে সকলোকে চিনাক্তকৰণ প্ৰক্ৰিয়া কৰিবলৈ অসম চৰকাৰক দাবী জনাই আহিছো।

দুৰ্ভাগ্যজনকভাৱে অসম চৰকাৰে এই ক্ষেত্ৰত জাতি জনগণনাৰ বিৰোধিতা কৰি বিহাৰ উচ্চ ন্যায়ালয়ত পঞ্জীয়নকৃত এটি গোচৰৰ দোহাই দি ব্ৰহ্মপুত্ৰ উপত্যকাৰ গৰিয়া, মৰিয়া, দেশী, চৈয়দ আৰু চাহ বাগানৰ প্ৰাক্তন শ্ৰমিক জহলাসকলক চিনাক্তকৰণ কৰিবলৈ নিজে ঘোষণা কৰা আৰ্থ-সামাজিক জৰীপৰ কাম আৰম্ভ নকৰাকৈ পিছুৱাই আছে। এনে পৰিস্থিতিত কেন্দ্ৰীয় চৰকাৰে অহা লোকপিয়লত দেশৰ সকলো জাতি-জনগোষ্ঠীসমূহৰ জনগণনা কৰাৰ ব্যৱস্থা কৰা সিদ্ধান্তই গৰিয়াসকলৰ লগতে নিষ্পেষিত আৰু অস্তিত্বৰ সংকটত ভোগা জনগোষ্ঠীসমূহৰ বাবে যথেষ্ট সহায়ক হ'ব। অৱশ্যে এইক্ষেত্ৰত কোনো বহিৰাগত বা বংগমূলীয় লোকসকলে যাতে গৰিয়াৰ পৰিচয় দি প্ৰস্তাৰিত লোকপিয়লৰ জৰিয়তে গৰিয়া হ'ব নোৱাৰে তাৰ বাবে বিষয়া-কৰ্মচাৰীসকলক বিশেষ প্ৰশিক্ষণ দিবলৈ দাবী জনালো। লগতে মৰিয়া আৰু বৰাক উপত্যকাৰ মাইমলৰ নামত প্ৰতিখন জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ পৰা জালিয়াতিৰে অনান্য পিছপৰা শ্ৰেণীৰ নামত ভুৱা প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰা কোনো লোক যাতে মৰিয়া বা মাইমল হিচাপে অন্তৰ্ভুক্ত হ'ব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈও চৰকাৰক দাবী জনাইছে সংগঠনটোৱে।

# পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুত নগাঁও জিলা প্ৰশাসন

**ই-সংবাদ, পুৰণিগুদাম, ৫ মে':** নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ সভাপতিত্বত অহা কাইলৈ ভোটগ্ৰহণৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰলৈ যাবলগীয়া বিষয়াসকলৰ সকলো সুবিধাৰ বুজ লোৱাৰ উদ্দেশ্যে পঞ্চায়ত নিৰ্বাচনৰ পৰিচালনাৰ বাবে স্থাপন কৰা বিভিন্ন কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ লগত এখন বৈঠক অনুষ্ঠিত হয়। সভাত আয়ুক্তগৰাকীয়ে চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াসকলক ভোটগ্ৰহণৰ অন্তত বেলট বাকচসমূহ ষ্ট্ৰং ৰোমলৈকে সুৰক্ষিতভাৱে অনাৰ ক্ষেত্ৰত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু জিলাখনত যাতে পুনৰ ভোটগ্ৰহণ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ ওপৰত অধিক মনোনিবেশ কৰিবলৈ আহ্বান জনায়। আয়ুক্তগৰাকীয়ে আগন্তুক নিৰ্বাচনটো স্বচ্ছ আৰু নিকা হিচাপে অনুষ্ঠিত হোৱাত সভাত উপস্থিত সকলো বিষয়াসকলৰ সহযোগিতা কামনা কৰে। আজিৰ এই বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, কলিয়াবৰ সমজিলাৰ সম আয়ুক্ত ৰাজ বৰুৱা, ৰহা সমজিলাৰ সম-আয়ুক্ত ফিলিছ ভি এল এইচ হুংচাল, অতিৰিক্ত আয়ুক্তসকল, নিৰ্বাচনী বিষয়া শেখৰণ ফুকনকে প্ৰমুখ্য কৰি চক্ৰ বিষয়াসকল আৰু খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

# অপপ্ৰচাৰত জড়িত প্ৰণৱ দাস বিজেপিৰ প্ৰাথমিক সদস্য নহয়, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাৰ ঘোষণা

**ই-সংবাদ, পুৰণিগুদাম, ৫ মে':** দ্বিতীয় পৰ্যায়ৰ ৭ মে'ত অনুষ্ঠিত হ'ব লগা পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰে। এই প্ৰচাৰ অভিযানৰ অন্তিম দিনটোত প্ৰাৰ্থীসকলে নিজৰ নিজৰ শক্তি প্ৰদৰ্শনৰ কৰা দেখা যায়। বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম জিলা পৰিষদৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মিন্টু শৰ্মাই আজি শেষৰ দিনটোৰ প্ৰচাৰত চামগুৰিৰ পৰা এক নিৰ্বাচনী ৰেলী বাহিৰ কৰাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থী সীমা দেৱীয়ে নিৰ্বাচনী ৰেলীৰে নিজৰ শক্তি প্ৰদৰ্শন কৰা দেখা যায়। নৱগঠিত বঢ়মপুৰ সমষ্টিৰ অধীনৰ চাৰিটা জিলা পৰিষদ সমষ্টিৰ ভিতৰত তিনিটা জিলা পৰিষদ সমষ্টি ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। সমষ্টিটোৰ অধীনৰ বঢ়মপুৰ, কঠীয়াতলী আৰু যমুনামুখ জিলা পৰিষদ সমষ্টি কেইটাত কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ অভাৱ হোৱা বাবে সেই সমষ্টি কেইটাত বিনা প্ৰতিদ্বন্দ্বিতাৰে প্ৰাৰ্থী নিৰ্বাচিত হোৱাটোৱে বিজেপি দলৰ বঢ়মপুৰত শক্তিশালী স্থিতি প্ৰতিপন্ন কৰিলে। বঢ়মপুৰৰ অলিয়ে-গলিয়ে বিজেপি শক্তিশালী স্থিতি থকাৰ বাবে কেইবাটাও আঞ্চলিক পঞ্চায়তৰ সদস্য বিজেপি দলৰ পৰা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ উপৰি বহুকেইটা বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। এনেক্ষেত্ৰত একমাত্ৰ পুৰণিগুদাম জিলা পৰিষদ সমষ্টিটোৰ পৰা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মিন্টু শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কংগ্ৰেছৰ সীমা দেৱীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বঢ়মপুৰ সমষ্টিৰ অধীনৰ তিনিটা জিলা পৰিষদ বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰাত কংগ্ৰেছ দলে মুখ থেকেচা খোৱাত পুৰণিগুদাম জিলা পৰিষদ সমষ্টিটো নিজৰ হাতলৈ আনিবলৈ কংগ্ৰেছ দলে আপ্ৰাণ চেষ্টা চলাইছে। ধনবল, বাহুবল, অপপ্ৰচাৰ বা বিভিন্ন কৌশল অৱলম্বন কৰি নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ বিচাৰিছে কংগ্ৰেছ দলে। অপপ্ৰচাৰ কৰিবলৈ চামগুৰিত গুণ্ডাবাহিনী নিয়োগ কৰাৰ অভিযোগ কলিয়াবৰ জিলা বিজেপিৰ। আজি কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাই চামগুৰিৰ বিজেপিৰ নিৰ্বাচনী কাৰ্যালয়ত এক সংবাদমেলৰ সম্বোধন কৰি কংগ্ৰেছৰ এই চক্ৰান্তৰ তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। সংবাদমেল সংম্বোধন কৰি জিলাৰ সভাপতি বাবুল বৰাই কয় যে কালি চামগুৰিত এজন লোকে নিজকে বিজেপিৰ কৰ্মকৰ্তা বুলি পৰিচয় দি কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি পাৰ্থ প্ৰতিম হাজৰিকা, সাধাৰণ সম্পাদক অৰবিন্দ চৌধুৰী, কোষাধ্যক্ষ বেদান্ত গায়ন আৰু জিলা পৰিষদৰ প্ৰাৰ্থী মিন্টু শৰ্মা আৰু চামগুৰিৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী শ্যাম ৰাভাৰ বিৰুদ্ধে অপপ্ৰচাৰত লিপ্ত হৈছে। মাইকযোগে এনে অপপ্ৰচাৰ চলোৱা প্ৰণৱ দাস নামৰ লোকজন বিজেপি দলৰ প্ৰাথমিক সদস্য নহয় বুলি উল্লেখ কৰি তেওঁৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হ'ব বুলি সংবাদমেলত ঘোষণা কৰে বাবুল বৰাই। তিনিটা জিলা পৰিষদ আৰু ১৩ টা আঞ্চলিক পঞ্চায়তত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰাৰ পিছত চামগুৰিত এজন যুৱকৰ এনে অপপ্ৰচাৰক কলিয়াবৰ জিলা সমিতিৰ ফালৰ পৰা তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ কথা বাবুল বৰাই উল্লেখ কৰে। ইফালে, সংবাদমেলত কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি পাৰ্থ প্ৰতিম হাজৰিকা উপস্থিত থাকি কালি চামগুৰিত যিজন যুৱকে অপপ্ৰচাৰত লিপ্ত হৈছে তেওঁ সামাজিক নহয়, অসামাজিক চক্ৰৰ লগত জড়িত। সমাজে বয়কত কৰা এজন যুৱক। এনে এজন যুৱকে ব্যক্তিগতভাৱে মোক আক্ৰমণ কৰি অপপ্ৰচাৰ চলাইছে। মোক জনমানসত হেয় কৰিব বিচাৰিছে বুলি উল্লেখ কৰি তেওঁ এনেধৰণৰ অপপ্ৰচাৰৰ জৰিয়তে নিৰ্বাচনী বৈতৰণী পাৰ হ'ব বিচাৰিছে বুলি উল্লেখ কৰে। চামগুৰি ৰাইজৰ প্ৰতি আমাৰ দায়বদ্ধতা আছে বুলি কৈ এনেধৰণৰ দুষ্ট চক্ৰৰ লগত জড়িত প্ৰণৱ দাসৰ দৰে লোকৰ কথাত ভুল নাযাবলৈ চামগুৰিবাসীক আহ্বান জনায়। ইফালে, প্ৰণৱ দাসৰ বিৰুদ্ধে চামগুৰি থানাত এজাহাৰ দাখিল কৰা হ'ব বুলি সংবাদমেলত পাৰ্থ প্ৰতিম হাজৰিকাই উল্লেখ কৰে। সংবাদমেলত পুৰণিগুদাম জিলা পৰিষদৰ প্ৰাৰ্থী মিন্টু শৰ্মা, আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী শ্যাম ৰাভা, জিলা সমিতিৰ কোষাধ্যক্ষ বেদান্ত গায়নকে ধৰি বহুকেইজন বিষয়ববীয়া আৰু দলীয় কৰ্মী উপস্থিত থাকে।

# নামতিত হজযাত্ৰীক সম্বৰ্ধনা জনালে প্ৰেছ ক্লাবে

**ই-সংবাদ, আমগুৰি, ৫ মে':** বিগত বৰ্ষসমূহৰ দৰে আজি নামতি প্ৰেছ ক্লাবে শিৱসাগৰ জিলাৰ বৃহত্তৰ নামতি অঞ্চলৰ হজযাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে ইছলাম ধৰ্মৰ পৱিত্ৰ তীৰ্থস্থান আৰব দেশৰ মক্কা শ্বৰীফলৈ হজ কৰা উদ্দেশ্যেৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে নামতি চাৰিআলিৰ পৰাও দুগৰাকী ব্যক্তিয়ে ইতিমধ্যে হজযাত্ৰাৰ বাবে নিজৰ নিজৰ প্ৰস্তুতিপ্ৰায় সম্পূৰ্ণ কৰিছে। হজযাত্ৰাৰ বাবে সাজু হোৱা নামতি চাৰিআলি নিবাসী, অৱসৰপ্ৰাপ্ত অভিযন্তা তথা নামতি প্ৰেছ ক্লাবৰ উপদেষ্টা হাফিজ আহমেদ আৰু নামতি চাৰিআলি আদৰ্শ গাঁৱৰ নিবাসী, চিকিৎসা বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বাবুজান আলীক সুস্বাস্থ্যৰে দীঘলীয়া হজযাত্ৰা শুভ হোৱাৰ কামনা কৰি নামতি প্ৰেছ ক্লাবৰ উদ্যোগত দুয়োগৰাকী হজযাত্ৰীৰ ঘৰে ঘৰে গৈ একোখন ফুলাম গামোচা আৰু সম্বৰ্ধনা-পত্ৰৰে শুভেচ্ছা জ্ঞাপন কৰে। নামতি প্ৰেছ ক্লাবৰ সভাপতি ৰাতুল শৰ্মা, সম্পাদক জিয়াৰুদ্দিন আহমেদ আৰু সহঃ সম্পাদক বিশ্বজিৎ আৰন্দ্ধৰা নেতৃত্বত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানটোত প্ৰেছ ক্লাবৰ উপদেষ্টা ক্ৰমে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হাচান আলী, অৱসৰপ্ৰাপ্ত অভিযন্তা ৰছিদ আলী, অৱসৰপ্ৰাপ্ত শিক্ষক পুতুল আলী, সমাজকৰ্মী নজৰুল ইছলামৰ সৈতে সাংবাদিকৰ এটি দল উপস্থিত থাকে। আনহাতে, নামতি প্ৰেছ ক্লাবৰ এই সম্বৰ্ধনা কাৰ্যসূচীৰ লগতে শিৱসাগৰ জিলা সাহিত্য সভাৰ হৈ সহঃ সাঃসম্পাদক দেৱযানী শইকীয়া গগৈয়ে শুভেচ্ছা জনায়। সকলোৱে একেলগে পৱিত্ৰ তীৰ্থস্থান মক্কা শ্বৰীফলৈ যাত্ৰা কৰিবলগীয়া সকলো হজযাত্ৰীকে শান্তি-সম্প্ৰীতিৰ কামনাৰে দোৱাৰ বাবে আহ্বান জনায়।

## সৰুপথাৰত সৰ্প দংশনত কিশোৰীৰ মৃত্যু, শোকৰ ছাঁ

**ই-সংবাদ, সৰুপথাৰ, ৫ মে':** দেওবাৰে সৰুপথাৰত সৰ্প দংশনত এগৰাকী কিশোৰী মৃত্যু হোৱা বাতৰি পোৱা গৈছে। মৃত কিশোৰীগৰাকী সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বেবেজীয়া গাঁৱৰ বিনিতা নাগ(১৬) বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণ অনুসৰি, পথাৰত গৰু লৰাবলৈ গৈ পথাৰত কিশোৰীগৰাকী অচেতন অৱস্থাত পৰি থকা দেখা পায় কিশোৰীগৰাকীৰ মাতৃয়ে। ভালদৰে লক্ষ্য কৰাত ভৰিত সৰ্পই দংশন কৰাৰ চিহ্ন দেখা পায় কিশোৰীগৰাকীৰ মাতৃয়ে। ততাতৈয়াকৈ সৰুপথাৰ অসামৰিক চিকিৎসালয়লৈ কিশোৰীগৰাকীক প্ৰেৰণ কৰা হয় যদিও চিকিৎসকে কিশোৰীগৰাকীক মৃত বুলি ঘোষণা কৰে।



নগাঁৱত বিজেপিৰ অন্তিম প্ৰচাৰ

### গোৱালপাৰা নগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে বিৰ্তকিত শুকুৰ আলীক

# কামাখ্যা মন্দিৰ-আহোমক অপমান কৰা শুকুৰক গ্ৰেপ্তাৰ

**ই-সংবাদ, গোৱালপাৰা, ৫ মে':** অসম আৰক্ষীয়ে বিতৰ্কিত শুকুৰ আলীক গ্ৰেপ্তাৰ কৰিছে। আজি গোৱালপাৰা আৰক্ষীয়ে শুকুৰ আলীক গ্ৰেপ্তাৰ কৰে। ভাইৰেল ভিডিঅ'ৰ আলমত ৰুজু গোচৰৰ ভিত্তিত শুকুৰ আলীক গ্ৰেপ্তাৰ কৰা হয়। ধৰ্মীয় ভাবাবেগ লৈ উচতনি দি বিভেদ সৃষ্টিৰ চেষ্টা আৰু ইতিহাস বিকৃতি কৰাৰ দৰে গুৰুতৰ অভিযোগৰ ভিত্তিত গ্ৰেপ্তাৰ কৰা হৈছে। আজি পঞ্চায়ত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে গোৱালপাৰালৈ আহিছিল শুকুৰ আলী। সেই সময়তে গোৱালপাৰা নগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি নগৰ আৰক্ষী চকীলৈ নিয়ে। আৰক্ষী সূত্ৰে জনোৱা মতে, শুকুৰ আলীক গোৱালপৰা নগৰ আৰক্ষীৰ পৰা নগাঁও জিলাৰ ৰূপহী থানালৈ লৈ যোৱা হ'ব। চামগুৰিত নিৰ্বাচনী সভাত কামাখ্যা মন্দিৰ আৰু আহোম সম্প্ৰদায়ৰ বিৰুদ্ধে বিতৰ্কিত আৰু ইতিহাসবিৰোধী মন্তব্য কৰাত ৰাজ্যজুৰি প্ৰচণ্ড ক্ষোভৰ সৃষ্টি হৈছিল। শুকুৰ আলীয়ে দাবী কৰিছিল যে মোগল সম্ৰাট ঔৰংজেবে ৰাম মন্দিৰ আৰু কামাখ্যা মন্দিৰ উভয়ৰ বাবে ভূমি দান কৰিছিল। ইতিহাসবিদসকলে এই দাবী সম্পূৰ্ণ মিথ্যা আৰু উদ্দেশ্যপ্ৰণোদিত বুলি আখ্যা দিয়ে। শুকুৰ আলীয়ে ইয়াৰে উপৰি কয় যে আহোমসকলে অসমৰ বাবে একো কৰা নাই বুলি



কৈছিল। ফলত কেইবাটাও সংগঠনে শিৱসাগৰ, বিজনি আৰু নগাঁও জিলাত শুকুৰ আলীৰ বিৰুদ্ধে একাধিক গোচৰ ৰুজু কৰে। বজৰং দল, মুছলিম পৰিষদকে ধৰি বহু সংগঠনে শুকুৰ আলীৰ গ্ৰেপ্তাৰৰ দাবী জনাইছিল। শুকুৰ আলীৰ এই মন্তব্যই সামাজিক মাধ্যমত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। ইতিহাসবিদ, বুদ্ধিজীৱী, আৰু সাধাৰণ ৰাইজে কামাখ্যা মন্দিৰ আৰু আহোম ৰজাসকলৰ ঐতিহাসিক অৱদানক লৈ হোৱা এই ধৰণৰ বিকৃতিক তীব্ৰ ভাষাৰে নিন্দা কৰে।

# ধিক অসম আৰক্ষী! ২২দিনৰ মূৰত এজাহাৰ ল'লে নিৰুদ্দেশ হোৱা যুৱতীৰ

### কন্যা নিৰুদ্দেশ হোৱাত পাঠশালাত পিতৃ-মাতৃৰ হাঁহাকাৰ

**ই-সংবাদ, ৫ মে':** ডুমডুমাত এজন যুৱকক আৰক্ষী থানালৈ নি জলকীয়া সানি বৰ্বৰভাৱে প্ৰহাৰ কৰা ঘটনাক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়তে এইবাৰ এগৰাকী দুৰ্ভগীয়া মাতৃয়ে এজন আৰক্ষী বিষয়াৰ বিৰুদ্ধে উত্থাপন কৰিছে গুৰুতৰ অভিযোগ। এটা দুৰ্ভগীয়া পৰিয়ালে কন্যাৰ নিৰুদ্দেশ সন্দৰ্ভত আৰক্ষী থানাত এজাহাৰ দিবলৈ গৈছিল যদিও ঘৰুৱা সংঘাত বুলি উল্লেখ কৰি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই এজাহাৰ লৈ গোচৰ ৰুজু কৰিবলৈ মান্তি হোৱা নাছিল। কন্যাৰ নিৰুদ্দেশ সন্দৰ্ভত আৰক্ষী থানাত এজাহাৰ দিবলৈ যোৱাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই মহিলাক উদ্ধাৰ কৰাতো দূৰৈৰ কথা এজাহাৰ ল'বলৈ মান্তি হোৱা নাছিল। পাঠশালা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অনুপ পাটিৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। কাকলি পাটগিৰি নামৰ এগৰাকী মহিলাৰ নিৰুদ্দেশ সন্দৰ্ভত এজাহাৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল পাঠশালা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অনুপ পাটিৰে। ভুক্তভোগীৰ পৰিয়ালটোৰ অভিযোগ মতে, ১৪ এপ্ৰিলত তেওঁলোকৰ বিবাহিত কন্যা কাকলি পাটগিৰি পাঠশালাৰ পৰা নিৰুদ্দেশ হৈছিল। কাকলি পাটগিৰি হঠাতে নিৰুদ্দেশ হোৱাত ভাগি পৰে পৰিয়ালটো। পিতৃ-মাতৃয়ে নিৰুদ্দেশৰ এজাহাৰ দাখিল কৰিবলৈ পাঠশালা আৰক্ষী থানাৰ কাষ চাপিছিল। ভাৰপ্ৰাপ্ত বিষয়া অনুপ পাটিৰে এজাহাৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাই নহয় পিতৃ-মাতৃক ভয় খুৱাইছিল। বিষয়টো ঘৰুৱা সমস্যা বুলি খাৰিজ কৰি আৰক্ষী থানাৰ পৰা পঠিয়াই দিছিল। অসহায় পিতৃ-মাতৃয়ে অৱশেষত নিজ কন্যাৰ নিৰুদ্দেশ হোৱাৰ ২২ দিন পিছত গুৱাহাটীৰ দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিবলৈ বাধ্য হয়। পৰিয়ালটোৱে কাকলি পাটগিৰিৰ স্বামীৰ বিৰুদ্ধে ঘৰুৱা উৎপীড়নৰ অভিযোগ উত্থাপন কৰি নিৰুদ্দেশৰ আঁৰত ৰহস্য থকাৰ সন্দেহ কৰিছে। কন্যাক উদ্ধাৰ কৰি দিবলৈ পিতৃ-মাতৃয়ে বিভিন্ন আৰক্ষী থানাত ঘূৰি ফুৰিছে। কিন্তু আৰক্ষীয়ে পৰিয়ালটোক সহায় নকৰাৰ অভিযোগ উত্থাপন হৈছে। এই অভিযোগক লৈ অসম আৰক্ষীয়ে এতিয়ালৈ আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# অন্ত পৰিল দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান

**ই-সংবাদ, মোৰাঝাৰ, ৫ মে':** অহা সাত মে'ত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন। আজি অন্ত পৰে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান। বহু ৰথী-মহাৰথীয়ে নিৰ্বাচনী প্ৰচাৰ চলাই যোৱা বিন্নাকান্দিৰ কেইবাটাও পঞ্চায়তত অন্তিম দিনা বাহন ৰেলীৰে অন্ত পৰে নিৰ্বাচনৰ প্ৰচাৰ কাৰ্য। কালি অসম জাতীয় পৰিষদৰ ৫ নং মোৰাঝাৰ জিলা পৰিষদৰ প্ৰাৰ্থী খালিদা বেগম,২৮ নং বুৰুঙাতলি গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছৰ প্ৰাৰ্থী ৰুজিনা খানম, আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ নিৰ্দলীয় প্ৰাৰ্থী ফখৰ উদ্দিনৰ সমৰ্থনত বাহন ৰেলীৰে প্ৰচাৰ চলোৱাৰ সমান্তৰালকৈ আজি অকচেকপথাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ নিৰ্দলীয় প্ৰাৰ্থী তাজ উদ্দিন আহমেদ আৰু ৱাৰ্ড সদস্যসকলৰ ৰেলী হৈ যায়। লগতে মোৰাঝাৰ জিলা পৰিষদৰ প্ৰাৰ্থীৰ সমৰ্থনত এক বৃহৎ ৰেলীৰে প্ৰচাৰ কাৰ্য সামৰণি পৰে। এই ৰেলীত কংগ্ৰেছ নেতা ৰেহান উদ্দিন আৰু যুৱ নেতা বিলাল উদ্দিনকে ধৰি সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। উল্লেখ্যে যে,কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি নোহোৱাকৈ এইবাৰৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ কাৰ্য সম্পন্ন হল যদিও ঠায়ে ঠায়ে একাংশ দুৰ্নীতিগ্ৰস্ত জনপ্ৰতিনিধি ৰাইজৰ ৰোষত পৰা পৰিলক্ষিত হয়। আন একাংশই জন সমাগমৰ আঁৰত থাকি নিৰ্বাচনী প্ৰচাৰ চলায়। এইবাৰৰ মূল যুঁজ কংগ্ৰেছ আৰু শাসকীয় দলৰ মাজত হ'ব বুলি চৰ্চা চলিছে যদিও বুৰুঙাতলি, অকচেকপথাৰ আৰু চাৰিং পথাৰ গাঁও পঞ্চায়তত নিৰ্দলীয় প্ৰাৰ্থীৰ প্ৰতি ঢৌ উঠিছে। শেষ পৰ্যায়ত ৰাইজে কি সিদ্ধান্ত লয় সময়ত লক্ষণীয় হব। ইপিনে, মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণ জ্যোতি গগৈ আৰু বিধায়ক চিৰাজ উদ্দিন আজমলেও নিজ নিজ দলৰ প্ৰচাৰ চলাই গল বিন্নাকান্দি সমষ্টিত। কিন্তু এআইইউডিএফৰ সভাপতি মৌলানা বদৰ উদ্দিন আজমলে নিজৰ দলৰ প্ৰাৰ্থী তথা তেওঁৰ পৰিচালিত অনুষ্ঠানৰ কৰ্মচাৰীসকলক উদ্ধাৰ কৰিবলৈ নাহিল বিন্নাকান্দি সমষ্টিত। এআইইউডিএফ প্ৰধান ধুবুৰী সমষ্টিত কেন্দ্ৰীয় সভাপতি হৈয়ো আজমলে মুখ থেকেছা খোৱাৰ দৰে এইবাৰ হোজাই জিলা সমিতিৰ সভাপতি হিলাল আহমেদেও মুখ থেকেছা খোৱাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে।

## ৰাজপথত মাকৈ! পথচাৰীৰ বাবে মৰণ ফান্দত পৰিণত

# আগমনিত বাহনৰ মুখামুখি সংঘৰ্ষ, আহত সাত

**ই-সংবাদ, গোলকগঞ্জ, ৫ মে':** ধুবুৰী জিলাৰ আগমনি থানা এলেকাৰ মাজেৰে যোৱা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত শুকুৰাবলৈ মেলি দিয়া মাকৈ যান-বাহন পথচাৰীৰ বাবে মৰণ ফান্দত পৰিণত হৈছে। আজি দুপৰীয়া গড়েৰহাট বজাৰৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত দুখন বাহনৰ মুখামুখি সংঘৰ্ষত সাতজন লোক গুৰুতৰ ভাবে আহত হৈ চিকিৎসাধীন হয়। আহতসকল ক্ৰমে পশ্চিমবংগ দিনহাটা, সাহেবগঞ্জৰ নিখিল দেৱনাথ(২৮), বালাভুতৰ নেছাবুদ্দিন আহমেদ(৬৬), ধুবুৰী ঝগৰাৰপাৰৰ মোছলেম উদ্দিন মণ্ডল(৩০), ঝাপুচাবাৰী দ্বিতীয় খণ্ডৰ সৰিফুল হক(১০), ছাবিয়া বিবি(৩০), মঞ্জু বিবি(৪৫) আৰু মইচাৰ সুভাষ বৰ্মন(৫৩)। জানিব পৰা মতে, WB-63 A-0880 নম্বৰৰ মেক্সিমো বাহনখন পঞ্চায়ত নিৰ্বাচনী কামৰ বাবে কোচবিহাৰৰ পৰা ধুবুৰী অভিমুখে গৈ আছিল। বিপৰীত দিশত গৈ থকা AS-25 N-2922 নম্বৰৰ ছুইফট ডিজায়াৰ বাহনখন পথত মেলি দিয়া মাকৈত পিছল খাই মেক্সিমোৰ লগত মুখামুখি খুন্দা মাৰে। ঘটনাৰ পিছতে ছুইফট ডিজায়াৰৰ চালক পলায়ন কৰাৰ বিপৰীতে মেক্সিমোৰ চালক নিখিল দেৱনাথ চালকৰ আসনত আবদ্ধ হৈ পৰে। ৰাইজে অশেষ কষ্ট কৰি তেওঁক উদ্ধাৰৰ পিছতে কাষতে থকা আগমনি সমূহীয়া স্বাস্থ্য কেন্দ্ৰ লৈ নিয়ে। চালককে ধৰি মুঠ সাতজন লোক আহত হয়। সংকটজনক অৱস্থাত আটাইকে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে মাকৈ মেলি দিয়া বাবে স'ততে দুৰ্ঘটনা সংঘটিত হৈ আহিছে যদিও ৰহস্যজনকভাৱে নীৰৱতা অৱলম্বন সংশ্লিষ্ট বিভাগৰ।

# শিক্ষা বিষয়াৰ মোবাইল হেকঃ বেংক কৰ্তৃপক্ষৰ ৰূপত হেকাৰৰ ধন লুটৰ চেষ্টা

**ই-সংবাদ, অভয়াপুৰী, ৫ মে':** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিত বায়নৰ ম'বাইল আজি পুৱা ৮ মান বজাত কোনো অজ্ঞাত হেকাৰে হেক কৰে। হেকাৰে বিষয়াগৰাকীৰ ম'বাইলৰ সকলো তথ্য ব্যৱহাৰ কৰিবলৈ লয়। বিশেষকৈ কায়িকভাৱে ম'বাইল হাতত নথকাকৈয়ে হেকাৰে বিষয়াগৰাকীৰ বিভাগীয় কেবাটাও হোৱাটছ এপ গ্ৰুপৰ নাম সলনি কৰি "ষ্টেট বেংক অফ ইণ্ডিয়া" কৰি গ্ৰুপসমূহৰ বহু ব্যক্তিলৈ ষ্টেট বেংক কৰ্তৃপক্ষ সাজি কে ৱাই চি বিচাৰে আৰু এটা এপিকে ফাইল প্ৰেৰণ কৰি বিভিন্নজনক নিজৰ ম'বাইলত ইনষ্টল কৰিবলৈ কয়। এই বিষয়ে বিষয়াগৰাকীয়ে জানিব পাৰি তাৎক্ষণিকভাৱে ম'বাইলটো অফ কৰি ৰি চেটিং কৰে। শিক্ষা বিষয়া নৱজিত বায়নে বিয়লি অভয়াপুৰী থানাত এই সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মেধাৱী ছাত্ৰী তানিয়া দাসক 'কলং-কপিলী বঁটা' প্ৰদান

**ই-সংবাদ, বেবেজীয়া, ৫ মে'**: নগাঁৱৰ মেধাৱী ছাত্ৰী তানিয়া দাসক সোমবাৰে প্ৰদান কৰা হয় 'কলং-কপিলী বঁটা'। ২০২৫ বৰ্ষৰ বাবে কঠিয়াতলীৰ ছাত্ৰী গৰাকীক এই বঁটা প্ৰদান কৰে নগাঁৱৰ আগশাৰীৰ শিক্ষানুষ্ঠান কলং-কপিলী বিদ্যাপীঠে। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফলত শিক্ষানুষ্ঠানখনৰ ভিতৰতে সৰ্বোচ্চ ৯৩.৬ শতাংশ নম্বৰ লাভ কৰা তানিয়া দাসক এই বঁটা প্ৰদান কৰা হয়। বঁটাৰ অংশ হিচাপে ছাত্ৰীগৰাকীক এটি স্মাৰক, গামোচা, মানপত্ৰৰ উপৰিও ৭০ হাজাৰ টকাৰ এখন চেক প্ৰদান কৰা হয়। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ বনশ্ৰী আগষ্টি, ৰেক্টৰ বিধান বৰুৱা, উপাধ্যক্ষ শেখৰজ্যোতি শইকীয়া, প্ৰশাসনিক বিষয়া দেৱজিৎ গোস্বামীৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিত ছাত্ৰীগৰাকীক এই বঁটা প্ৰদান কৰা হয়। চতুৰ্থটো বৰ্ষৰ বাবে প্ৰদান কৰা এই বঁটা ২০২২ বৰ্ষত দিয়া নন্দী, ২০২৩ ত অনামিকা ধৰ আৰু ২০২৪ বৰ্ষত কাজল বাল্মিকীক প্ৰদান কৰা হৈছিল। উল্লেখ্য যে, শিক্ষানুষ্ঠানখনে এই বঁটাৰ উপৰি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থী গৰাকীক 'মানবেন্দ্ৰ নাগ বঁটা' প্ৰদান কৰি আহিছে। আগন্তুক বৰ্ষৰ পৰা 'কলং-কপিলী বঁটা'ৰ অংশ হিচাপে এক লাখ টকাৰ চেক প্ৰদান কৰা হ'ব বুলি শিক্ষানুষ্ঠান কৰ্তৃপক্ষই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ মাজত পঢ়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবৰ বাবেই এই বঁটা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে নগাঁৱৰ কলং-কপিলী বিদ্যাপীঠে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# অভয়াপুৰীত আৰক্ষীৰ বিভিন্ন পদৰ চূড়ান্ত মৌখিক পৰীক্ষাৰ বাবে প্ৰশিক্ষণ

**ই-সংবাদ, অভয়াপুৰী, ৫ মে':** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ আত্মপ্ৰতিষ্ঠা একাডেমীত প্ৰশিক্ষণ গ্ৰহণ কৰা ১৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অসম আৰক্ষীৰ বিভিন্ন পদৰ চূড়ান্ত মৌখিক পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই প্ৰশিক্ষাৰ্থীসকলৰ বাবে কালি প্ৰতিষ্ঠানটোৰে এক বিশেষ ম'ক ইন্টাৰভিউৰ আয়োজন কৰে। প্ৰশিক্ষাৰ্থীসকলক মৌখিক পৰীক্ষাৰ প্ৰস্তুতিত অধিক দৃঢ় আৰু আত্মবিশ্বাসী কৰি তোলাটোৱে আছিল ইয়াৰ উদ্দেশ্য। একাডেমীৰ শ্ৰেণীকক্ষত আয়োজন কৰা ম'ক ইন্টাৰভিউত ইউপিএছছি আৰু এপিএছছিৰ চূড়ান্ত মৌখিক পৰীক্ষাৰ অভিজ্ঞতা সম্পন্ন অন্তৰংগ তালুকদাৰ আৰু আন্তৰাষ্ট্ৰীয় বঁটাপ্ৰাপক শিক্ষক ড০ ছিৰখাত হুছেইনে দিনজোৰা প্ৰশিক্ষণ দি প্ৰশিক্ষাৰ্থীসকলক বিভিন্ন দিশত দিহা-নিৰ্দেশনা দিয়ে। মৌখিক পৰীক্ষাত কেনেদৰে আত্মপ্ৰকাশ কৰিব, সম্ভাব্য প্ৰশ্নবোৰৰ মুখামুখি হোৱাৰ সময়ত কিদৰে উত্তৰ দিব, স্বাভাৱিকভাৱে আৰু বিনম্ৰভাৱে কেনেকৈ নিজৰ চিনাকি দাঙি ধৰিব, উপযুক্ত সাজ-পোছাক আৰু দেহভংগী কেনেকুৱা হ'ব লাগিব আদি বিষয়ত এই প্ৰশিক্ষণকালত গভীৰভাৱে আলোচনা কৰা হয়। লগতে আত্মবিশ্বাস গঢ়ি তোলাৰ উপায়, মানসিক চাপ পৰিচালনা আৰু আচৰণগত কৌশলসমূহৰ বিষয়ে বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হয়। আত্মপ্ৰতিষ্ঠা একাডেমীয়ে আয়োজন কৰা এই বিনামূলীয়া ম'ক প্ৰশিক্ষণ কাৰ্য্যসূচীয়ে প্ৰশিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰাত সহায় আৰু তেওঁলোকক মৌখিক পৰীক্ষাত সফল হ'বলৈ সহায় কৰিব। প্ৰশিক্ষণৰ সামৰণি সভাত প্ৰশিক্ষক অন্তৰংগ তালুকদাৰ আৰু ড০ ছিৰখাত হুছেইনে আত্ম প্ৰতিষ্ঠা একাডেমীৰ এই প্ৰচেষ্টাই অভয়াপুৰী সমজিলাৰ নবীন প্ৰজন্মক যোগ্য, আত্মনিৰ্ভৰশীল আৰু দায়িত্বৱান নাগৰিক হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত পদক্ষেপ ল'ব ব্যক্ত কৰে।

# কলগাছিয়াত এআইইউডিএফৰ জনসভাত বিধায়ক ড০ হাফিজ ৰফিকুল

**ই-সংবাদ, কলগাছিয়া, ৫ মে':** বৰপেটা জিলাৰ কলগাছিয়াত সোমবাৰে দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ অন্তিমটো প্ৰচাৰ কাৰ্যসূচী সমাপ্ত হয়। বিভিন্ন ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলে নিজৰ নিজৰ প্ৰচাৰ কাৰ্য চলায়। কলগাছিয়া পাটবজাৰৰ মাৰ্কেট ছেটৰ গৃহত বিয়লিত অনুষ্ঠিত হয় এআইইউডিএফৰ বৃহৎ জনসভা। বিশিষ্ট সমাজ সেৱক নজৰুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত হোৱা জনসভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায় জনীয়াৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলাম, এআইইউডিএফৰ কেন্দ্ৰীয় সমিতিৰ যুৱ মৰ্চাৰ সভাপতি নাছিম আহমেদ, বৰপেটা জিলা সমিতিৰ সাধাৰণ সম্পাদক খন্দকাৰ আশ্ৰাফুল মামুন, যুৱ নেতা অধিবক্তা নুৰুল ইছলাম খান আদি বিশিষ্ট ব্যক্তিসকলে। ভাষণত জনীয়া সমষ্টিৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামে কয় যে মন্দিয়া সমষ্টিৰ চাৰিটা জিলা পৰিষদৰ আটাইকেইখন আসনত এআইইউডিএফৰ প্ৰাৰ্থী জিকিব। ৮ নং কলগাছিয়া জিলা পৰিষদৰ এআইইউডিএফৰ প্ৰাৰ্থী খন্দকাৰ জাকিৰ হুছেইনে ৰেকৰ্ড সংখ্যক ভোটত জয়ী হ'ব বুলি দাবী কৰে। মন্দিয়া সমষ্টিৰ ২৬ টা গাঁও পঞ্চায়তৰ আটাইকেইখন আঞ্চলিক সদস্য পদৰ এআইইউডিএফৰ প্ৰাৰ্থী জয়ী হ'ব বুলি দাবী কৰে। তেওঁ কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈক তীব্ৰ ভাষাৰে সমালোচনা কৰি 'আপোনাৰ পিতৃ পোন্ধ বছৰ চৰকাৰত আছিল 'ডি' ভোটাৰ মোছন নহ'ল কিয়? সংখ্যালঘুৰ মাটিৰ পট্টা নহ'ল কিয়? এন আৰ চিৰ সমস্যা সমাধান নহ'ল কিয়?' বুলি প্ৰশ্নউত্থাপন কৰি কয় যে আপোনাৰ চৰকাৰ আহিলে আকৌ সংখ্যালঘুসকলক ফুটবল হিচাপে ব্যৱহাৰ কৰিব। গতিকে এইবেলি ৰাইজে কংগ্ৰেছক উচিত শিক্ষা দিব আৰু অসমৰ পৰা কংগ্ৰেছ নোহোৱা হৈ যাব বুলিমন্তব্য আগবঢ়ায়। ভাষণত নাছিম আহমেদে অঞ্চলটোৰ লগতে সমগ্ৰ ৰাজ্যত এআইইউডিএফ আগৰ তুলনাত অধিক শক্তিশালী হৈছে বুলি কয়। যুৱ নেতা খন্দকাৰ আশ্ৰাফুল মামুনে ভাষণ প্ৰসংগত কংগ্ৰেছৰ দুৰ্নীতি সন্দৰ্ভত ভাষণ আগবঢ়োৱাৰ লগতে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক তীব্ৰ সমালোচনাৰে তুলা-ধূনা দিয়ে। ৮ নং কলগাছিয়া জিলা পৰিষদৰ এআইইউডিএফৰ প্ৰাৰ্থী খন্দকাৰ জাকিৰ হুছেইনে ভাষণ আগবঢ়াই ভোটাৰ ৰাইজৰ পৰা আশীষ বিচাৰে আৰু ভোট ভিক্ষা কৰে। তেওঁ ভাষণত কংগ্ৰেছে উজনি অসমত বিজেপিৰ ওচৰত আত্মসমৰ্পণ কৰি নামনি অসমত প্ৰচাৰ চলাবলৈ আহিছে বুলি কটাক্ষ কৰে। কলগাছিয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী জাকিৰ হুছেইন, বলাইপাথাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী ছানোৱাৰ হুছেইন, টাপেশ্বৰা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী ছাহিনা খাতুন, শওপুৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী ৰফিকুল ইছলাম খানৰ হৈ অন্তিমটো প্ৰচাৰ চলায় এআইইউডিএফৰ নেতা-কৰ্মীসকলে।

# চামগুৰিৰ শিঙিমাৰীত অপ্ৰীতিকৰ ঘটনা

**ই-সংবাদ, ৰূপহীহাট, ৫ মে':** শিঙিমাৰী জিলা পৰিষদৰ নিৰ্দলীয় প্ৰাৰ্থী আঞ্জুমা বেগমে ধুবুৰীৰ শুকুৰ আলীক লৈ নিৰ্বাচনী প্ৰচাৰ চলাই থাকোঁতে সংঘটিত হয় অপ্ৰীতিকৰ ঘটনা। কালি সন্ধিয়া প্ৰায় ৭ বজাত ৰূপহী আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰি সমষ্টিৰ শিঙিমাৰী বজাৰত নিৰ্দলীয় প্ৰাৰ্থী আঞ্জুমা বেগমে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ যায়। ৰাইজৰ লগত মত বিনিময় কৰি থাকোঁতে হঠাৎ এখন গাড়ীত মুখত ক'লা কাপোৰ বান্ধি এদল যুৱক আহে। হাতে হাতে চোকা অস্ত্ৰ আৰু লোহাৰ ৰ'ড লৈ নিৰ্দলীয় প্ৰাৰ্থীগৰাকীৰ ফালে আগবাঢ়ি যায়। যুৱকৰ দলটোৱে নিৰ্দলীয় প্ৰাৰ্থী আৰু লগত থকা সমৰ্থকক মাৰিবলৈ আৰম্ভ কৰে। নিৰ্দলীয় প্ৰাৰ্থীগৰাকীৰ বাহনখনো ভাঙি লণ্ড ভণ্ড কৰে দুৰ্বৃত্তই। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ নিয়ন্ত্ৰণ কৰে পৰিস্থিতি। প্ৰায় এসপ্তাহ পূৰ্বে চামগুৰি সমষ্টিৰ কাৰৈমাৰীতো অচিনাকি দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হৈছিল এজন কংগ্ৰেছৰ ৱাৰ্ড সদস্য। বিগত উপ-নিৰ্বাচনত চামগুৰি সমষ্টিত দুৰ্বৃত্তই অনুৰূপ ঘটনা সংঘটিত কৰিছিল। শিঙিমাৰীৰ এই নিন্দনীয় ঘটনাক তীব্ৰ সমালোচনা কৰে সচেতন মহলে। নিৰ্বাচনী হিংসাৰ প্ৰাণ কেন্দ্ৰ চামগুৰি সমষ্টিৰ ভোটাৰ এতিয়া শংকাত দিন পাৰ কৰিব লগীয়া হৈছে। এনেদৰে এতিয়া বিধানসভাৰ উপ-নিৰ্বাচনৰ পিছৰে পৰা সমষ্টিটো হৈ পৰিছে হিংসাৰ কেন্দ্ৰ।

# টাপাট্টাৰী, ৰঙাপানীত সামৰণি পৰিল প্ৰচাৰ অভিযান

**ই-সংবাদ, অভয়াপুৰী, ৫ মে':** ৭ মে'ত অনুষ্ঠিত হবলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যৰ আজি আবেলি সামৰণি পৰে। বঙাইগাঁও জিলাৰ অভয়াপুৰী আৰু সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, পঞ্চায়ত সদস্যৰ বাবে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা বিভিন্ন ৰাজনৈতিক দলৰ মনোনীত প্ৰাৰ্থীৰ সমৰ্থনত সমদল উলিয়াই এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। সাধাৰণ সদস্যৰ পৰা জিলা পৰিষদৰ সদস্যলৈ গাঁৱে-ভূঞে সদলবলে শোভাযাত্ৰা, সমদল, বাইক ৰেলী আদিৰে ভোটাৰৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা চলায়। জিলাখনৰ টাপাট্টাৰী জিলা পৰিষদ সমষ্টিৰ এআইইউডিএফ দলৰ প্ৰাৰ্থী আব্দাল মান্নাফৰ সমৰ্থনত দুই সহস্ৰাধিক লোকে আজি দুপৰীয়া এক বিশাল সমদল উলিয়ায়। ন-সত্ৰৰ পৰা আৰম্ভ হোৱা সমদলটো পিৰাধৰা, মাখনপাৰা, লতিবাৰী, শৰণাৰ্থী শিবিৰ, বেহুলাপাৰা, পাখাকাটা আদি এলেকাৰে নিৰ্দিষ্ট সময়ৰ পূৰ্বে টাপাট্টাৰীত সামৰণি মাৰে। তেনেদৰে সমষ্টিটোৰ অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী চাইফুল ইছলামে মালেগড়ৰ পৰা কেবা সহস্ৰাধিক সমৰ্থকক লৈ অভয়াপুৰী হৈ জিলা পৰিষদ এলেকাৰ বিভিন্ন পথৰ মাজেৰে সমদল বাহিৰ কৰে। টাপাট্টাৰীত কংগ্ৰেছৰ লগতে এআইইউডিএফ, নিৰ্দলীয় প্ৰাৰ্থী কেৰামত আলিয়েও কেবা সহস্ৰাধিক সমৰ্থকক লগত লৈ বিশাল সমদল বাহিৰ কৰে। ৰঙাপানী জিলা পৰিষদ সমষ্টিৰ অধীনস্থ পঞ্চায়তসমূহৰ মাজেৰে এআইইউডিএফ দলৰ প্ৰাৰ্থী মণিয়াৰা খাতুন, কংগ্ৰেছৰ চানিয়াৰা খাতুন আৰু নিৰ্দলীয় প্ৰাৰ্থী আবিদা চৌধুৰীয়ে বিভিন্ন পথেৰে সমদল উলিযাই বিভিন্ন শ্ল'গানেৰে ভোটাৰক নিজ নিজ দলৰ প্ৰাৰ্থীক ভোট দিয়াৰ আহ্বান জনায়।



**মৰিগাঁৱত ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত হোৱা নাবালিকা ধৰ্ষণকাৰী মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত তৰাবড়ি গাঁৱৰ ওৱাচছিম আক্ৰাম ওৰফে ৰাজ**

# অহা ১৯ মে'ৰ পৰা বন্ধ কাজিৰঙা ৰাঃ উদ্যানৰ জীপ ছাফাৰি

**ই-সংবাদ, গুৱাহাটী, ৫ মে':** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীপ ছাফাৰী ১৯ মে'ৰ পৰা অনিৰ্দিষ্টকালৰ বাবে বন্ধ ঘোষণা কৰা হৈছে। বন বিভাগৰ পূব অসমৰ বিষয়াই এক বিজ্ঞপ্তিৰ জৰিয়তে এই সিদ্ধান্তৰ কথা ৰাজহুৱা কৰিছে। বতৰ আৰু পথৰ কদৰ্য অৱস্থাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। জনসাধাৰণৰ সুৰক্ষা আৰু সকলোৰে কল্যাণৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে এক্সত বতৰজনিত পৰিস্থিতিৰ বাবে পৰ্যটক আৰু কৰ্মচাৰীসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত চিন্তা কৰি এই সিদ্ধান্ত লোৱা বুলি কয়। অত্যধিক বৰষুণৰ ফলত উদ্যানখনৰ বহু অংশৰ পৰিকাঠামো ক্ষতিগ্ৰস্ত হৈছে। বিশেষকৈ জীপ ছাফাৰি চলাই নিয়াটো অসম্ভৱ হৈ পৰিছে। এইবেলি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে ২০২৪-২৫ বিত্তীয় বৰ্ষত পৰ্যটনৰ ক্ষেত্ৰত এক ৰেকৰ্ড সৃষ্টি কৰিছে। ৪,০৬,৫৬৪ গৰাকী পৰ্যটকে উদ্যানখন পৰিদৰ্শন কৰিছে। য'ত ১৭,৬৯৩ গৰাকী বিদেশী পৰ্যটক। ইয়াৰ পৰা ১০.৯০ কোটি টকা আয় হোৱা বুলি ক্ষেত্ৰ পৰিচালক সোণালী ঘোষে সদৰী কৰে। এই সংখ্যা যোৱা দশকৰ তুলনাত চাৰিগুণ বেছি বুলি তেওঁ জানিবলৈ দিয়ে। কাজিৰঙালৈ অহা ৪.৫ শতাংশ পৰ্যটক এতিয়া বিদেশৰ। উদ্যানৰ অনন্য জীৱ-বৈচিত্ৰ্য আৰু গঁড়ৰ প্ৰাকৃতিক আবাস চাবলৈ আহে। সম্প্ৰতি নিউ ইয়ৰ্ক টাইমছেও কাজিৰঙাক পৃথিৱীৰ ভিতৰত ভ্ৰমণৰ বাবে শ্ৰেষ্ঠ স্থানসমূহৰ ভিতৰত স্থান প্ৰদান কৰিছে।

# ৰঙিয়াত পিতৃ-মাতৃৰ হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, ৰঙিয়া, ৫ মে':** ৰঙিয়াৰ কমলপুৰৰ বৰমাৰৈৰ বৃদ্ধ দম্পতী দেবৰু কাকতি(৭৫) আৰু বাসন্তী কাকতিক(৭০) মৰিয়াই হত্যা কৰাৰ অভিযোগত অভিযুক্ত পুত্ৰক আজি যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে আদালতে। অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ মুকুল চেতিয়াৰ আদালতে গুৰুত্বপূৰ্ণ ৰায়দান কৰি পিতৃ-মাতৃ হন্তা দ্বীপেন কাকতিৰ বিৰুদ্ধে ৰায়দান কৰে। মানৱ সভ্যতাক কলংকিত কৰি হত্যাৰ গোচৰত অভিযুক্ত দ্বীপেন কাকতিক ভাৰতীয় দণ্ড বিধি আইনৰ ৩০২ ধাৰাৰ অধীনত ২০২০ চনত কমলপুৰ থানাত ৰুজু হোৱা কেচ নম্বৰ ১৩৩/২০ আৰু চেচন কেচ নম্বৰ ১৪/২৩ ৰ ভিত্তিত আদালতে আজি এই ৰায়দানেৰে দণ্ডিত কৰে। উল্লেখ্য যে, ৪ বছৰ পূৰ্বে কমলপুৰৰ বৰমাৰৈ গাঁৱত সংঘটিত হৈছিল উক্ত জঘন্য ঘটনা। পিতৃ-মাতৃক কাঠৰ টুকুৰাৰে মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনাই জোঁকাৰি গৈছিল সমগ্ৰ অঞ্চল।

# খঙীয়া গাঁও পঞ্চায়তৰ ২নং ৱাৰ্ডৰ প্ৰাৰ্থী গোপাল গোস্বামীৰ অকাল মৃত্যু

**ই-সংবাদ, পশ্চিম যোৰহাট, ৫মে':** সদ্য সমাপ্ত প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত ৬০নং মধ্য ঠেঙাল খঙীয়া গাঁও পঞ্চায়তৰ ২নং ৱাৰ্ডৰ সদস্য পদৰ প্ৰাৰ্থী তথা প্ৰাক্তন আঞ্চলিক সদস্য গোপাল গোস্বামী(মুন্না)ৰ যোৱা ৪ মে'ত অকাল মৃত্যু হয়। যোৰহাট জিলাৰ ম'হবন্ধা পুৰণা লাইন নিৱাসী গোপাল গোস্বামীৰ মৃত্যু শোকত ম্ৰিয়মান হৈ পৰে সমগ্ৰ ম'হবন্ধা অঞ্চল। দেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ৬০নং মধ্য ঠেঙাল খঙীয়া গাঁও পঞ্চায়তৰ সদ্য সমাপ্ত প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত ২নং ৱাৰ্ডৰ সদস্য পদৰ প্ৰাৰ্থী আছিল গোপাল গোস্বামী। জানিব পৰা মতে, নিকট আত্মীয় জনৈক বাউৰী উপাধিৰ ব্যক্তি এজনৰ কন্যা আজি প্ৰায় এমাহৰ আগতে কাজিৰঙাৰ কুঠৰীৰ ল'ৰা এজনলৈ পলাই গৈছিল। সেই সূত্ৰে কুঠৰীৰ পৰিয়ালটিৰ লগত মীমাংসাৰ বাবে ৪ মে'ৰ দিনা পুৱা ১০.৩০ বজাতঘৰৰ পৰা ছোৱালী ঘৰৰ পৰিয়ালৰ লগত গাড়ীৰে গৈছিল। কুঠৰীৰ ল'ৰাৰ ঘৰত ১ বজাত উপস্থিত হৈ মীমাংসা চলি থকাৰ মাজতে গোপালে অসুস্থ অনুভৱ কৰাত ততাতয়াকৈ জখলাবন্ধা হস্পিতালত ভৰ্তি কৰে। চিকিৎসকে



পৰীক্ষা কৰি উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ লৈযাবলৈ কোৱাত এম্বুলেন্সৰ যোগেদি গুৱাহাটীলৈ গৈ থকা অৱস্থাত সোণাপুৰত সন্ধিয়া প্ৰায় ৬.৪৫ বজাত তেওঁ মৃত্যুক আঁকোৱালি লয়। ম'হবন্ধা নিৱাসী পৰমাত্মা গোসাঁই আৰু ঊষা গোসাঁইৰ পুত্ৰ গোপাল গোস্বামী(৪২)য়ে মৃত্যুৰ সময়ত পত্নীৰ লগতে তিনিজন ভায়েক, এজন পুত্ৰ আৰু এগৰাকী কন্যাক এৰি থৈ গৈছে। গোপালৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে আজি পুৱা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া আৰু গুণমুগ্ধসকলে বাসগৃহত উপস্থিত হৈ তেওঁক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

## মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক পক'চ আদালতৰ ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ৫ মে':** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত তৰাবড়ি গাঁৱৰ ওৱাচছিম আক্ৰাম ওৰফে ৰাজ নামৰ এজন নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে আজি ২০ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে, এই লোকজনৰ বিৰুদ্ধে তিনিবছৰ পূৰ্বে এক জঘণ্য ধৰ্ষণ কাণ্ড সংঘটিত কৰাৰ অভিযোগত মৰিগাঁও আৰক্ষী থানাত ১৯৭/২০২২ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে পক'চ গোচৰ নং- ১২৭/২০২৩ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদৰ আদালতে পক'চ আইনৰ ৬ নং ধাৰাত দোষী সাব্যস্ত কৰি ধৰ্ষণ কাণ্ডৰ অপৰাধী ওৱাচছিম আক্ৰামক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি বিশ হাজাৰ টকাৰ জৰিমনা বিহে। ধাৰ্য কৰা জৰিমনাৰ ধন অনাদায়ে অতিৰিক্ত ছমাহৰ কাৰাদণ্ডৰ আদেশ জাৰি কৰিছে।

## ৰঙিয়াৰ মৰাণজানাৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাই পথত লোমহৰ্ষক ডকাইটি

**ই-সংবাদ, ৰঙিয়া, ৫ মে':** ৰঙিয়াৰ মৰাণজানাৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি সংঘটিত এক লোমহৰ্ষক ডকাইটিৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। উক্ত ঘটনাৰ বলি হোৱা ৰঙিয়াৰ জয়ন্তীপুৰ নিবাসী ফাইজুল হক নামৰ লোকজনক সংকটজনক অৱস্থাত জি এম চি হাস্পাতাললৈ প্ৰেৰণ কৰা হয়। ক'লা হেলমেট পৰিহিত চোকা অস্ত্ৰ লৈ সু-সজ্জিত হৈ অহা ৬ জনীয়া দুৰ্বৃত্তৰ দলে চোকা অস্ত্ৰ আৰু হাতুৰীৰে লোকজনক আক্ৰমণ কৰে। মৃৰত আঘাত কৰি গাড়ীত থকা নগদ ধন পাঁচ লাখ টকা কাঢ়ি লৈ যায় আক্ৰমণকাৰী দলটোৱে। মুমূৰ্ষু অৱস্থাত পৰি থকা ফাইজুল হকক প্ৰত্যক্ষ কৰি এগৰাকী পথাচাৰীয়ে পৰিয়ালৰ লোকক অৱগত কৰে। ঘটনাটোত ভুক্তভোগী লোকজনৰ চাৰিচকীয়া বাহনখনো ভাঙি চুৰমাৰ কৰে দুৰ্বৃত্তৰ দলটোৱে।






# টাইৱানৰ সৈতে যোৰহাট জে বি কলেজৰ আন্তঃৰাষ্ট্ৰীয় বুজাবুজি চুক্তি

**ই-সংবাদ, পশ্চিম যোৰহাট, ৫ মে':** বিশ্ব শৈক্ষিক সহযোগিতাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি ২০২৩ চনৰ অসম আইন নং এল এক্স ভি আই-ৰ অধীনত যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা জগন্নাথ বৰুৱা মহাবিদ্যালয়ে টাইৱানৰ ৰাষ্ট্ৰীয় ইয়াং মিং চিয়াও টুং বিশ্ববিদ্যালয় (এন ৱাই চি ইউ)ৰ সৈতে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিয়ে দুয়োখন প্ৰতিষ্ঠানত উন্নত গৱেষণা, শৈক্ষিক আদান-প্ৰদানৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ ড° উৎপলজ্যোতি মহন্ত আৰু এন ৱাই চি ইউ-ৰ হৈ জ্যেষ্ঠ উপ-সভাপতি অধ্যাপক ড০ শুন-হুয়া ৱেইৰ লগতে বায়'মেডিকেল ইঞ্জিনিয়াৰিং মহাবিদ্যালয়ৰ ডীন অধ্যাপক ড০ চুন-লি লিনে স্বাক্ষৰ কৰে। যোৰহাট জে বি কলেজৰ আভ্যন্তৰীণ গুণগত নিশ্চয়তা কোষৰ সমন্বয়ক পৰাগ শৰ্মা, এনৱাইচিইউৰ ইনষ্টিটিউট অৱ বায়'ফ'ট'নিক্সৰ সঞ্চালক অধ্যাপক ড০ ৰেন-চুৱান কুওৱে এই চুক্তিত সাক্ষী হিচাপে স্বাক্ষৰ কৰে। বুজাবুজি চুক্তিৰ প্ৰক্ৰিয়াটোৰ সমন্বয়ক আছিল যোৰহাট জে বি কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° অংকুৰ গগৈ, এন ৱাই চি ইউৰ বায়'ফ'ট'নিক্স ইনষ্টিটিউটৰ সহযোগী অধ্যাপক ড০ গুৱান-ইউ ঝুওৱে। ড০ অংকুৰ গগৈক টাইপেইৰ শৈক্ষিক ভ্ৰমণৰ সময়ত যোৰহাট জে বি কলেজৰ পৰা স্বাক্ষৰিত বুজাবুজি চুক্তিখন এন ৱাই চি ইউৰ কৰ্তৃপক্ষক অৰ্পণ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰতিনিধি হিচাপে নিযুক্তি দিছে। তেওঁ ফ'কাচ অন মাইক্ৰস্ক'পি-২০২৫ সন্মিলনত গৱেষণা-পত্ৰ দাখিল কৰিব। অৰৈখিক অপটিকেল মাইক্ৰস্ক'পি, বায়'ফ'ট'নিক্সৰ সহযোগিতামূলক গৱেষণাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা চুক্তিখনৰ মসৃণ, ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰিবলৈ এন ৱাই চি ইউৰ অধ্যাপক চুন-লি লিন আৰু যোৰহাট জে বি কলেজৰ ড০ অংকুৰ গগৈক যোগাযোগ বিষয়া হিচাপে নিযুক্তি দিছে। ২০২৫ চনৰ কিউএছ ৱৰ্ল্ড ইউনিভাৰ্চিটি ৰেংকিঙত বিশ্বজুৰি ২১৯ নম্বৰ, এছিয়াত ৪৭ নম্বৰ, টাইৱানত ৪ৰ্থ স্থানত থকা এন ৱাই চি ইউত ২২,০০০ৰো অধিক ছাত্ৰ-ছাত্ৰী, ৭টা ৰাষ্ট্ৰীয় পৰীক্ষাগাৰ, ৭৫টা গৱেষণা কেন্দ্ৰ আছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত বিশিষ্ট প্ৰতিষ্ঠান হিচাপে এন ৱাই চি ইউৰ মৰ্যাদা, মান চিহ্নিত কৰিছে।বুজাবুজি চুক্তিখনত পাৰস্পৰিক অধ্যয়ন ভ্ৰমণ, ছাত্ৰ আৰু অধ্যাপক বিনিময় কাৰ্যসূচী, যৌথ উন্নয়ন প্ৰকল্প, শৈক্ষিক পাঠ্যক্ৰম, সন্মিলন, চিম্পোজিয়ামৰ সহযোগিতামূলক আয়োজনৰ উপৰি সহযোগিতাৰ মূল ক্ষেত্ৰসমূহৰ ৰূপৰেখা উল্লেখ কৰা হৈছে। তদুপৰি, বৈজ্ঞানিক সামগ্ৰীৰ বিনিময়, গৱেষণাৰ যৌথ প্ৰকাশৰো উল্লেখ আছে। মহাবিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে যে এই অংশীদাৰিত্বই যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ স্বীকৃতি সমৃদ্ধ কৰাৰ লগতে ইয়াৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলৰ বাবে অত্যাধুনিক গৱেষণাৰ সুযোগ কঢ়িয়াই আনিব।

# কুৰ্শাকাটী আঞ্চলিক আমছুৰ উদ্যোগত ৩২ গৰাকী কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

**ই-সংবাদ, তামাৰহাট, ৪ মে':** কোকৰাঝাৰ জিলা শিক্ষা বিভাগৰ অধীনস্থ কুৰ্শাকাটী হাই স্কুল প্ৰাংগণত আজি কুৰ্শাকাটী আঞ্চলিক আমছুৰ উদ্যোগত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা মুঠ ৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। "ঘৰে ঘৰে শিক্ষা, তেতিয়াহে ৰক্ষা" আমছুৰ এই শ্ল'গানক বাস্তৱিত কৰাৰ বাবে আমছুৰ এই বিশেষ পদক্ষেপ। উল্লেখ্য যে কুৰ্শাকাটী হাই স্কুল প্ৰাংগণত আজি কোকৰাঝাৰ জিলা আমছুৰ সাধাৰণ সম্পাদক ছফিকুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাৰ জৰিয়তে কুৰ্শাকাটী হাইস্কুল আৰু পেটলাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৩২ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা সভাখনত ইউপিপিএলৰ মহিলা মৰ্চাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদিকা মুৰ্শিদা বেগম, কোকৰাঝাৰ জিলা আমছুৰ সহকাৰী সাধাৰণ সম্পাদক আমিৰুল ইছলাম, আমছুৰ মুখ্য সাংগঠনিক সম্পাদক বদিয়ৰ হুছেইন, জমিৰ মোল্লা, কুৰ্শাকাটী প্ৰাথমিক চিকিৎসালয়ৰ চিকিৎসক উপেন ৰাজবংশী, মুশলঝোৰাৰ ভি চি ডি চিৰ সভাপতিমোস্তাফিজুৰ ৰহমানকে ধৰি অঞ্চলটোৰ শিক্ষক, সচেতন ৰাইজ, কুৰ্শাকাটী আমছুৰ কৰ্মকৰ্তা উপস্থিত থাকে। কুৰ্শাকাটী প্ৰাথমিক চিকিৎসালয়ৰ চিকিৎসক উপেন ৰাজবংশীয়ে সম্বৰ্ধনা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি তাৎপৰ্যপূৰ্ণ ভাষণ আগবঢ়ায়। সভাত স্থানীয় ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## আৰক্ষীৰ পুংখানুপুংখ তদন্ত আৰম্ভ, ঘটনাক লৈ সৰ্বত্ৰে তীব্ৰ চাঞ্চল্য

# আৰ্থিক দৈন্যতা! নলবাৰীত ছয়মহীয়া পুত্ৰ সন্তানক পুখুৰীত দলিয়াই হত্যা মাতৃৰ

**ই-সংবাদ, চামতা, ৫ মে':** এক চাঞ্চল্যকৰ হৃদয়স্পৰ্শী ঘটনাই জোঁকাৰি গৈছে নলবাৰী জিলাৰ নলবাৰীৰ পশ্চিম নলবাৰী অঞ্চল। এগৰাকী নিষ্ঠুৰ মাতৃয়ে নিজৰ ছয়মহীয়া পুত্ৰ সন্তানক পুখুৰীত পেলাই হত্যা কৰাক লৈ হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে জোৰাৰ্দী অঞ্চলত। পশ্চিম নলবাৰীৰ জোৰাৰ্দী গাঁৱৰ নৃপেন বৰ্মনৰ পত্নী গীতাঞ্জলী বৈশ্য বৰ্মনৰ বিৰুদ্ধে উঠিছে কনমাণি সন্তানক হত্যা কৰাৰ অভিযোগ। এই কথা পোহৰলৈ অহাৰ লগে লগে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে অঞ্চলটোত। ইতিমধ্যে ঘটনাস্থলীত বেলশৰ আৰক্ষীৰ লোক উপস্থিত হৈ পুখুৰীৰ পৰা কনমাণি ল'ৰা সন্তানটোৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰোৱাৰ বাবে নলবাৰীৰ শ্বহীদ মুকুন্দ কাকতি চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। দিন হাজিৰা কৰা নৃপেন বৰ্মনৰ দুগৰাকী জ্যেষ্ঠ কন্যা থকাৰ বিপৰীতে দুই পুত্ৰ আছিল। ইয়াৰে ছয়মহীয়া সন্তানটোক মাতৃয়ে হত্যা কৰি পুখুৰীত পেলাই দিয়াৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। ইতিমধ্যে আৰক্ষীয়ে পুংখানুপুংখভাৱে আৰম্ভ কৰিছে তদন্ত। আৰ্থিক দৈন্যতাৰ বাবেই ঘৰখনত চলি অহা সংঘাতৰ পৰিনতিত এই ভয়াৱহ ঘটনাটো সংঘটিত হোৱা বুলি বিভিন্নজনে কৰ বিচাৰে।

# কামৰূপৰ শিঙিমাৰীত দুগৰাকী ছাত্ৰী সন্ধানহীন

**ই-সংবাদ, শুৱালকুছি, ৫ মে':** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত শিঙিমাৰীৰ মাজৰ চুপাৰ দুগৰাকী ছাত্ৰী নিৰুদ্দেশ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিদ্যালয়লৈ বুলি ওলাই যোৱা নৱম শ্ৰেণীৰ ছাত্ৰী দুগৰাকী ঘৰলৈ উভতি নহাত চিন্তিত হৈ পৰিছে পৰিয়ালৰ লোক। পৰিয়ালৰ পৰা জানিব পৰা মতে, ৩ মে'ত বিদ্যালয়লৈ বুলি ওলাই গৈছিল ছাত্ৰী দুগৰাকী। কিন্তু বিদ্যালয়ৰ ছুটীৰ পিছতো ছাত্ৰী দুগৰাকী ঘৰলৈ উভতি নহাত পৰিয়ালৰ মাজত হাহাকাৰ লাগে। পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰি যদিও বৰ্তমানলৈকে ছাত্ৰী দুগৰাকীৰ কোনো সন্ধান উলিয়াব পৰা নাই। ইতিমধ্যে ছাত্ৰী দুগৰাকীৰ পৰিয়ালে দদৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। ঘটনা সন্দৰ্ভত দদৰা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও কোনো শুংসূত্ৰ উলিয়াব পৰা নাই ছাত্ৰী দুগৰাকীৰ। নিৰুদ্দেশ হোৱা ছাত্ৰী দুগৰাকী হৈছে শিঙিমাৰীৰ মাজৰ চুপাৰ বিপুল বৰ্মন আৰু নিলিমা বৰ্মনৰ কন্যা বৰ্ণালী বৰ্মন। আনহাতে, আন গৰাকী ছাত্ৰী হৈছে নৰেন বৰ্মন আৰু ৰিকন বৰ্মনৰ কন্যা ধনজিতা বৰ্মন। সন্ধানহীন ছাত্ৰী দুগৰাকী সম্পৰ্কত বাই-ভনী। যদি কোনো ব্যক্তিয়ে ছাত্ৰী দুগৰাকী সম্ভেদ পায় তেন্তে ৭৮৯৬৯৬৭১৪ আৰু ৭৮৯৬৯৬০৯৩ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালে অনুৰোধ জনাইছে।

# ছিপাঝাৰত ধুমুহাৰ তাণ্ডৱ, বিস্তৰ ক্ষতি-সাধন

**ই-সংবাদ, ছিপাঝাৰ, ৫ মে':** আজি আবেলি হঠাতে অহা এজাক মুষলধাৰ বৰষুণ আৰু তাৰ সমান্তৰালভাৱে অহা ঘূৰ্ণি বতাহে ছিপাঝাৰৰ বিভিন্ন ঠাইত বিস্তৰ ক্ষতি সাধন কৰে। তীব্ৰ ধুমুহাত ঠায়ে ঠায়ে গছ-বাগৰি বন্ধ হৈ পৰে বাট-পথ। ব্যাহত হয় যাতায়াত। আনহাতে, কেইবা ঠাইতো ভাঙি পৰিছে বিদ্যুৎ পৰিবাহী খুঁটা। যাৰ বাবে ব্যাহত হৈ পৰিছে বিদ্যুৎ সেৱাও। একেদৰে প্ৰচণ্ড ধুমুহাই ছিপাঝাৰৰ কেইবাখনো গাঁৱত উৰুৱাই নিয়ে বহু বাসগৃহৰ ছাল। আনকি ছিপাঝাৰ উন্নয়ন খণ্ড কাৰ্যালয়টোৰ সমগ্ৰ টিনপাত ধুমুহাই উৰুৱাই লৈ যায়। ফলত কাৰ্যালয়টোৰ কেইবাটাও কম্পিউটাৰ বিকল হোৱাৰ আশংকা কৰিছে ইয়াৰ বিষয়া-কৰ্মচাৰীসকলে। বহু গুৰুত্বপূৰ্ণ নথিও মুষলধাৰ বৰষুণত তিতিছে। হঠাতে অহা বৰষুণজাকৰ তীব্ৰতা ইমানেই বেছি আছিল যে, মাত্ৰ আধা ঘণ্টাৰ বৰষুণত কাৰ্যালয়টোৰ ভিতৰত এক আঁঠু পৰ্যন্ত পানী হয়। ইপিনে, ঐতিহাসিক সূৰ্যখড়ি দৈৱজ্ঞৰ স্মৃতি বিজড়িত সূৰ্যখড়ি মন্দিৰ প্ৰাংগণত আয়োজিত দেউল উৎসৱতো ত্ৰিপাল আদি উৰুৱাই নি বিঘিনি ঘটোৱাৰ বিপৰীতে একাধিক গাঁৱত অনুষ্ঠিত ব্যক্তিগত সকামৰ পেণ্ডেলৰ ব্যাপক ক্ষতি সাধন কৰে।

# ২৪ ঘণ্টাত ৫ চোৰক কৰায়ত্ত, চাঞ্চল্যকৰ চুৰি কাণ্ডৰ অন্তত বৰপেটাৰোড আৰক্ষীৰ সফলতা

**ই-সংবাদ, বৰপেটাৰোড, ৫ মে':** দেওবাৰে একে নিশাই বৰপেটাৰোড চহৰৰ মাজ মজিয়াৰ ৮ নম্বৰ ৱাৰ্ডৰ মিলন নগৰৰ গৌতম চৌধুৰী, চন্দন নাথ, অৰূপ দাসৰ ঘৰত হয় চুৰিকাণ্ড সংঘটিত হয়। আনহাতে একেদিনাই পুৱা একেটা ৱাৰ্ডতে ঘৰৰ সন্মুখৰ পৰাই বাইকেৰে অহা দুই যুৱকে মহিলাৰ ডিঙিৰ সোণৰ চেইন কাঢ়ি নিয়ে। এই ঘটনাৰ পিছতেই বৰপেটাৰোডত চাঞ্চল্যৰ সৃষ্টি হয়। এই ক্ষেত্ৰত বৰপেটাৰোড আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত ক্ষীপ্ৰতাৰে অভিযান চলাই নিশাৰ ভিতৰতেই বৰপেটাৰোডৰ বিভিন্ন স্থানৰ পৰা বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী, নগদ ধনসহ আটক কৰিবলৈ সক্ষম হয় পাঁচ গোভাইট চোৰক। অভিযানত পাঁচজনকৈ চোৰক আটক কৰিবলৈ সক্ষম হোৱাৰ লগতে বৃহৎ পৰিমাণৰ সোণ-ৰূপৰ অলংকাৰ, নগদ ধন, ৫ টাকৈ ম'বাইল ফোন, চোকা অস্ত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বৰপেটাৰোড আৰক্ষীয়ে সফলতাৰে ২৪ ঘণ্টাৰ ভিতৰতেই বৃহৎ পৰিমাণৰ ধন-সোণসহ গ্ৰেপ্তাৰ ৫ গোভাইট চোৰক আটক কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ কৰা চোৰকেইটা ফুলজাৰ হুছেইন, জাহিদুল ভুঞা, দিলবৰ আলী, আব্দুৰ ছাদ আৰু ছাইফুল ইছলাম। চোৰ কেইটাক উত্তৰ আঠিয়াবাৰীৰ আজাদ নগৰ, কলগাছিয়া, সৰভোগ, খৈৰাবাৰী আদি বিভিন্ন অঞ্চলৰ পৰা আটক কৰিবলৈ সক্ষম হয়। ইয়াকে লৈ বৰপেটা অপৰাধ শাখাৰ DSP বিদ্যুৎ বিকাশ বৰাই এক সংবাদমেল অনুষ্ঠিত কৰে।

# মৰিগাঁৱত পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী আঞ্চলিক পঞ্চায়তৰ ১৪ সদস্য

**ই-সংবাদ, মৰিগাঁও, ৫ মে':** মৰিগাঁও জিলাত দ্বিতীয় পৰ্যায় অৰ্থাৎ ৭ মে'ত অনুষ্ঠিত হ'বলগা পঞ্চায়ত নিৰ্বাচনৰ আজি বিয়লি প্ৰচাৰ কাৰ্যৰ সামৰণি পৰে। উল্লেখ্য যে মৰিগাঁও জিলা পৰিষদৰ ১২ খন আসনৰ ভিতৰত মৰিগাঁও সমষ্টিৰ অন্তৰ্গত কুশতলী-গেৰুৱা জিলা পৰিষদ আসনত বিজেপিৰ প্ৰাৰ্থী প্ৰশান্ত হাজৰিকা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। বাকী ১১ খন আসনত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী হৈছে ২৯ জন। জাগীৰোড সমষ্টিৰ দেওশাল, ধৰমতুল, জাগীভকত গাঁও, মায়ং জিলা পৰিষদ সমষ্টিত বিজেপিৰ লগত কংগ্ৰেছৰ পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হৈছে যদিও কেউখন আসনতে বিজেপিৰ সম্ভাৱনা উজ্জ্বল। প্ৰতিদ্বন্দ্বীসকল হৈছে দেওশালত দীপা দাস (বিজেপি), সোণটি হীৰা (কংগ্ৰেছ), ধৰমতুলত পলাশ মেধি (বিজেপি), চন্দ্ৰকান্ত দাস (কংগ্ৰেছ), জাগীভকত গাঁৱত মন্টু বৰদলৈ (বিজেপি), জয়ন্ত কোঁৱৰ (কংগ্ৰেছ), মায়ঙত প্ৰণতি কলিতা ডেকা (বিজেপি), কবিতা ৰয় সৰকাৰ (কংগ্ৰেছ)। মৰিগাঁও সমষ্টিৰ নিৰ্বাচন হ'বলগীয়া তিনিখন আসন ক্ৰমে ভুৰবন্ধাত বিনীতা বৈষ্ণৱ ডেকা (বিজেপি), জানমণি পাটৰ (কংগ্ৰেছ), চৰাইবাহী-চাবুকধৰা অৰ্চনা পাটৰ (বিজেপি), ৰিংকুমণি পাটৰ আমচি (কংগ্ৰেছ), দন্দুৱাত সুৰেন দাস (বিজেপি), মুনীন্দ্ৰ কুমাৰ নাথ (কংগ্ৰেছ), মাধুৰিমা মহন্ত গোস্বামী (নিৰ্দলীয়)-এ প্ৰতিদ্বন্দ্বিতা কৰিছে যদিও বিজেপি প্ৰাৰ্থীসকল বহুখিনি আগবাঢ়ি আছে। লাহৰীঘাট সমষ্টিৰ চাৰিখন আসন ক্ৰমে ভুৰাগাঁও, মৈৰাবাৰী, ৰজাগাধোৱা, লাহৰীঘাট আসনত বিজেপি, কংগ্ৰেছ, ৰাইজৰ দল, এ আই ইউ ডি এফৰ ১৪ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে আৰু এই আসনসমূহত নিৰ্বাচনী তৎপৰতা প্ৰবলভাৱে চলা প্ৰত্যক্ষ কৰা হৈছে। লক্ষণীয় জাগীৰোড আৰু মৰিগাঁও সমষ্টিৰ আসন কেইখনত জয়লাভ সূত্ৰে মৰিগাঁও জিলা পৰিষদৰ ক্ষমতা দখল কৰিব পাৰিব বুলি বিজেপি দল প্ৰবল আত্মবিশ্বাসী হৈ আছে। আনহাতে জিলাখনৰ পাঁচখন আঞ্চলিক পঞ্চায়তত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী হৈছে ১৭৭ জন, বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে ১৪ জন। ৮৪ খন গাঁও পঞ্চায়তত প্ৰতিদ্বন্দ্বিতা কৰিছে ১,৮৯২ জন প্ৰাৰ্থীয়ে, ইয়াৰ ভিতৰৰে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে ১১৫ জনে। জিলা পৰিষদ সমষ্টি কুশতলী নিজ গেৰুৱা জিলা পৰিষদ সমষ্টিত বিজেপিৰ প্ৰশান্ত হাজৰিকা। আঞ্চলিক পঞ্চায়তত জয়লাভ কৰা ১৪ জন ক্ৰমে ভুৰাগাঁও আঞ্চলিক পঞ্চায়তৰ লেহপতি গাঁও পঞ্চায়ত জেহিৰুল ইছলাম (কংগ্ৰেছ), ভুৰবন্ধা আঞ্চলিক পঞ্চায়তৰ লাউভুৰুঙা গাঁও পঞ্চায়তত অভিজিৎ কুমাৰ ভৰালী (বিজেপি), নিজ চহৰীয়া গাঁও পঞ্চায়তত ৰীণা বিশ্বাস (বিজেপি), কপিলী আঞ্চলিক পঞ্চায়তৰ বৰভগীয়া গাঁও পঞ্চায়তত প্ৰাঞ্জল কুমাৰ নাথ (বিজেপি), চৰাইবাহী গাঁও পঞ্চায়তত চিতৰঞ্জন আমচি (বিজেপি), মায়ং আঞ্চলিক পঞ্চায়তৰ দেওশাল গাঁও পঞ্চায়তত দেৱাশিস দাস (বিজেপি), ঝাৰগাঁও গাঁও পঞ্চায়তত বিক্ৰম শইকীয়া (বিজেপি), বহা বৰজাৰী গাঁও পঞ্চায়তত ৰুণু ভৰালী (বিজেপি), মায়ং গাঁও পঞ্চায়তত কবিতা ডেকা (বিজেপি), পাভকাটি গাঁও পঞ্চায়তত অম্বিকা মণ্ডল (বিজেপি), বঘৰা গাঁও পঞ্চায়তত চান্দিমা ডেকা (বিজেপি), এজাৰবাৰী গাঁও পঞ্চায়তত ত্ৰিবেণী মান্তা ডেকা (বিজেপি), শলমাৰী গাঁও পঞ্চায়তত নকুল চন্দ্ৰ বৰদলৈ (বিজেপি), বাঘজাপ গাঁও পঞ্চায়তত অচ্যুৎ হীৰা (বিজেপি)।

# নগাঁৱৰ জামুগুৰি-কুজিদাঁহ পঞ্চায়তত আকৰ্ষণীয় নিৰ্বাচনী পৰিবেশঃ অগপ-বিজেপি-কংগ্ৰেছৰ মাজত হ'ব তীব্ৰ যুঁজ

**ই-সংবাদ, বেবেজীয়া, ৫ মে':** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি পৰে। ইয়াৰে জিলাখনৰ পাখিমৰীয়া-জামুগুৰি জিলা পৰিষদৰ এলেকাধীন জামুগুৰি-কুজিদাঁহ পঞ্চায়তক লৈ ৰাইজৰ মাজত বেছ চৰ্চা চলিছে । আচলতে, শীৰ্ষ পৰ্যায়ত বিজেপি আৰু অগপৰ মাজত দলীয় মিত্ৰতা আছে যদিও এই পঞ্চায়তটোত এইবাৰ দল দুটাৰ তৃণমূল কৰ্মীৰ মাজত এই মিত্ৰতা দেখিবলৈ পোৱা নগ'ল। কিয়নো, এইবাৰৰ নিৰ্বাচনত পঞ্চায়তটোৰ আঞ্চলিক সদস্য পদৰ বাবে পৰস্পৰ প্ৰতিদ্বন্দ্বিৰ ৰূপত থিয় দিছে দুই মিত্ৰ দলৰ কৰ্মী। আনকি, আনুষ্ঠানিকভাৱে নহ'লেও দলীয় নেতৃত্বই ভিতৰুৱাকৈ সমৰ্থন জনাইছে নিজ নিজ দলৰ প্ৰাৰ্থীক। সেয়ে এই পঞ্চায়তটোত যুযুধান ৰূপত সন্মুখসমৰত নামিছে অগপ-বিজেপিৰ প্ৰাৰ্থী। উল্লেখ্য, যোৱাটো কাৰ্যকালত এই পঞ্চায়তটোৰ সভাপতি পদটো অগপৰ দখলত থকাৰ হেতু বিজেপি দলক পঞ্চায়তটোৰ আঞ্চলিক সদস্য পদটো মিত্ৰদল হিচাপে অগপক এৰি দিবলৈ আহ্বান জনাইছিল । কিন্তু মনোনয়ন দাখিলৰ পূৰ্বে বিজেপিয়ে অগপৰ আহ্বানক নস্যাৎ কৰি সীমাৰেখা ভৰালী নামৰ এগৰাকী বিজেপি নেত্ৰীকহে দলীয় টিকট দিয়ে। সেয়ে বিজেপিৰ এনে কাৰ্যত ক্ষোভিত হৈ অগপ দলে যোৱাটো কাৰ্যকালৰ পঞ্চায়ত সভাপতি কৌস্তভ কুমাৰ বৰাক দলীয় প্ৰাৰ্থিত্বৰে পঞ্চায়তটোৰ পৰা নিৰ্বাচনত নমায়। ফলত এইবাৰ পঞ্চায়তটোত আঞ্চলিক সদস্য পদৰ বাবে বিজেপি আৰু অগপৰ লগতে বিৰোধী কংগ্ৰেছৰ ভাস্কৰজ্যোতি বৰাসহ তিনিগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ফলত জমি উঠিছে নিৰ্বাচনী যুঁজখন। ইফালে, পঞ্চায়তটোত এইবাৰ বিজেপি, অগপ আৰু কংগ্ৰেছৰ মাজত তীব্ৰ যুঁজ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে সচেতন মহলে। ইতিমধ্যে, তিনিওগৰাকী প্ৰাৰ্থীয়েই ব্যাপক প্ৰচাৰ অভিযান চলাই ৰাইজক আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে । পঞ্চায়তটোত মিত্ৰদল দুটাৰ সমান জনপ্ৰিয়তা থাকিলেও পৃথকে পৃথকে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সুবিধা গ্ৰহণ কৰিছে বিৰোধী কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে। যুৱ সমাজকৰ্মী কংগ্ৰেছৰ প্ৰাৰ্থী ভাস্কৰজ্যোতি বৰাই দিনে-নিশাই ভোটাৰৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলোৱাৰ বিপৰীতে মিত্ৰদলৰ প্ৰাৰ্থী দুগৰাকীক লৈ দোমোজাত পৰিছে দল দুটাৰ কৰ্মীসকল। কৰ্মীসকল সংকটৰ সন্মুখীন হৈছে ভোটটো কাক দিব তাকে লৈ। ইয়াৰ মাজতে দলীয় নেতৃত্বৰ সিদ্ধান্তত বিতুষ্ট একাংশ তৃণমূল দলীয় কৰ্মী। তাতে আকৌ মিত্ৰদলৰ প্ৰাৰ্থী দুগৰাকীৰ মাজত আছে পৰস্পৰবিৰোধী অভিযোগ-প্ৰতি অভিযোগ। প্ৰকাশ যে বিজেপিৰ প্ৰাৰ্থী সীমাৰেখা ভৰালী বিগত কাৰ্যকালত হাতীচোং জিলা পৰিষদৰ সদস্য হিচাপে আৰু অগপৰ প্ৰাৰ্থী কৌস্তভ কুমাৰ বৰা বিগত কাৰ্যকালৰে উক্ত পঞ্চায়তটোৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ঠিক সেইদৰে কংগ্ৰেছৰ প্ৰাৰ্থী ভাস্কৰজ্যোতি বৰা প্ৰকৃতিপ্ৰেমী যুৱক হোৱাৰ বিপৰীতে সৰ্পবান্ধৱ হিচাপে ইতিমধ্যে স্বীকৃতি লাভ কৰিছে। সেইফালৰ পৰা মিত্ৰদলৰ দুয়োগৰাকী প্ৰাৰ্থীৰ লগতে বিৰোধীৰ প্ৰাৰ্থীগৰাকীও ভোটাৰৰ অতিকৈ চিনাকি। যাৰ বাবেই তিনিওগৰাকী প্ৰাৰ্থীয়েই শক্তিশালী হৈ পৰাত পঞ্চায়তটোৰ ভোটাৰে কাক ধৰিব কাক এৰিব তাকে লৈ চিন্তাত পৰিছে। ইয়াৰ বিপৰীতে পঞ্চায়তটোৰ বহু সচেতন ভোটাৰে বিশেষকৈ যুৱচামে দল চাই নহয় প্ৰাৰ্থী চাইহে এইবাৰ ভোটাধিকাৰ সাব্যস্ত কৰিব বুলি মত ব্যক্ত কৰিছে। সি যি নহওক পঞ্চায়তটোত তিনিকোণীয়া তীব্ৰ যুঁজ যে হ'ব সেইটো নিশ্চিত। অৱশ্যে ইয়াৰে কোনজনক পঞ্চায়তটোৰ ৰাইজে আঁকোৱালি ল'ব সেয়া ফলাফল ঘোষণাৰ পিছতহে জানিব পৰা যাব।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# চৰাইদেউ জিলাত কাৰাটে প্ৰশিক্ষণৰ সফল সামৰণি

**ই-সংবাদ, মথুৰাপুৰ ৫ মে':** চৰাইদেউ জিলা কাৰাটে সন্থাৰ উদ্যোগত উজনি অসমৰ বিভিন্ন জিলাৰ পৰা অহা কাৰাটে প্ৰশিক্ষণাৰ্থী আৰু প্ৰতিযোগীসকলৰ অংশগ্ৰহণত চাৰি দিনীয়া কাৰাটে প্ৰশিক্ষণ আৰু প্ৰতিযোগিতা সফলভাৱে সম্পন্ন হয়। লাকুৱা তাপ বিদ্যুৎ কেন্দ্ৰৰ মাইবেলা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই কাৰ্য্যক্ৰমৰ সমাপ্তিৰ দিনা দেওবাৰে ৪০ গৰাকী প্ৰতিযোগীক ব্লেক বেল্ট প্ৰদান কৰা হ'ল। তাৰোপৰি, কেইবাগৰাকী প্ৰশিক্ষণাৰ্থীক ৰঙীন বেল্টেৰেও সন্মানিত কৰা হৈছে। এই প্ৰতিযোগিতাত এশৰো অধিক প্ৰতিযোগীয়ে অংশ লৈ উজনি অসমৰ যুৱ সমাজক কাৰাটেৰ দৰে আত্মৰক্ষা কলাৰ প্ৰতি উৎসাহিত কৰিছে। ইয়াৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে নিয়মানুবৰ্তিতা, শাৰীৰিক সুস্থতা আৰু দলগত মনোভাৱৰ উন্নতি সাধন কৰিছে। চৰাইদেউ জিলা ঐতিহাসিকভাৱে আহোম ৰাজ্যৰ গৌৰৱময় ইতিহাসৰ বাবে পৰিচিত। এনে ক্ৰীড়া অনুষ্ঠানে অঞ্চলটোৰ সাংস্কৃতিক আৰু ক্ৰীড়ামূলক পৰম্পৰাক সমৃদ্ধ কৰাত অৰিহণা যোগাইছে। আয়োজক সংস্থাই ভৱিষ্যতে এনে অনুষ্ঠানৰ মাত্ৰা বৃদ্ধি কৰি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়লৈ কাৰাটে প্ৰতিযোগিতা সম্প্ৰসাৰণ কৰাৰ পৰিকল্পনা কৰিছে।

# ক্ৰিকেটাৰ মহম্মদ ছামীক হত্যাৰ ভাবুকি

**আমোৰহা, ৫ মে':** ইমেইলযোগে হত্যাৰ ভাবুকি ভাৰতীয় পেচাৰ মহম্মদ ছামীক। তেওঁৰ ভাতৃ মহম্মদ হাছিবে কয় যে ৰাজপুত সিন্ধৰ নামৰ এজন ব্যক্তিয়ে ১ কোটি টকা দাবী কৰি ছামীক হত্যা কৰাৰ ভাবুকি প্ৰদান কৰিছে। বৰ্তমান ছামীয়ে আইপিএল ২০২৫ত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ খেলি আছে। দেওবাৰে দুপৰীয়া প্ৰায় ২ বজাত এক ইমেইলযোগে হত্যাৰ ভাবুকি প্ৰদান কৰা হয় ছামীক। ইয়াৰ পিছতে ভাতৃয়ে আৰক্ষীৰ কাষ চাপে। আৰক্ষীয়ে এফআইআৰ দাখিল কৰি চাইবাৰ চেলৰ তদন্ত আৰম্ভ কৰিছে। বাতৰি অনুসৰি এই মেইল সম্ভৱতঃ কৰ্ণাটকৰ পৰা আহিছিল যদিও নামটো ভুৱা হোৱাৰ সম্ভাৱনা আছে। আইপিএলত ফৰ্মত নাই ছামি, ৯ খন মেচত মাত্ৰ ৬ টা উইকেট দখল কৰিছে।




আইপিএল ২০২৫: দিল্লী কেপিটেলছৰ বিৰুদ্ধে উইকেট উদযাপন ছানৰাইজাৰ্ছ হায়দৰাবাদৰ জয়দেৱ উনদকটৰ

## আইপিএলৰ উত্তেজনাৰ মাজতে ঘোষণা আইচিচিৰ বাৰ্ষিক ৰেংকিং

# এদিনীয়া আৰু টি-২০ত শীৰ্ষস্থান ভাৰতৰ, টেষ্ট ফৰ্মেটত হেৰুৱালে স্থান

**নতুন দিল্লী, ৫ মে':** আইপিএল ২০২৫ক লৈ চৰম উত্তেজনাৰ মাজতে আইচিচিয়ে প্ৰকাশ কৰিলে বাৰ্ষিক ৰেংকিং। ভাৰতীয় দলটোৱে এদিনীয়া আৰু টি-২০ ফৰ্মেটত শীৰ্ষ স্থান অক্ষুণ্ণ ৰখাৰ বিপৰীতে টেষ্ট ৰেংকিংত বিপৰ্যয়ৰ সন্মুখীন হৈছে। চেম্পিয়নছ ট্ৰফী আৰু যোৱা বছৰৰ টি-২০ বিশ্বকাপত জয়লাভ কৰি ভাৰতে ১২৪ ৰেটিংৰে শীৰ্ষস্থান দখল কৰিছে। দ্বিতীয় স্থানত নিউজিলেণ্ড, তৃতীয় স্থানত অষ্ট্ৰেলিয়া, পঞ্চম স্থানত পাকিস্তান আৰু দশম স্থানত আছে বাংলাদেশ। টি-২০ ৰেংকিংতো ভাৰতে ১৫,৪২৫ পইন্ট আৰু ২৭১ ৰেটিংৰে শীৰ্ষত আছে। অষ্ট্ৰেলিয়া দ্বিতীয় স্থানত আছে যদিও পাকিস্তান আৰু বাংলাদেশ ক্ৰমে অষ্টম আৰু নৱম স্থানত পিছ পৰি আছে। টেষ্টত অৱশ্যে ভাৰতে ১০৫ ৰেটিং লাভ কৰি চতুৰ্থ স্থানলৈ এক স্থান হ্ৰাস পাইছে। শেহতীয়া টেষ্ট শৃংখলাত অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ হাতত পৰাস্ত হোৱাৰ প্ৰভাৱ স্পষ্ট। ১২৬ ৰেটিংৰে শীৰ্ষত আছে অষ্ট্ৰেলিয়া, দ্বিতীয় আৰু তৃতীয় স্থানত আছে ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকা। সপ্তম স্থানত পাকিস্তান, দশম স্থানত বাংলাদেশ। আই পি এলৰ পাছত ভাৰতীয় দলটোৱে ইংলেণ্ড ভ্ৰমণ কৰিব, য'ত ২০ জুনৰ পৰা আৰম্ভ হ'ব পাঁচখন টেষ্টৰ শৃংখলা। আই পি এলৰ ফাইনেলৰ দিনা ইংলেণ্ডলৈ ৰাওনা হ'ব ভাৰতীয় 'এ' দলটো। ফাইনেলত খেলিব নোৱাৰা ক্ৰিকেটাৰসকলেও 'এ' দলত যোগদান কৰিব। এই ছিৰিজত ভাৰতৰ পৰৱৰ্তী অধিনায়ক হোৱাৰ উজ্জ্বল সম্ভাৱনা আছে শুভমন গিলৰ। চেম্পিয়নছ ট্ৰফীত উপ-অধিনায়ক হিচাপে তেওঁৰ অভিজ্ঞতা আৰু আই পি এলত তেওঁৰ উৎকৃষ্ট ফৰ্মে তেওঁক আগুৱাই লৈ গৈছে। মুখ্য নিৰ্বাচক অজিত আগৰকাৰ আৰু প্ৰশিক্ষক গৌতম গম্ভীৰ মূল দলটো প্ৰায় চূড়ান্ত কৰিছে। আই পি এল প্লে অফৰ দৌৰ গৰম হোৱাৰ সময়তে ইতিমধ্যে চেন্নাই ছুপাৰ কিংছ আৰু ৰাজস্থান ৰয়েলছ বাহিৰ হৈছে। ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু ১৬ পইন্ট আৰু নেট ৰান ৰেট +০.৪৮২ লৈ শীৰ্ষত আছে। ১৫ পইন্টেৰে দ্বিতীয় স্থানত আছে পঞ্জাব কিংছ, তৃতীয় স্থানত আছে মুম্বাই ইণ্ডিয়ানছ আৰু চতুৰ্থ স্থানত আছে গুজৰাট টাইটানছ। আইপিএলক লৈ এতিয়া উত্তেজনা তুংগত উঠিছে।




বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি